# স্মৃতিগ্ৰন্থ

# চতুৰ্থ মিচিং যুৱ মহোৎসৱ

১২-১৫ ফেব্ৰুৱাৰী, ০৪ গোগামুখ



# Souvenir

## 4th Mising Youth Festival

## 12-15 February, 04

## Gogamukh

# স্মৃতিগ্ৰন্থ

# SOUVENIR

## চতুর্থ মিচিং যুৱ মহোৎসৱ

কেন্দ্ৰিয় সাংগঠনিক সমিতি,

১২, ১৩, ১৪ আৰু ১৫ ফেব্ৰুৱাৰী, ২০০৪

**সমন্বয় ক্ষেত্ৰ**

**গোগামুখ, ধেমাজি ।**

**আন্তৰিক প্ৰীতি আৰু শুভেচ্ছাৰে**

শ্ৰীযুত/শ্ৰীযুতা..........................................................................................................................

..........................................................................................................................................

লৈ আগবঢ়োৱা হল

সম্পাদনা সমিতি ।

স্মৃতিগ্ৰন্থ’২০০৪, চতুৰ্থ মিচিং যুৱ মহোৎসৱ উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ খনি কেন্দ্ৰিয় সাংগঠনিক সমিতি, মিচিং যুৱ মহোৎসৱৰ দ্বাৰা প্ৰকাশিত আৰু সংৰক্ষিত ।

সম্পাদনাত ঃ শ্ৰীপৰমানন্দ চায়েঙীয়া

সহকাৰী সম্পাদনাত ঃ ডাঃ অনিল কুমাৰ পেগু

প্ৰকাশক ঃকেন্দ্ৰিয় সাংগঠনিক সমিতি, চতুৰ্থ মিচিং যুৱ মহোৎসৱ

ডি. টি. পি. ঃ ৰীঙাম গমুগ পাব্লিকেশ্বন

ছয় মাইল, গুৱাহাটী - ২২

মুদ্ৰণ : ধন প্ৰিন্টাচ্ জয়ানগৰ,

গুৱাহাটী - ২২

মূল্য : ২০.০০ টকা মাত্র

# ঃঃ অনুক্রমণিকা ঃঃ

১/ ২০০১ চনৰ ১১ মাৰ্চ দেওবাৰে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত মিচিং যুৱ মহোৎসৱ আৰু টাকাম মিচিং পৰিন কীবাঙৰ সৌজন্যত অনুষ্ঠিত মিচিং সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধনী ভাষণ। চেঙাৰাম মৰাং ১
২/ সমাজত সংস্কৃতি ধাৰণ প্ৰক্ৰিয়া ডঃ। যতীন মিপুন। ২
৩/ অতীত মৰহি নেযায় ..... নৰেন্দ্ৰনাথ টায়ে ৩
৪/ বয়ন শিল্পত মিচিং সকলৰ স্বকীয়তা আৰু ব্যৱহাৰিক ভিন্নতা কেশৱ পাইত ১১
৫। আন্দোলনৰ পৰা বিপ্লৱলৈ ছত্ৰ মেদক ১৪
৬। সংকটত মিচিং সমাজ আৰু সংস্কৃতি ডঃ।দুৰ্গেশ্বৰ দলে ১৭
৭। সংস্কৃতি ঃ ইয়াৰ সাম্প্ৰতিক সংকট ডঃ শিৱনাথ বৰ্মন ২০
৮। নৈপৰীয়া কাবান নবীন কামান ২৬
৯। মিচিং সমাজৰ অইনিঃতম মৃণালী কাগয়ুং ২৮
১০। মিচিং বাদ্য যন্ত্ৰ অতুল পেগু ৩১
১১। নন্দনতাত্ত্বিক দ্বন্দ্বঃ আৰ্য্যীয় বনাম মংগোলয়ড নন্দনতত্ত্ব খৰ্গেশ্বৰ পেগু ৩৪
১২। মিচিং জনগোষ্ঠীৰ কলা আৰু শিল্প - এটি টোকা টাবু টাইদ ৪০
১৩। মিচিং যুৱ মহোৎসৱৰ চমু ইতিহাস পৰমানন্দ চায়েঙীয়া ৪৬
১৪। আদৰণি সমিতি - চতুৰ্থ মিচিং যুৱ মহোৎসৱ ৪৮
১৫। চতুৰ্থ মিচিং যুৱ মহোৎসৱৰ সাংস্কৃতিক প্ৰতিযোগিতাৰ পুৰষ্কাৰ সমূহৰ কিছু সংখ্যক দাতা ৫৩
১৬। Ni:tomko Motoka Rameswor Mcdok ৫৪
১৭। Mising Agomlo Mibo Gombug Simang Panggvng ৫৫
১৮। SILOK ADVSOK MISING RONGAM Bhobo Dole: ৫৭
১৯। "Mising Youth Festival" ৫৮
lo:pc Talom Rukbokc do:jvg
20। Lento Lento Me: rang Lenpc Lento Trironjon Tavd ৬০
২১ । Asin Mc tom Torulota Pegu ৬০

# Central Organising Committee

# 4TH MISING YOUTH FESTIVAL, 2004

## Gogamukh, Dhemaji

| | |
|---|---|
| **Adviser** | **Mg. Ganesh Pegu** |
| | **Dr. Jatin Pipun** |
| | **Dr. Bidyeswar Doley** |
| | **Mg. Komison Mili** |
| **President:** | **Mg. Sengaram Morang** |
| **Vice President:** | **Mg. Ekalabya Gam** |
| | **Mg. Suruj Kumar Patiri** |
| **Genral Secretary** | **Mg. Paramananda Chayengia** |
| **Joint Secretary** | **Mg. Bhuban Pegu** |
| | **Mg. Raju Medok** |
| **Executive Members:** | **Dr. Ranoj Pegu (Gogamukh)** |
| | **Dr. Anil Kumar Pegu (Guwahati)** |
| | **Mg. Raju Doley (Delhi)** |
| | **Mg. Gobin Narah (North Lakhimpur)** |
| | **Mg. Lakhi Kanta Pegu (North Lakhimpur)** |
| | **Mg. Karneswar Kutum (Gogamukh) Momot** |
| | **Mg. Keshab Pait (Gogamukh)** |
| | **Mg. Sunil Pegu (Dhakuakhana)** |
| | **Mg. Jugesh Kumbang (Obonori)** |
| | **Mg. Mon Mohan Kuli (Jorhat)** |
| | **Mg. Sadananda Payeng (Nagaon)** |
| | **Mg. Manoj Chungkrang (Sadiya)** |
| | **Mg. Mg. Biju Pegu (Dhemaji)** |
| | **Mg. Mula Kanta Pegu (Jonai)** |

-

**২০০১ চনৰ ১১ মার্চ দেওবাৰে**

**শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত (পাঞ্জাবাৰী, গুৱাহাটী)**

# আয়োজিত মিচিং যুৱ মহোৎসৱ আৰু টাকাম মিচিং পৰিন কীবাঙৰ সৌজন্যত

**অনুষ্ঠিত মিচিং সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধনী ভাষণ**

জয় জয়তে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজ আৰু আমন্ত্ৰিত দৰ্শক শ্ৰোতা বৃন্দক আমি মিচিং সমাজৰ হৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

কিছুক্ষনৰ পিছতে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ এই মুকলি মঞ্চ মিচিং যুৱ মহোৎসৱৰ এজাক থলুৱা শিল্প-কৰ্মীৰ নাচ-গীত বাদ্যৰে সাৰ পাই উঠিব। আজিৰ গধুলিটোক ভাষা দিব বিচৰা মিচিং কৃষ্টি-সংস্কৃতিৰ সাধক সকলৰ হৈ আমি আপোনাসৰক Kumrig Sudag কৰিছো |

মিচিং সমাজ আৰু জীৱনক কৃষিভিত্তিক জনবিশ্বাস আৰু পৰম্পৰাই আৱৰি ৰাখিছে। কৃষি ভিত্তিক জনবিশ্বাসে বিভিন্ন উৎসৱ-পাৰ্বনৰ সৃষ্টি কৰিছে। পৰম্পৰাগত বহু প্ৰথাই বিভিন্ন বিশ্বাসৰ জন্ম দিছে। জীৱন জোৰা পৰিশ্ৰমক এপাক নাচোনেৰে মহীয়ান কৰিব খোজে। এফাকি অন্তৰভেদি যোৱা নি:তমেৰে মনৰ কবিতা ব্যক্ত কৰে। বিভিন্ন বাদ্যযন্ত্ৰক মনৰ গোপন বাসনা প্ৰকাশৰ মাধ্যম কৰিব খোজে। এয়াই মিচিং সাংস্কৃতিক জীৱনৰো মূল আধাৰ।

পৰিবৰ্তিত সময়ে মিচিং সামাজিক জীৱনকো চৌৱাই গৈছে। ব্যক্তিকেন্দ্ৰিকতা আৰু বিশ্বায়নৰ নামত পশ্চিমীয়া ভাৱাদৰ্শই মিচিং মানুহৰ মনকো স্পৰ্শ কৰিছে। ফল স্বৰূপে মিচিঙৰ সাতাম পুৰুষীয়া সাংস্কৃতিক ভেটি আৰু পৰম্পৰা ক্ষতিগ্ৰস্ত হোৱাৰ উপক্ৰম হৈছে। অতীতৰ জাতীয় গৌৰৱৰ প্ৰতি গৌৰৱান্বিত হ'ব নোৱাৰা মানুহে কোনো কালেই জাতিৰ মংগল সাধিব নোৱাৰে বুলি আমি ভাবো ।

মাটিৰ পৰশ থকা কৃষ্টি সংস্কৃতিক আমি শ্ৰদ্ধা কৰোঁ। বিশ্বায়নৰ নামত এমুঠি মানুহে মানুহৰ পৰম্পৰা আৰু বিশ্বাসক লৈ ব্যৱসায় কৰক – এই মনোবৃত্তিৰ পোষকতা আমি নকৰোঁ । গণতান্ত্ৰিক সুস্থ জনসংস্কৃতিৰ ভেটি সুদৃঢ় কৰাৰ পক্ষত আমি থিয় হব বিচাৰো । -

জাতি একোটাৰ বৰ্ণাঢ্য সংস্কৃতিয়ে সেই জাতিৰ ইতিহাস কব পাৰিব লাগে। আজি মিচিং সকলৰ বৰ্ণাঢ্য জীৱন অলোকিত কৰা সংস্কৃতিত সংস্কৃতিৰ নামত অপসংস্কৃতিৰ আলিংগন অনুভৱ কৰা হৈছে। এই প্ৰৱনতাই মিচিং জাতিৰ শ শ বছৰ জোৰা জাতীয় ইতিহাসকেই ধুসৰ কৰি পেলাব।

আৰু ইয়াৰ প্ৰতিৰোধ কল্পে সংগ্ৰাম গঢ়ি তোলাৰ স্বাৰ্থতে ১৯৯৬ চনত জন্ম হল মিচিং যুৱ মহোৎসৱৰ, Mising Youth Festival। প্ৰথম মিচিং যুৱ মহোৎসৱ উৎযাপিত হ'ল - চিলা পথাৰৰ কুলাজানৰ পাতিৰি গাৱঁত - হাজাৰ হাজাৰ মিচিং কৃষ্টি-সংস্কৃতি প্ৰেমীৰে। সেই আৰম্ভনিয়ে এতিয়া ইতিহাস গঢ়াৰ পথত।

আজিৰ অসমত, এই মুহূৰ্ত্তলৈকে বোধ হয় একমাত্ৰ মিচিং জাতি আৰু মিচিঙৰ উঠি অহা চামেই বিৰল উদাহৰন - যি বাৰুদ সংস্কৃতিৰ প্ৰতি আকৰ্ষিত হোৱা নাই। সন্ত্ৰাসবাদ, উগ্ৰবাদক নিলগাই থৈ মিচিং যুৱক-যুৱতীসকলে বন্দুকৰ সলনি গীটাৰ হাৰমনিয়াম কান্ধত লৈ মিচিঙৰ গাঁৱে ভুঞে সিঁচৰিত হৈ থকা, হেৰাব খোজা গায়ন-বায়ন-নাচন শিল্পক পুনৰ্জীৱিত কৰাৰ স্বাৰ্থত অহৰ্নিশে লাগি আছে।

এই যুৱক-যুৱতী চামে প্ৰকৃত গনতান্ত্ৰিক প্ৰক্ৰিয়াত বিশ্বাসী আৰু জাতিটোৰ উদগতিৰ স্বাৰ্থতে স্বনিয়ন্ত্ৰনৰ প্ৰতিয়ো বিশ্বাসী।

আৰু আজি এই গধুলিটোক ভাষা দিব বিচাৰিছে - মিচিং যুৱকমহোৎসৱৰ এমুঠি মাত্ৰ শিল্প কৰ্মীয়ে - আপোনালোকৰ মনোৰঞ্জনৰ বাবে।

আৰু আমাৰ পৰম আশা - এই শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ অসমৰ বিভিন্ন জাতি উপজাতিৰে কলাক্ষেত্ৰ হওক, ইয়াতে পাহি মেলক অহৰহ বিভিন্ন জাতি-উপজাতিৰ বাৰে ৰহনীয়া সংস্কৃতিৰ পাহি। এই মুহূৰ্ত্তত, এই মুকলি মঞ্চ আপোনালোকৰ বাবে আন্তৰিক চেনেহ সহ অৰ্পন কৰিছোঁ - (sa aipai)

**চেঙাৰাম মৰাং**
**সভাপতি**
**কেন্দ্ৰীয় সাংগঠনিক সমিতি**
**মিচিং যুৱ মহোৎসৱ**

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ
পাঞ্জাবাৰী, গুৱাহাটী – ৩৭

# মিচিং সমাজত সংস্কৃতি ধাৰণ প্ৰক্ৰিয়া

ড০ যতীন মিথুন

বিভিন্ন জাতি-জনজাতিৰে ভৰা অসম এখন বৈচিত্ৰপূৰ্ণ ৰাজ্য। | চাৰিওফালে পাহাৰে আগুৰা ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ ঠেক সমতল ভূমি, কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ পাহাৰীয়া ভূমিখণ্ড আৰু বৰাক উপত্যকা - এই তিনিটা ভূমিখণ্ডক লৈ বৰ্ত্তমানৰ অসমত কেইবা শতিকা ধৰি ভাৰতবৰ্ষকে ধৰি দক্ষিণ পূব এছিয়াৰ বহু জনগোষ্ঠীৰ আগমন ঘটিছে। বিহাৰ, উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, উৰিষ্যা, পশ্চিম বংগ আদিৰ পৰা বিভিন্ন সময়ত প্ৰব্ৰজন ঘটা বহু জনগোষ্ঠী যেনেকৈ হাড়ে-হিমজুৰে অসমীয়া হৈ পৰিছে তেনেকৈ সুদূৰ থাইলেণ্ডৰ পৰা অহা বুলি অসম বুৰঞ্জীয়ে কোৱা আহোম | সকলেও অসমীয়া ভাষা-সংস্কৃতি গ্ৰহণ কৰি, এই ভাষা – সংস্কৃতিৰ উৎকৰ্ষ সাধনত ৰজাঘৰীয়া অভূতপূৰ্ব অৰিহণা যোগাই অসমত | অসমীয়া হৈ পৰিল। কেইবা শতিকা ধৰি অসমলৈ প্ৰব্ৰজন ঘটা | বিভিন্ন ভাষা-সংস্কৃতিৰ জনগোষ্ঠী সমূহে অসমৰ সাৰুৱা মাটিত নিগাজীকৈ খোপনি পুতি স্থানীয় ভাষা সংস্কৃতি গ্ৰহণ কৰি অসমীয়া হৈ যোৱাটোকে চমুকৈ সংস্কৃতিধাৰণ (acculturation) প্ৰক্ৰিয়াৰ প্ৰভাৱ বুলিব পাৰি। অথাৎ নিজৰ ভাষা-সংস্কৃতিৰ লগত খাপ খোৱাকৈ উন্নত বা ব্যৱহাৰিক দিশত বেছি প্ৰয়োজনীয় বুলি ভৰা ভাষা-সংস্কৃতি যি জনগোষ্ঠীয়ে গ্ৰহণ কৰিবলৈ আৰম্ভ কৰে তেনে জনগোষ্ঠীকে সংস্কৃতিধাৰণ প্ৰক্ৰিয়াৰ কবলত পৰি পৰিবৰ্ত্তনৰ দিশত আগুৱাই যাব ধৰা বুলি কোৱা হয়

এখন সমাজে আন এখন সমাজৰ ভাষা-সংস্কৃতিৰ বিভিন্ন | দিশত প্ৰভাৱান্বিত কৰি সাংস্কৃতিক পৰিবৰ্ত্তনৰ দুৱাৰ কিদৰে মুকলি | কৰে তাৰ বিস্তৃত আলোচনা গুৰুত্ব সহকাৰে নৃতত্ত্ববিদ আৰু সমাজ শাস্ত্ৰবিদ সকলে আগবঢ়াইছে। তেওঁলোকৰ মতে এখন উন্নত | সমাজৰ সংস্কৃতিৰ সংস্পৰ্শ আৰু প্ৰভাৱৰ ফলত আন এখন তুলনামূলক ভাৱে পিছপৰা সমাজৰ সংস্কৃতিৰ পৰিবৰ্ত্তন হোৱাটোৱেই হ'ল সংস্কৃতিধাৰণ (acculturation)। এখন সমাজৰ সাংস্কৃতিক পৰিবৰ্ত্তনৰ এই নতুন ধাৰাক প্ৰয়োগ কৰা বৰ বেছি দিনৰ কথা নহয়। সভ্য সমাজৰ প্ৰভাৱত আদিম সমাজৰ | সংস্কৃতিৰ পৰিবৰ্ত্তন নিৰ্ণয় কৰিবৰ বাবে ১৯ শতিকাৰ শেষ ভাগতহে নৃতত্ত্ববিদ সকলে এই ধাৰাক প্ৰয়োগ কৰিছিল। এখন সমাজৰ | সাংস্কৃতিক পৰিবৰ্ত্তনৰ গৱেষণামূলক আলোচনাত বিংশ শতিকাৰ আৰম্ভণিৰ পৰাহে সংস্কৃতিধাৰণ প্ৰক্ৰিয়াৰ ভূমিকাক সম্পূৰ্ণতম অৰ্থত স্বীকাৰ কৰি আহিছে। এই খিনিতে মন কৰিবলগীয়া যে সাংস্কৃতিক পৰিবৰ্ত্তন (cultural change), সংমিশ্ৰণ assimilation) আৰু সঞ্চাৰণ (diffusion) ইত্যাদি সংস্কৃতি ধাৰণৰ লগতে সামঞ্জস্য থকা যেন লাগিলেও সিঁহত বহুক্ষেত্ৰত ভিন্ন প্ৰকৃতিৰ। বাকী বিলাকৰ তুলনাত সংস্কৃতিধাৰণ প্ৰক্ৰিয়াৰ গতি খুউব মন্থৰ আৰু ইয়াৰ ফলত হোৱা সংস্কৃতিৰ উপাদান সমূহৰ (cultural elements) পৰিবৰ্ত্তন এখন সমাজৰ অজ্ঞাতেই বহু দিন বা বহু বছৰৰ পিছতহে দেখা পোৱা যায়।

উজনি অসমৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে গোলাঘাট জিলাৰ পৰা শদিয়ালৈ আৰু উত্তৰ পাৰে শোণিতপুৰ জিলাৰ পৰা জোনাইলৈ ব্ৰহ্মপুত্ৰৰ লগত নদীসমূহৰ সংলগ্ন স্থানত, নৈৰ পাৰত, মথাউৰিৰ কাষত, চৰ-চাপৰিত কাঠ-বাঁহ - খেৰেৰে চাংঘৰ সাজি মিচিং সকলে বসবাস কৰে। সত্ৰ সংস্কৃতিৰ লগতে পৃথিৱীৰ বৃহত্তম নদী দ্বীপ হিচাপে প্ৰখ্যাত মাজুলীও এক মিচিং বসতিপূৰ্ণ নদী দ্বীপ। এসময়ত অৰুণাচল প্ৰদেশৰ অবিভক্ত চিয়াং জিলাৰ পৰা অসমৰ ভৈয়ামলৈ নামি আহি নদীৰ পাৰে পাৰে বসবাস কৰিবলৈ লোৱা মিচিংসকল পাহাৰৰ পৰা নামি অহা দিনৰে পৰা ভৈয়ামৰ ভাষা-সংস্কৃতিৰ সংস্পৰ্শলৈ আহিছিল। চুতীয়া ৰাজ্য আৰু আহোম ৰাজ্যৰ অধীনত নে পৰীয়া কৃষিজীৱী মিচিং সকল তেওঁলোকৰ বাসস্থানৰ ঠাইবিলাক আপেক্ষিকভাৱে দুৰ্গম হ'লেও অসমীয়া ভাষা সংস্কৃতিৰ প্ৰভাৱত পৰিছিল। ৰাজ পৰিয়ালে পৃষ্ঠপোষকতা কৰা সত্ৰ সংস্কৃতিয়ে অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰভাৱ পেলোৱাত তেনে জনগোষ্ঠীসমূহৰে এক অংগ হিচাপে মিচিং সকলো সত্ৰ সংস্কৃতিৰ প্ৰভাৱত পৰাতো স্বাভাৱিক কথা আছিল। ফলত অৰুণাচল প্ৰদেশৰ অবিভক্ত চিয়াং জিলাত থকা দিনৰ পৰম্পৰাগত ধৰ্মীয় বিশ্বাস, আচাৰ - ব্যৱহাৰ আদিত সত্ৰ সংস্কৃতিৰ উপাদান মিচিং সকলৰ অজ্ঞাতেই সোমাই পৰিছিল। অৰ্থাৎ মিচিংসকলৰ জ্ঞাতে বা অজ্ঞাতেই

তেওঁলোকৰ পৰম্পৰাগত ধৰ্মীয় বিশ্বাসত হিন্দু ধৰ্মৰ প্ৰৱেশ ঘটিছিল। এনে এক সামাজিক বাতাবৰণত মিচিং সকলৰ ধৰ্ম, আহাৰ, ভাষা, পোছাক - পৰিচ্ছদ, ঘৰ-বাৰী, প্ৰয়োজনীয় ঘৰুৱা
সাঁ-সজুলি আদি সংস্কৃতিধাৰণ প্ৰক্ৰিয়াৰ ফলত অৰ্থাৎ অসমীয়া | সংস্কৃতি গ্ৰহণৰ ফলত কিমানদূৰ পৰিবৰ্ত্তন হ'ব লাগিছে তাৰ এটি চমু আভাস ইয়াত দাঙি ধৰিব বিচৰা হৈছে।

মিচিং সকলৰ মাজত প্ৰচলিত 'কেৱলীয়া', 'কাল সংহতি', 'নিশামলীয়া' ধৰ্মীয় বিশ্বাস হ'ল আদিম ধৰ্মীয় বিশ্বাস আৰু বৈষ্ণৱ | ধৰ্মৰ প্ৰভাৱত পৰা এক মিশ্ৰিত ধৰ্মীয় বিশ্বাস যি ধৰ্মীয় বিশ্বাসক হিন্দু বুলিয়েই কোৱা হয়। অৰুণাচল প্ৰদেশৰ পাহাৰীয়া অঞ্চলৰ পৰা অসমৰ ভৈয়ামাঞ্চলত বসবাস কৰিবলৈ লোৱাৰ পিছত ভৈয়ামৰ অসমীয়া হিন্দু সংস্কৃতিৰ সংস্পৰ্শ আৰু প্ৰভাৱৰ ফলত মিচিংসকলৰ জীৱন ধাৰণ প্ৰণালীৰ প্ৰতিটো ক্ষেত্ৰতে হোৱাৰ দৰে ধৰ্মীয় বিশ্বাসতো সংস্কৃতিধাৰণ প্ৰক্ৰিয়া আৰম্ভ হয়। মিচিং সকলৰ 'কাল সংহতি' ধৰ্মৰ উৎস ইয়াতে বিচাৰি পোৱা যায়। মিচিং সকলৰ | প্ৰধান উপাস্য দেৱতা হ'ল 'দঃঞি-পঃল' (সূৰ্য্য-চন্দ্ৰ)। এই উপাস্য দেৱতাই মিচিং সকলৰ দৈনন্দিন জীৱনৰ কাম-কাজবিলাক সৰ্বদা লক্ষ্য কৰি থাকে বুলি বিশ্বাস কৰা হয়। সেয়ে যিকোনো পূজা - পাতলত 'দঃঞি-পঃল'ক সাক্ষী ৰাখি মৃত পূৰ্বপুৰুষ আৰু অপায় অমঙ্গলৰ দেৱতালৈ শৰাই আগবঢ়ায়। মিচিং সকলৰ প্ৰধান উৎসৱ সমূহ হ'ল 'আলিয়াই লৃগাং', 'পঃৰাগ্', 'তালীং উঃয়ু'(কৃষি কাৰ্য্যৰ লগত জড়িত পূজা -উৎসৱ), 'দৰ', 'আচি উঃয়ু', 'য়ুম্ৰাং উঃয়ু' (বেমাৰ-আজাৰ বিষয়ক পূজা); 'দদ্গাং', 'উম আপিন' (মৃত পূৰ্ব-পুৰুষ সকলৰ বাবে পূজা বা শ্ৰাদ্ধ)। কৃষি কাৰ্য্যৰ লগতে জড়িত পূজা-উৎসৱ, বেমাৰ-আজাৰ বিষয়ক পূজা আৰু মৃত পূৰ্ব পুৰুষ সকলৰ বাবে পূজা বা শ্ৰাদ্ধ – এই তিনিটা প্ৰধান ভাগত ভাগ | কৰিব পৰা মিচিংসকলৰ পূজা - উৎসৱাদিত পূৰ্বতে পৰম্পৰাগত ধৰ্মীয় পুৰোহিত 'মিবু' বা 'মিৰি'য়ে পৌৰহিত্যৰ বাবে আগস্থান পাইছিল। কিন্তু ভৈয়ামৰ শংকৰী আৰু সত্ৰীয়া সংস্কৃতিৰ প্ৰভাৱত পৰি মিচিং সকলে 'কেৱলীয়া" বা 'কাল সংহতি' ধৰ্মীয় পন্থাক গ্ৰহণ কৰাৰ ফলত ভকত, সাতোলা আদিয়ে 'মিবু'বা 'মিৰি'ৰ স্থান দখল কৰিলে। সত্ৰীয়া সংস্কৃতিৰ প্ৰভাৱত বৈষ্ণৱ আদৰ্শক আদিম ধৰ্মীয় বিশ্বাসৰ লগতে সংমিশ্ৰণ ঘটাই মিচিং সকল হিন্দু হৈ পৰিলেও ব্ৰাহ্মণক পূজাৰ পুৰোহিত হিচাপে মিচিংসকলে অৱশ্যে গ্ৰহণ নকৰিলে ।

হিন্দু ধৰ্ম বা কাল সংহতি ধৰ্মৰ দীক্ষা মিচিংসকলে কেতিয়া কেনেকৈ গ্ৰহণ কৰিলে সহজে কোৱা টান । অৱশ্যে এই কথা অনুমান কৰিব পাৰি যে ১৫ শতিকাৰ বৈষ্ণৱ আন্দোলন নতুবা তাৰ ঠিক পিছতে মিচিংসকল সত্ৰৰ ভকতৰ সান্নিধ্যত আহি হিন্দু ধৰ্মৰ প্ৰতি আকৃষ্ট হয় যাৰ ফলত বৈষ্ণৱ আৰু আদিম ধৰ্মীয় বিশ্বাসৰ সংমিশ্ৰণত কেৱলীয়া বা কাল সংহতি ধৰ্মই তেওঁলোকৰ সমাজত গা কৰি উঠে। এই ক্ষেত্ৰত বৈষ্ণৱ গোঁহাই, ধৰ্ম প্ৰচাৰক আৰু সত্ৰৰ ভকত অৰ্থাৎ সত্ৰ বিলাকে মিচিং সকল বৈষ্ণৱ আদৰ্শৰ হিন্দু ধৰ্মৰ প্ৰতি আকৃষ্ট হোৱাত মূল ভূমিকা পালন কৰিছিল। মিচিং সকলৰ পূজা-পাতলত ভকতে স্তুতি গাওঁতে আবু দঃঞি (পিতা সূৰ্য্য) আৰু আনী পঃল' (মাতা চন্দ্ৰ)ৰ নাম লৈ দুয়োকে সাক্ষী ৰাখি শলিতা জ্বলাই গাহৰি মাংস, মুৰ্গী মাংসৰ আঞ্জাসহ পঃৰ আপং (ছাঁই মদ) অপ-দেৱতাসকললৈ আগবঢ়াই পূৰ্বপুৰুষৰ আৰ্শীবাদ বিচাৰোতে কীৰ্ত্তন-নামঘোষাৰো পদ গোৱা শুনা যায়। পূজা - পাতলত জীৱ-বধ বৈষ্ণৱ ধৰ্মৰ আদৰ্শৰ পৰিপন্থী, অথচ বৈষ্ণৱ ধৰ্মৰ আদৰ্শ গ্ৰহণ কৰিও মিচিং সকলে পূজা - পাতলত জীৱ বধ কৰে। হিন্দু ধৰ্মই দেৱ-দেৱীক মঙ্গলদায়ক মঙ্গলদায়িনী বুলি বিবেচনা কৰে কিন্তু মিচিং সকলৰ লোক বিশ্বাসমতে দেৱতা মানেই অমংগলীয়া । তেনে অমংগলীয়া অপদেৱতাৰ কোপ দৃষ্টিত পৰিয়েই তেওঁলোকৰ মাজত বেমাৰ-আজাৰ, বানপানী হয়, খেতি পথাৰ নষ্ট হয়, গাওঁ বা সমাজত অপায়-অমংগল বাঢ়ি যায়। এনে অপায়-অমংগলৰ পৰা পৰিত্ৰাণ পাবৰ বাবে মিচিং সকলে অপদেৱতাসকলক সন্তুষ্ট কৰিবৰ বাবে আপং, গাহৰি-মুৰ্গী মাংসৰে আপ্যায়িত কৰে, মৃত পূৰ্ব পুৰুষৰ আৰ্শীৰ্বাদ বিচাৰে। এনে কৰোঁতে সূৰ্য্য-চন্দ্ৰক সাক্ষী ৰাখিহে কৰে। সেয়ে মিচিং সকলৰ হিন্দু ধৰ্মক বৈষ্ণৱ আদৰ্শ আৰু আদিম বিশ্বাসৰ সংমিশ্ৰণত জন্ম লাভ কৰা মিশ্ৰিত হিন্দু ধৰ্মীয় আদৰ্শৰে গঢ় লৈ উঠা ধৰ্ম বুলিব পাৰি। অৱশ্যে আজিকালি বহু মিচিং পৰিয়ালে ভাগৱতীয়া বা বৈষ্ণৱ ধৰ্মৰ দীক্ষা গ্ৰহণ কৰিছে। শ্ৰীমন্ত শংকৰ দেৱ সংঘ, সৎ সংগ আদি ধৰ্মীয় পন্থাত দীক্ষিত মিচিং পৰিয়াল বিলাকে পৰম্পৰাগত মিচিং ধৰ্মীয় আচাৰ- ব্যৱহাৰ সম্পূৰ্ণৰূপে এৰি দিছে। অৰ্থাৎ ধৰ্মৰ ক্ষেত্ৰত এনেবোৰ মিচিং পৰিয়ালত সংস্কৃতিধাৰণ প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে প্ৰতিফলিত হোৱা দেখা যায় ।
মিচিং সকলৰ পৰাম্পৰাগত বৈশিষ্টপূৰ্ণ সাংস্কৃতিক মূল্যবোধৰ এক উৎকৃষ্ট উদাহৰণ হ'ল দক্ষিণ-পূৰ এছিয়াৰ মঙ্গোলীয় জনগোষ্ঠীৰ সংস্কৃতিৰ এক অংগ কাঠ, বাঁহ, ইকৰা, খেৰ আদিৰে নিৰ্মিত চাংঘৰ আজিও ব্যৱহাৰ কৰাতো। সংস্কৃতিধাৰণ প্ৰক্ৰিয়াৰ ফলত মঙ্গোলীয় জনগোষ্ঠীয় অন্তৰ্ভুক্ত বহু ক্ষুদ্ৰ জনগোষ্ঠীয়ে ইতিমধ্যে চাংঘৰ ব্যৱহাৰ কৰাতো সম্পূৰ্ণৰূপে পৰিত্যাগ কৰিছে । সেই একেটা প্ৰক্ৰিয়াই মিচিং চাংঘৰ সংস্কৃতিতো তেওঁলোকে নিজে গম নোপোৱাকৈয়ে ক্ৰিয়া কৰিবলৈ আৰম্ভ কৰি দিছে। মিচিংসকলৰ মুৰং ঘৰ বা ডেকা চাং যেনেদৰে বিলুপ্ত হ'বলৈ ধৰিছে, শিক্ষিতৰ হাৰ বঢ়াৰ লগে লগে যিদৰে

পুথি ভঁৰাল, ক্লাব আদি গা কৰি উঠিছে ঠিক তেনেকৈ বাসোপযোগী আধুনিক উন্নত ঘৰ-বাৰীয়ে মিচিংসকলৰ চাংঘৰ সংস্কৃতি এসময়ত বিলুপ্ত



হোৱাৰ সম্ভাৱনা আছে। এনে পৰিবৰ্ত্তনৰ ধাৰাত শিক্ষা আৰু অৰ্থনৈতিক সবলতাৰ লগে লগে উন্নত সমাজৰ সংস্পৰ্শলৈ আহি উন্নত সমাজৰ আদৰ্শ গ্ৰহণ কৰাত আগ্ৰহী হয় আৰু তেতিয়াই সংস্কৃতিধাৰণ প্ৰক্ৰিয়া নিজৰ অজ্ঞাতে আৰম্ভ হৈ যায় । আজিকালি বেছিভাগ মিচিং গাঁৱতে কাঠ-বাহ-খেৰৰ চাংঘৰৰ ঠাইত | বাসোপযোগী আধুনিক অসম আৰ্হিৰ পকীঘৰ দেখিবলৈ পোৱা | যায় । চাংঘৰ সংস্কৃতি বৰ্ত্তাই ৰাখিবলৈ তেনে পকীঘৰৰ পিছফালে পাকঘৰটোহে চাংঘৰ কৰা যায়, যিটো সময়ত বিলুপ্ত হোৱাৰ সম্ভাৱনা আছে। চাংঘৰৰ দৰে কৃষিজীৱী মিচিং গাওঁবাসীৰ ঘৰুৱা | সা-সামগ্ৰী, কৃষি কাৰ্য্যত ব্যৱহৃত সা-সজুঁলি আদিত পোন-পটীয়া অ-জনজাতীয় অসমীয়া খেতিয়কৰ প্ৰভাৱ পৰা দেখা যায়। কোৰ, কুঠাৰ, দা জাতীয় আহিলাৰে পাহাৰত জুম খেতি কৰা দিনত ব্যৱহাৰ কৰা মিচিং সকলে ভৈয়ামলৈ নামি আহি একমাত্ৰ আহু খেতি কৰা পৰ্য্যায়লৈকে তেনেধৰণৰ মাত্ৰ কেইটামান কৃষি কাৰ্য্যত ব্যৱহৃত সঁজুলিহে ব্যৱহাৰ কৰিছিল । শালি খেতি কৰিবলৈ লোৱাৰে পৰা মিচিং সকল নাঙল-যুঁৱলি জাতীয় কৃষি কাৰ্য্যত ব্যৱহৃত সঁজুলি গ্ৰহণ কৰি খেতি কৰিবলৈ লোৱাত মিচিং সকলৰ কৃষি পদ্ধতি অনা মিচিং খেতিয়কৰ লগত এক প্ৰকাৰ একাকাৰ হৈ পৰিল যাক আমি সংস্কৃতিধাৰণ প্ৰক্ৰিয়াৰ পৰিণতি বুলি ক'ব পাৰো ।

মিচিং সকলৰ আহাৰ গ্ৰহণ পদ্ধতিতো সংস্কৃতিধাৰণ প্ৰক্ৰিয়াৰ ফলত বহু পৰিবৰ্ত্তন ঘটিছে। অৰুণাচল প্ৰদেশৰ পাহাৰীয়া অঞ্চলৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকালৈ নামি আহি নৈৰ পাৰত, চৰ-চাপৰিত বসবাস কৰিবলৈ লোৱা মিচিংসকলৰ খোৱা-বোৱাত কোনো নিষেধাজ্ঞা নাছিল । 'উৰণীয়া পক্ষীৰ ভিতৰত উৰা জাহাজৰ বাদে আৰু চাৰি ঠেঙীয়া জন্তুৰ ভিতৰত চকী টেবুলৰ বাদে সকলো খায়' বোলা ব্যঙ্গাত্মক ফঁকৰাটো মিচিং সকলৰ আহাৰ গ্ৰহণ পদ্ধতিতো এসময়ত প্ৰযোজ্য আছিল বুলি সত্তৰ দশকৰ মধ্যভাগত গৱেষক ছাত্ৰ হিচাপে মিচিং বসতিপূৰ্ণ অঞ্চলত ক্ষেত্ৰ অধ্যয়নত যাওঁতে বহু বয়োবৃদ্ধ মিচিং মানুহে কোৱা শুনিছিলো। অৰ্থাৎ ঘৰুৱা মদ আপঙৰ অপৰিসীম প্ৰচলনৰ লগতে যি পাইছিল তাকেই গ্ৰহণ কৰিছিল। গাহৰি, কুকুৰা, মাছ, বনৰীয়া জীৱ-জন্তু, বিভিন্ন গছ- লতাৰ পাত, যেনে, অম্বে, দীৰ্মি, পাকুম, টাকুক, তাজিক্ আদিয়েই আছিল আপং-ভাতৰ লগত খোৱা কেইটামান অপৰিহাৰ্য্য অংগ। ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰিবলৈ লোৱাৰে পৰা কাষৰীয়া হিন্দু জাতি-উপজাতিৰ সংস্পৰ্শলৈ অহাৰ পিছত মিচিং সকলৰ মাজতো কি খাব পায়, কি খাব নাপায় জাতীয় বিচাৰ আহাৰ গ্ৰহণ-পদ্ধতিত সোমাই পৰে। গো বধ কৰিব নাপায়, গো মাংস খাব | নাপায় ধৰণৰ বিচাৰ মিচিংসকলৰ মাজত প্ৰচলিত হোৱাতো হিন্দু ধৰ্মৰ প্ৰত্যক্ষ প্ৰভাৱ বুলি আমি ক'ব পাৰো। অ-মিচিঙৰ সামাজিক
সংস্পৰ্শলৈ অহাৰ পিছতহে মিচিংসকলে চাহ, গাখীৰ, তামোল- পাণ, কণী, পিয়াঁজ, তেল আদি ব্যৱহাৰ কৰিবলৈ শিকে। আহাৰ গ্ৰহণৰ ক্ষেত্ৰত এনেবোৰ নতুন খাদ্য সামগ্ৰী গ্ৰহণ সংস্কৃতি ধাৰণ প্ৰক্ৰিয়াৰ ফল। শ্ৰীমন্ত শংকৰদেৱৰ সংঘ বা হিন্দু ধৰ্মৰ সৎ সংগ, কৃষ্ণগুৰু জাতীয় বিশ্বাসত দীক্ষিত মিচিং সকলে তেওঁলোকৰ প্ৰিয় খাদ্য ঘৰুৱা মদ আপং, গাহৰি-মুৰ্গী আদিকে খাবলৈ সম্পূৰ্ণৰূপে এৰি দিছে।

পোছাক-পৰিচ্ছদ হ'ল কোনো এক জাতিৰ সংস্কৃতিৰ এক অপৰিহাৰ্য্য অঙ্গ। সংস্কৃতি ধাৰণৰ ফলত কোনো এক জাতি বা জনজাতিৰ পৰিবৰ্ত্তন হ'ব ধৰা পোছাক-পৰিচ্ছদৰ আলোচনাই নৃতত্ত্ব আৰু সমাজ শাস্ত্ৰত গুৰুত্বপূৰ্ণ অধিকাৰ লাভ কৰি আহিছে। মিচিং সকলৰ পৰম্পৰাগত সাজ-পোছাক নানা ৰঙৰ সংমিশ্ৰণেৰে মিচিং তিৰোতাই তাঁত শালত প্ৰস্তুত কৰে। অপূৰ্ব ৰং আৰু ফুলেৰে ভৰা সাজ-পোছাক উৎসৱ-পাৰ্বণত পিন্ধে যদিও কৃষিজীৱী মিচিং পুৰুষৰ প্ৰধান পোছাক হ'ল সাধাৰণ এখন 'উগন্' বা ধুতি আৰু এটা 'গালুক' বা চোলা। দৈনন্দিন ঘৰুৱা আৰু কৃষি কাৰ্য্যত ব্যস্ত থকা মিচিং তিৰোতাই এখন 'এগে' বা মেখেলা আৰু বুকুত মেথনি মাৰিবৰ বাবে 'গাচেং' বা 'গেৰ' নামৰ এডোখৰ কাপোৰ ব্যৱহাৰ কৰে । এনে পৰম্পৰাগত সাধাৰণ পোছাকৰ ঠাইত আজিকালি মেচিনত তৈয়াৰী, বজাৰত পোৱা কাপোৰ-কানি পুৰুষ-তিৰোতা, ডেকা- গাভৰু, ল'ৰা-ছোৱালীৰ মাজত জনপ্ৰিয়তা লাভ কৰিবলৈ আৰম্ভ কৰিছে। পুৰুষ চামৰ মাজত আধুনিক পোছাকে অধিক জনপ্ৰিয়তা লাভ কৰিছে। এনে আলোচনা দেখাত তেনেই সাধাৰণ যেন লাগিলেও উন্নত জাতিৰ প্ৰভাৱৰ ফলত সংস্কৃতিধাৰণ প্ৰক্ৰিয়া আৰম্ভ হৈ নিজৰ অজ্ঞাতে একোটা জনগোষ্ঠীৰ সংস্কৃতিৰ এক বিশেষ সম্বল ক্ৰমান্নয়ে অপমৃত্যুৰ দিশলৈ আগবাঢ়ি গৈ থাকে বাবে এনে আলোচনাক গুৰুত্বপূৰ্ণ বুলি ধৰা হয়। সাজ-পোছাকৰ দৰে গামৰ ঠাইত গাওঁবুঢ়াৰ গুৰুত্ব গাওঁ পৰিচালনাত বাঢ়ি যোৱাত আৰু দেশৰ আইন প্ৰয়োগ হ'বলৈ ধৰাত গাওঁ পৰিচালনাত গাম আৰু কীবাঙৰ গুৰুত্বও লাহে লাহে কমি অহা দেখা যায়। অপৰাধমূলক কামৰ বাবে ফৌজদাৰী আইন প্ৰয়োগ হ'ব ধৰাত গাঁৱৰ কীবাঙৰ যোগেদি শাস্তি প্ৰদানৰ প্ৰথা ক্ৰমান্বয়ে শিথিল হৈ অহা দেখা গৈছে।

সংস্কৃতিধাৰণৰ উল্লেখযোগ্য ভূমিকা মিচিংসকলৰ ভাষাৰ ক্ষেত্ৰতো দেখিবলৈ পোৱা যায়। মিচিংসকলৰ ভাষা তিব্বতবৰ্মী ভাষা-গোষ্ঠীৰ উত্তৰ-অসম শাখাত অৰ্ন্তভুক্ত। মিচিং ভাষাৰ বিকাশ সাধন হৈ প্ৰাথমিক বিদ্যালয় পৰ্যায়ত বৰ্ত্তমান প্ৰচলিত যদিও অসমীয়া ভাষাই মিচিংসকলৰ মাজত দ্বিতীয় ভাষা হিচাপে জনপ্ৰিয়তা লাভ কৰি আহিছে। তেওঁলোকৰ অসমীয়াত উচ্চাৰণ আৰু ভাষাগত প্ৰকাশ ভংগীত দুৰ্বলতা বা ভুল পোৱা গ'লেও



চুবুৰীয়া অসমীয়া ভাষী জনগোষ্ঠীৰ লগত অসমীয়া ভাষাত ভাৱৰ আদান-প্ৰদান কৰিবলগীয়া হোৱাত অসমীয়া ভাষাক প্ৰয়োজন বশত: বিনা দ্বিধাই মিচিংসকলে গ্ৰহণ কৰিছে। নিজৰ মাতৃভাষা থকা অসমৰ আন জনগোষ্ঠীৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য হয়। | মিচিং সকল আহোম ৰাজত্বৰ সংস্পৰ্শলৈ আহে ১৬ শতিকাৰ আগ ভাগত, তাৰো আগত তেওঁলোক চুতীয়াৰ সংস্পৰ্শলৈ আহিছিল। খুউব সম্ভৱ তেতিয়াৰ পৰাই অসমীয়া ভাষাই মিচিং সকলৰ মাজত এক স্থায়ী আসন দখল কৰি আহিছে। সেই সম | সাময়িক কালছোৱাত সত্ৰৰ গোঁসাই, ব্ৰাহ্মণসকলে মিচিং গাওঁসমূহত ধৰ্ম প্ৰচাৰ কৰোতে অসমীয়া ভাষা ব্যৱহাৰ কৰিছিল। সেয়ে মিচিং সকলৰ মাজত অসমীয়া ভাষাই এক স্থায়ী প্ৰভাৱ পেলাব পাৰিছিল। মিচিং ভকত, সাতোলাই সকাম-নিকামত কীৰ্ত্তন -নামঘোষাৰ পদ ব্যৱহাৰ কৰাৰ উপৰিও স্তুতি গাওঁতে অসমীয়া ভাষা ব্যৱহাৰ কৰা দেখা যায়। তেনেবোৰ কাৰণত মিচিং ভাষাত বহু অসমীয়া শব্দ ব্যৱহাৰ হোৱা দেখা যায়। | চামুগুৰীয়া, বংকোৱাল আদি কেইটামান মিচিং খেলৰ মাজত ভাষাগত সংস্কৃতি ধাৰণ প্ৰক্ৰিয়া ইমান গভীৰ হ'ল যে তেনে খেলৰ মিচিংসকলে মিচিং ভাষাকে সম্পূৰ্ণৰূপে পাহৰি পেলালে । মিচিং গোত্ৰ সম্পৰ্কীয় বা সম্বন্ধবাচক শব্দ এতিয়াও ব্যৱহাৰ কৰে যদিও তেনে খেলৰ মাতৃভাষা অসমীয়া হৈ পৰিল । | গাঁৱৰ পৰা ওলাই আহি নগৰ-চহৰত বসবাস কৰা শিক্ষিত মিচিংসকলৰ মাজতো অসমীয়া ভাষাই প্ৰভাৱ পেলাইছে। তেনে মিচিং পৰিয়ালৰ দ্বিতীয় তৃতীয় পুৰুষে অসমীয়া ভাষাকে | মাতৃভাষা হিচাপে গ্ৰহণ কৰা দেখা গৈছে। শিক্ষাৰ মাধ্যম, | চুবুৰীয়া অসমীয়া মাতৃভাষী আৰু মিচিং অনা মিচিংৰ মাজত হোৱা বিয়া-বাৰু আদিয়েও ভাষাগত সংস্কৃতিধাৰণ প্ৰক্ৰিয়াত সহায়ক হিচাপে আগভাগ লোৱা দেখা যায়। এনে সংস্কৃতিধাৰণ প্ৰক্ৰিয়া স্বতঃস্ফুৰ্ত্ত সামাজিক প্ৰক্ৰিয়া, ইয়াক বাধা দিব পৰা নাযায়। আৰু এনে কাৰণৰ বাবেই অসমীয়া সাহিত্য জগতত | বহু মিচিং লেখক-লেখিকা দেখিবলৈ পোৱা যায়। ভাষাগত | সংস্কৃতিধাৰণ প্ৰক্ৰিয়াৰ আলোচনাত মাতৃভাষা ত্যাগ কৰি | অসমীয়া ভাষা গ্ৰহণ কৰা আহোম, সোনোৱাল, শৰণীয়া কছাৰী, ভৈয়ামৰ বহু অঞ্চলৰ কাৰ্বি, ৰাভা, দেউৰী আদি জনগোষ্ঠীৰ | উদাহৰণ দিব পৰা যায়। ওপৰত উল্লেখ কৰি অহা দিশবিলাকলৈ লক্ষ্য কৰিলে দেখা যায় যে সংস্কৃতিধাৰণ প্ৰক্ৰিয়াৰ ফলত নিজৰ অজ্ঞাতে মিচিংসকল ক্ৰমান্বয়ে অসমীয়া সংস্কৃতিৰ লগত এক হৈ যাব লাগিছে। কিছুমান বিশেষ বৈশিষ্টপূৰ্ণ নিজস্ব সাংস্কৃতিক আহিলা অবিহনে অ-মিচিঙৰ লগত এজন মিচিং ব্যক্তিক চিনাক্তকৰণ কৰাটোৰেই টান হৈ পৰিছে। মিচিংসকল যে অসমীয়া জাতিৰে এটা অংগ এই কথা ১৯ শতিকাৰ শেষ ভাগত ইংৰাজ লেখক মিশ্বেলে (Michell, 1883, p.239) কৈ গৈছে এনেদৰে,|

"They are now a mere section of the Assamese population and though they keep themselves separate from the Assamese they have adopted the Hindu religion and celebrate the feasts. The several clans of Saiengya, Aiengya and Chutia have more or less different customs from each other, but they are all very much more like Assamese than Hill Miris and it often requires a practised eye to tell a plain Miri from an ordinary Assamese.'

এসময়ত মিৰি আৰু আজিকালি মিচিং বুলি জনাজাত মিচিং সকলৰ সমাজ আৰু সংস্কৃতিৰ বিষয়ে এনেধৰণৰ সমাজ শাস্ত্ৰৰ দিশত গৱেষণা, আলোচনা খুউব কমেই হৈছে বুলিব পাৰি। দুই- এগৰাকী সমাজশাস্ত্ৰবিদৰ মতে উত্তৰ-পূব ভাৰতৰ জনজাতিবিলাকৰ ভিতৰত সেইসকল জনজাতিয়ে প্ৰগতিৰ পথত আশানুৰূপভাৱে আগবাঢ়িব পৰা নাই যিসকলে হিন্দু ধৰ্ম আৰু জনজাতীয় ধৰ্মীয় বিশ্বাসৰ সংমিশ্ৰণৰ ফলত সৃষ্টি হোৱা এক নতুন ধৰ্মীয় পন্থাৰ বলী হ'ব লাগিছে। তেনে জনজাতিৰ প্ৰগতিৰ ধাৰাক নিৰ্দ্ধাৰিত সীমাৰ মাজত নিশ্চয় আলোচনা কৰিব নোৱাৰি, কিন্তু প্ৰগতিৰ ধাৰা আংশিকভাৱে হ'লেও নিৰ্ণয় কৰাৰ আগতে জনজাতীয় সমাজত সংস্কৃতিধাৰণ প্ৰক্ৰিয়াৰ ভূমিকাক সতৰ্কতাৰে দৃষ্টিপাত কৰাতো অতীৱ প্ৰয়োজন। এনে প্ৰয়োজনীয়তাৰ কাৰণ হ'ল সংস্কৃতিধাৰণ প্ৰক্ৰিয়াৰ ফলত উন্নত জাতিৰ উন্নতিৰ কাৰকসমূহ তেনে জনজাতিয়ে গ্ৰহণ কৰাৰ পিছতহে আমি তেনে জনজাতিৰ প্ৰগতিৰ কথা প্ৰকৃতাৰ্থত চিন্তা কৰিব পাৰো যিটো দিশৰ লগত ব্যক্তি তথা সমাজৰ মূল্যবোধ পৰিবৰ্ত্তনৰ কথা ওতঃপ্ৰোতভাৱে জড়িত।

বি.দ্ৰ. :- আগতে প্ৰকাশিত প্ৰৱন্ধৰ সহায়ত এই লেখা যুগুত কৰা হৈছে।

# অতীত মৰহি নেযায় ...

শ্ৰীনৰেন্দ্ৰনাথ টায়ে
**মহাপ্ৰৱন্ধক (মানৱ সম্পদ, প্ৰশাসন আৰু জনসম্পৰ্ক)**
**অ'এনজিচি, নাজিৰা।**

অতীতৰ সৈতে মানৱ জীৱনৰ লগত এৰাব নোৱাৰা সম্বন্ধ আছে আৰু থাকিবও । মাত্ৰ ইয়াৰ অনুভূতি বেলেগ বেলেগ । অতীত কেতিয়াবা সুন্দৰ মুহূৰ্ত্তৰ প্ৰতীক, এটি মধুৰ স্মৃতি; কেতিয়াবা দুখে বেজাৰে জৰ্জৰিত। সুখ-দুখ সকলোবোৰ স্মৃতিয়ে জীৱনৰ বিয়লি বেলাত ভুমুকি মাৰেহি - বিশেষকৈ জীৱনৰ অতীত যদি মাধুৰ্য্যময় হয়|

অতীত মৰহি নেযায় যদি এনে লোকৰ সংশ্ৰৱ হয় - যিসকলে অতীতক সন্মান কৰে; অতীতৰ পৰা ভৱিষ্যত গঢ়াৰ বাবে শিক্ষাৰ সমল ল'ব বিচাৰে; ঐতিহ্যক বৰ্ত্তমানৰ ৰূপ দি সমাজৰ নিজস্বতা আৰু সৰলতাক প্ৰতিপন্ন কৰাৰ উদ্যোগ লয়। যোৱা ৮ জানুৱাৰী ২০০৪ তাৰিখে এনে এটা উপলদ্ধি হ'ল - যেতিয়া মিচিঙৰ উদীয়মান যুৱ শক্তিক সু-শৃঙ্খলিত কৰি আৰু সমাজখনৰ লুপ্তপ্ৰায় বাৰে ৰহনীয়া কৃষ্টি সংস্কৃতি বিকশিত কৰাৰ মানসেৰে উদ্যোগ লৈ অহা ১২ - ১৫ ফেব্ৰুৱাৰী ২০০৪ চনত ধেমাজি জিলাৰ গোগামুখত ৪ৰ্থ মিচিং যুৱ মহোৎসৱৰ আয়োজক আৰু কৰ্মৰত সৰ্বশ্ৰী ভূৱন পেগু, জহান দলে আৰু ডঃ ৰনোজ পেগুক অন্তৰংগভাৱে কিছু সময় পাইছিলো। সেই সময়তে মোৰ পুৰণি দিনৰ বিশেষকৈ আকাশবাণীত কাৰ্য্যৰত অৱস্থাত থকা সময়খিনিৰ প্ৰসংগত ওলোৱা কথাবিলাকৰ মূল্য দিব খোজা দেখি মনতে বৰ উৎসাহ পালো। তাৰ পিছৰ দিনাখনেই মিচিং যুৱ মহোৎসৱৰ স্মৃতিগ্ৰন্থৰ বাবে মোৰ পৰা লেখা বিচাৰি আবেদন আকাৰে চিঠি এখন দি যোৱা কথাই তেঁওলোকৰ আন্তৰিকতা আৰু সংকল্পবদ্ধতাৰ উমান পালো। ৪ৰ্থ যুৱ মহোৎসৱ উপলক্ষে প্ৰচাৰ পত্ৰত নাইকীয়া হৈ যাব খোজা অনেক কাৰ্য্যক্ৰমেৰে সমৃদ্ধ কৰি "অতীতক নেযাবা পাহৰি"ৰ ৰেহৰূপ বিৰিঙিছে। মোৰ লিখনিৰ বিষয়বস্তু নিৰ্দ্ধাৰণ কৰি দিয়া হৈছে - আকাশবাণীত মোৰ কাৰ্য্যকালৰ "মিচিং কৃষ্টি সংস্কৃতিক আগুৱাই নিয়াত যোগদান"। হলেও জীৱন যুঁজৰ ক্ৰমণিকাত আঁত ৰাখিবলৈ আগলৈকো অলপ উভতি যাব লগা হ'ল।

ঘৰুৱা অৱস্থাৰ বাবে উচ্চ শিক্ষাতকৈ চাকৰি কৰা অধিক প্ৰয়োজন হৈ পৰিছিল। ১৯৬৬-৬৭ চনত যোগান বিভাগৰ পৰিদৰ্শক আৰু জেইলৰৰ চাকৰিৰ পদ পায়ো দুয়োটা চাকৰি আন্তৰিকতাৰে গ্ৰহণ কৰিব পৰা নাছিলো। ৰাজ্য চৰকাৰৰ চাকৰিৰ প্ৰতি অনীহা পোষণ কৰি মনে মনে সৰ্বভাৰতীয় ভিত্তিৰ চাকৰি বা কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি আকৃষ্ট হৈছিলো। ১৯৬৩ চনত ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ ৩য় বৰ্ষৰ ছাত্ৰ হৈ থাকোতে তেতিয়াৰ অবিভক্ত অসমৰ পৰা মোক মনোনীত কৰিছিল তামিলনাডুৰ ক'দাইকানালত এন.চি.চিৰ /Advanced Leadership Camp ৰ বাবে। এই সুযোগতে আৰু কিছুদিন লগাই দক্ষিণ ভাৰত ঘুৰি আহি অসমৰ বাহিৰতো চাকৰি কৰাৰ ইচ্ছা পোষণ কৰিছিলো । সময়ত এই ফল পাইছিলো। ১৯৬৯ চনৰ পিছলৈ National Sample Survey -ত অধীক্ষকৰ পদ শ্বিলঙত আৰু AIR ত Transmission Executiveৰ পদত গুৱাহাটীত নিযুক্তি পোৱাত পিছৰটো চাকৰিত যোগ দিলো (এই দুয়োটা চাকৰিতেই ভাৰতৰ যিকোনো ঠাইলৈ বদলি হ'ব পাৰি। তাৰ পিছতেই UPSCৰে দ্বাৰা মনোনীত হৈ Programme Executiveৰ চাকৰিত যোগ দিলো। আকাশবাণীৰ চাকৰিৰ কালচোৱাত অসমৰ কৃষ্টি সংস্কৃতিৰ পথাৰখনৰ সৈতে জড়িত অনেক কেইজন ব্যক্তিৰ সান্নিধ্য লাভ কৰিছিলো।

১৯৭৪ চনত কেন্দ্ৰীয় চৰকাৰৰ পৰা আকাশবাণী টাৱাং (অৰুণাচল প্ৰদেশ)ত কেন্দ্ৰ স্থাপন কৰি তাত অনুষ্ঠান প্ৰচাৰ আৰম্ভ কৰাৰ নিৰ্দ্দেশ আহে আৰু মহানিৰ্দ্দেশনালয়ৰ পৰা এই ভাৰ মোৰ ওপৰত ন্যস্ত কৰে। সেই বছৰৰে এপ্ৰিলত তেতিয়াৰ প্ৰধান মন্ত্ৰী প্ৰয়াত ইন্দিৰা গান্ধীয়ে শুভাৰম্ভ কৰিবলগীয়া কামৰ দায়িত্ব লৈ মাত্ৰ সাত দিনৰ আগতে টাৱাং গৈ পাইছিলো আৰু নিজাববীয়াকৈ এনে গুৰুত্বপূৰ্ণ দায়িত্ব লৈ অনুষ্ঠান আৰম্ভ কৰাৰ গৌৰৱ বোধ কৰিছিলো। অৱশ্যে ২৪ এপ্ৰিলৰ নিশা বহু জৰুৰী বিষয় লৈ ইন্দিৰা গান্ধী মস্কোলৈ উৰা মাৰিবলগীয়া হোৱাত পিছলৈ তেতিয়াৰ কেন্দ্ৰীয় তথ্য আৰু প্ৰচাৰ মন্ত্ৰী

শ্ৰীইন্দ্ৰ কুমাৰ গুজৰালে কেন্দ্ৰটো উন্মোচন কৰে। মোৰ ওপৰত ন্যস্ত কাৰ্য্যভাৰ সুকলমে সম্পাদন কৰাত ২ বছৰ নৌ হওঁতেই ১৯৭৬ চনত মই বিচৰামতেই ডিব্ৰুগড় কেন্দ্ৰলৈ বদলি কৰি দিলে। দিল্লীত কোনো আপোনজন



নোহোৱাকৈও কৰ্ত্তব্যনিষ্ঠা আৰু মানদণ্ডৰ স্বীকৃতি দি প্ৰচলিত নীতি অনুসৰি লোৱা সেই ব্যৱস্থাক আৰু উপযুক্ত ব্যৱহাৰৰ লগত আজিৰ সমাজ ব্যৱস্থা আৰু চাকৰিয়ালৰ দশা তুলনা কৰিবলৈ সত নেযায়। ১৯৭৮ চনত তেতিয়াৰ তেল আৰু প্ৰাকৃতিক গেচ আয়োগ (Oil and Natural Gas Commission) ৰ প্ৰধান কাৰ্য্যালয় দেৰাডুনত জনসম্পৰ্কৰ উপনিৰ্দ্দেশকৰ পদত যোগ দিওঁগৈ। সেয়ে মোৰ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ মুঠ কাৰ্য্যকাল ২ বছৰ মাথোন। (শ্ৰীমান ভূবন পেগুৱে মোৰ লিখনি বিচাৰি দিয়া চিঠিখনত ৭ বছৰ বুলি ধৰা কাৰণে শুধৰণিৰ বাবদ এইখিনি লিখিলো)। ১৯৭৯ চনৰ জানুৱাৰী মাহত আকাশবাণীৰ মহানিৰ্দ্দেশালয়ৰ পৰা কেন্দ্ৰ সঞ্চালক পদ যাচি ঘূৰাই মাতিছিল যদিও তেতিয়ালৈকে মোৰ উপলদ্ধি হৈছিল যে ONGC ত মোৰ ভৱিষ্যতৰ সম্ভাৱনীয়তা প্ৰচুৰ লগতে তেতিয়াৰ দিনত দৰমহা আছিল চাকৰিৰ মাপ কাঠি । Basic Pay আৰু Perks কেন্দ্ৰ সঞ্চালকতকৈ অধিক হোৱাৰ লগতে জানিব পাৰিছিলো ই এটা আন্তৰাষ্ট্ৰীয় তেল কোম্পানীলৈ ৰূপান্তৰিত হোৱাৰ পথত আগবাঢ়িছিল। সেইদৰেই আজি ONGCৰ জড়িয়তে ইয়াত কাৰ্য্যৰত অৱস্থাত দেশ আৰু বিদেশৰ চাৰিও দিশ ঘূৰি ফুৰাৰ অভিজ্ঞতাৰে ব্যক্তিগত হ'লেও মোৰ সেই উপলদ্ধিৰ সাৰ্থকতা অনুভৱ কৰিছো ।

কিবা এটা কৰাৰ হাবিয়াসে মানুহক সদায় সহায় কৰে - এই কথা মই বিশ্বাস কৰো। ইলেক্ট্ৰনিক মিডিয়াৰ ভিতৰত All India Radio (আকাশবাণী) তেতিয়া জনপ্ৰিয়তাৰ শিখৰত । Television (দূৰদৰ্শন) তেতিয়া আৰম্ভ হৈছিলহে মাথোন। তাকো TVৰ প্ৰসাৰণ মহানগৰ বিলাকতহে সীমাবদ্ধ আছিল ।| গতিকে মই জানিছিলো, মই যিটো মাধ্যমত চাকৰি কৰো তাত সমাজখনৰ এটা দিশত মোৰ কিছু কৰণীয় আছে। আৰু চেষ্টা কৰিলে| মই তাত অৰিহণা যোগাব পাৰিম। সেই সুযোগ লোৱাটো মোৰ প্ৰয়োজন হৈ পৰিছিল। ভাগ্যক্ৰমে তেতিয়াৰ ডিব্ৰুগড়ৰ কেন্দ্ৰ সঞ্চালক প্ৰয়াত বীৰেণ ফুকন (এজন শাস্ত্ৰীয় সংগীতজ্ঞ) আৰু সকলো সহযোগী সহায়ক সকলৰ পৰা প্ৰয়োজন অনুসাৰে যি সহযোগীতা পাইছিলো - সি উল্লেখনীয়। লগতে পাইছিলো এই কেন্দ্ৰটোৰ অনুষ্ঠান প্ৰচাৰৰ নিৰ্দ্ধাৰিত সময়ৰ প্ৰাচুৰ্য্যতা আৰু| বহলভিত্তিক প্ৰচাৰ যন্ত্ৰৰ ক্ষমতা। ডিব্ৰুগড় কেন্দ্ৰ অৰুণাচল প্ৰদেশৰ| প্ৰধান কথিত দোৱানবিলাকৰ সকলো জনগোষ্ঠীকে সামৰি ল'ব পৰাকৈ তেতিয়াই উত্তৰ পূৰ্বাঞ্চলৰ ঘাই কেন্দ্ৰতকৈও দুগুণ| শক্তিশালী Transmitter বহুৱাই প্ৰসাৰণ সময়ৰ প্ৰায় ৯০ ভাগ জনগোষ্ঠীয় অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছিল কেন্দ্ৰীয় চৰকাৰে। তাৰ ভিতৰত মিচিঙৰ অনুষ্ঠান প্ৰচাৰ নামমাত্ৰ ধৰি দিছিল আৰু গুৱাহাটী কেন্দ্ৰৰ পৰা Chunk টো উঠাই দিছিল।

ডিব্ৰুগড় কেন্দ্ৰত কাৰ্য্যনিৰ্বাহ কৰি থকাৰ এটা সময়ত এজন জ্যেষ্ঠ কাৰ্য্যবাহী বিষয়া হিচাবে মই আটাইতকৈ গধূৰ দায়িত্বভাৰ ল'বলগীয়া হৈছিল । একে সময়তে আছিল অৰুণাচৰ ৬ টা কথিত ভাষাৰ অনুষ্ঠান প্ৰচাৰ, সংগীত বিভাগ, পৰিবহন বিভাগ, মহিলাৰ অনুষ্ঠান, অকণিৰ অনুষ্ঠান, কেন্দ্ৰটোৰ প্ৰশাসন আৰু DDO অৰ্থাৎ Drawing and Disbursing Officer আদিৰ দৰে দায়িত্ব। সৰ্বোপৰি মিচিং মোৰ নিজা অনুষ্ঠান। বাকীবিলাক অনুষ্ঠানৰ বাবে সহায়ক আছিল যদিও মিচিঙৰ বাবে কোনো সহায়ক নাছিল। আজিও নিযুক্তি দিয়া হোৱা নাই তথাপিও এয়া যে মোৰ দায়িত্ব সেয়ে কিবা এটা কৰাৰ মানসেৰে আগবাঢ়িলো - আৰু এয়াই আৰম্ভণি।

এইখিনিতে এটা কথা স্বীকাৰ কৰি থওঁ যে, কৃষ্টি সংস্কৃতিৰ দিশটোত মোৰ নিজাববীয়াকৈ পাৰদৰ্শিতা বুলি একো নাছিল। ঘৰুৱা পৰিৱেশতো ইয়াৰ অভাৱ আছিল । আমাৰ পৰিয়ালত গান- বাজনা কৰা বা লিখা-লিখি কৰা লোকৰ অভাৱ। কথা প্ৰসংগতে দেউতাই কোৱা কথা এষাৰ এতিয়াও মনত পৰে। "নৰেণৰ মাতটো নিমখ বেছিবলৈকো উপযুক্ত নহয়। গতিকে সি কিহৰ ৰেডিঅ'ত চাকৰি কৰিব আমি হ'লে একো বুজি পোৱা নাই"। মই তেতিয়া ক'ব লগা হৈছিল – কাৰোবাৰ মাত শুৱলা হ'লেই অথবা গান বা ঐনিতম গাব জানিলেই ৰেডিঅ' যোগে গাওঁতা বা কথা কওঁতাসকলৰ তদাৰকি বা শাসনৰ কাম কৰিম

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত যোগ দিয়েই এমাহ মানতে মিচিঙৰ অনুষ্ঠানটোত ভূমুকি মাৰিলো। Tape Library টোত প্ৰফেচাৰ শ্ৰীটাবু টাইদ, শ্ৰীগণেশ পেগুকে আদি কৰি কেইজনমান মুষ্টিমেয় শিল্পীৰ দ্বাৰা পৰিবেশিত আৰু ইতিমধ্যে গুৱাহাটী কেন্দ্ৰৰ দ্বাৰা প্ৰচাৰিত ৭/৮ টা মান টেপ আছিল মোৰ সম্বল। সেই একেবোৰ গীতেই কেতিয়াবা গুৱাহাটী আৰু কেতিয়াবা ডিব্ৰুগড় কেন্দ্ৰৰ পৰা বজাই থকা হৈছিল। ডিব্ৰুগড় কেন্দ্ৰৰ পৰা মিচিং গীত শিতানত সপ্তাহত দুদিনকৈ পুৱা প্ৰচাৰ কৰাৰ সূচী আছে। ডিব্ৰুগড় কেন্দ্ৰৰ Programme Advisory Board ত ডঃ নোমল চন্দ্ৰ পেগুৰ নামটো আছিল কিজানি।

সেই সময়ত অনুষ্ঠান কাৰ্য্যবাহী বিষয়াজনৰ জনজাতীয় গীত মাত (Folk Songs) OB recording ত বাহিৰত বাণীবদ্ধ কৰাৰ কৰ্তৃত্ব আছিল । লোকগীত বিলাকত একোটা দলৰ মুখ্যজনক ৫০ টকাকৈ আৰু বাকী সংগীসকলক ১০ টকাকৈ দিয়াৰ নিয়ম আছিল। তেতিয়া সেই টকাৰো মূল্য আছিল। তিনিচুকীয়া, ডিব্ৰুগড় আৰু শিৱসাগৰৰ বহুতো চিনাকী অচিনাকী মিচিং গাঁৱত সপ্তাহে-পষেকে ওলাই যাবলৈ ধৰিলো শিল্পী বিচাৰি। জেপত এবাৰত ১০০০.০০ টকা লৈ গাঁৱৰ মুখিয়াল মানুহজনৰ লগত অথবা চিনাকীজনক আলোচনা



| কৰি মিচিং ডেকা-গাভৰুৰ পৰিবেশিত ঐনিতম আৰু মিচিং গীত বোটলাত লাগিলো। অনুষ্ঠান বাণীবদ্ধ কৰি লগে লগে মাননিও দিও। তেতিয়াৰ নিয়ম আছিল এবাৰ Radio ত প্ৰচাৰ হোৱা | মানে শিল্পীজনক পুনৰ বাৰ Studio ত Audition লোৱাৰ প্ৰয়োজন নাই আৰু অনুষ্ঠানটিৰ পুনৰ প্ৰচাৰৰ (Repeat Broadcast) হ'লে তাৰ বাবেও মাননি পায় শিল্পীয়ে। মই নিজে প্ৰগ্ৰেম Schedule কৰো৷ সেইবাবে গাৱঁত বাণীবদ্ধ কৰা গীত-মাত বিলাক কেতিয়া প্ৰচাৰ হ'ব কৈ আহিব পাৰিছিলো । তেওঁলোকে সেইমতে অনুষ্ঠান শুনে - অনুষ্ঠান শুনি কিমান যে ভাল পালে আৰু কৃতজ্ঞতাৰ অনুমান ২/৩ দিন পিছতে নিশ্চিত হ'ব পাৰিছিলো। গাৱঁৰ পৰা দিব পৰা সকলো বস্তুৰ সম্ভাৰ আহে যেনে, মাছ, কুকুৰা, দৈ, গাখীৰ, শাক-পাচলি ইত্যাদি উভৈনদী হৈ পৰিছিল। বিশ্বাস কৰিবলৈ টান পালেও সঁচা যে, ডিব্ৰুগড় কেন্দ্ৰত থকা সময়খিনিত কল'নিত কিমানৰ ঘৰত যে মাছৰ টোপোলা আৰু শাক-পাচলি বিলাব পাৰিছিলো । এইটো স্বীকাৰ্য্য যে, গাঁও ভূঁইৰ পৰা বাণীবদ্ধ কৰি অনা সকলো গীত মাতেই আকাশবাণীত প্ৰচাৰ কৰিব পৰা মানদণ্ডৰ নাছিল। কিন্তু চালুকীয়া অৱস্থাত সকলোকে কৰাৰ উদ্দেশ্য আগত | ৰাখি আৰু যাতে অনুষ্ঠানটোৰ প্ৰাচুৰ্য্যতা বাঢ়ে তাৰ বাবে প্ৰথমতে যথেষ্ট শিথিলতাৰে বাণীবদ্ধ কৰি গৈছিলো। তেনেদৰে দুবছৰত | প্ৰায় ১৫০ টা Tape Library ত সংগ্ৰহ হৈছিল আৰু তাৰ পিছত Programme সূচী বনোৱাত অসুবিধা নহৈছিল। ইতিমধ্যে সপ্তাহৰ দুদিনৰ ঠাইত মিচিং গীতৰ অনুষ্ঠান দৈনিক সূচীলৈ পৰিবৰ্তিত কৰা হৈছিল । শিথিলতাৰে বাণীবদ্ধ কৰি অনুষ্ঠান প্ৰচাৰৰ আৰু এটা কাৰণ আছিল। সেয়া হ'ল - গাৱঁখনত সোমাই ডেকা- গাভৰুৰ বা বুঢ়া-মেথাৰ দল গোটোৱাৰ পাছত মানদণ্ডলৈ চাই reject কৰাটো বৰ অসুবিধাৰ কথা । গাৱঁৰ অনুভূতিক সন্তুষ্ট কৰিব | লগা হয়। কোনো গীত-মাত বাণীবদ্ধ কৰি সেইখন সমাজক জড়িত কৰাও আন এটা উদ্দেশ্য। তাৰোপৰি নিয়মমতে এবাৰ বাণীবদ্ধ | কৰি মাননিখিনি আদায় দিয়া মানে খুউব ভাল নহ'লেও এবাৰ প্ৰচাৰ কৰিবই লাগিব নহ'লে মাননি দিয়া কথাটো আপত্তিজনক | হৈ পৰে। সেইটো কৰিবলৈ যাওঁতে দুই এটা আপত্তি শ্ৰোতা জনতাৰ পৰা নোপোৱা নহয় - কিন্তু এই সকলোবোৰ মই ইতিবাচক | মনোভাৱেৰে লৈছিলো। পিছলৈ অনুষ্ঠানটিৰ খাতিৰত Selective হ'বলৈ ধৰিছিলো। সেইবিলাকৰ মাজত এতিয়াও মিচিঙৰ ঐনিতম | আৰু গীতৰ জনপ্ৰিয়তাৰ শিখৰত থকা শিল্পী শ্ৰীমতী তৰাৱতী | মিলি বড়ি; শ্ৰীমতী ৰীতা দেবী মেদক আদিয়ে আশাকৰো এতিয়াও মোক মনত ৰাখিছে। প্ৰয়াত তৰুণ পামেগাম দেৱৰ সৈতে official contract ৰ বাদেও ব্যক্তিগতভাৱে চিঠি লিখি মতৰ আদান- প্ৰদান আৰু তেখেতৰ গীত আৰু আলোচনাও বাণীবদ্ধ কৰিছিলো "মিচিং সুৰৰ ছন্দে ছন্দে"

মোৰ আশাৰ সৰু এটি খোজ। সেই সময়ত আমাৰ কাঃকি ডঃ নোমল পেগু মোৰ পথ প্ৰদৰ্শক আছিল। বহু ক্ষেত্ৰত মই তেখেতৰ পৰামৰ্শ ল'ব লগীয়াত পৰিছিলো। তেখেতৰ এক অনবদ্য সৃষ্টি "মিচিং সুৰৰ ছন্দে ছন্দে" আলেখ্যখনিৰ প্ৰযোজনাৰ ভাৰ মোৰ ওপৰত ন্যস্ত হৈছিল। চেষ্টাৰ ত্ৰুটি নকৰিলো। আকাশবাণীৰ কৰ্মীৰ সাহায্যত কেইবাদিনো ধৰি কাঃকি আৰু মই ষ্টুডিঅ'ৰ ভিতৰত ডাবিং কৰোতে যি অনুশীলন চলিল সেই প্ৰচেষ্টাৰ ফল স্বৰূপে আজিও বিশ্বাস যে, যিসকলে আলেখ্যখনি এবাৰ শুনিছে নিশ্চয় একেমুখে প্ৰশংসা কৰাই নহয় - আজি সেই আলেখ্যখনিৰ অভাৱ অনুভৱ কৰিব। তেতিয়াৰ Transmission Executive আৰু এতিয়াৰ কেন্দ্ৰ সঞ্চালক শ্ৰীকমল শৰ্মাৰ কণ্ঠেৰে আগবঢ়াই নিয়া এই আলেখ্যখনি যে অপূৰ্ব হৈছিল সন্দেহ নাই। মিচিঙৰ আদিৰে পৰা অদ্যপৰিমিত সমাজ ৰূপান্তৰৰ ইতিবৃত্ত আৰু ক্ৰমবিকাশৰ চানেকিৰ ৰূপ দিবলৈ গৈ এই আলেখ্যখনিত বহু কেইবিধ দুষ্প্ৰাপ্য বস্তুৰ সংযোজন ঘটাইছিলো। মিবু আঃবাঙৰ পৰা আৰম্ভ কৰি মিচিঙৰ কৃষ্টি সংস্কৃতি বিকাশত প্ৰত্যেক স্তৰৰ ৰেহৰূপ নিয়াৰিকৈ আৰু জীৱন্ত কৰি তুলিবলৈ প্ৰয়াস কৰা হৈছিল । আমি ভাবিছিলো মিচিং সংস্কৃতিৰ এই অভিনৱ অৱদান এটি আপুৰুগীয়া সম্পদ হিচাবে বাণীবদ্ধ হৈ থাকক। মই আকাশবাণী এৰি গুছি যোৱাৰ পিছতে এইবিলাক মচি পেলোৱাত আক্ষেপ প্ৰকাশ কৰি কাঃকি নোমলে বাতৰি কাকতত লিখা চিঠি এখন বহুদিন আগতে পঢ়িবলৈ পাইছিলো। মিচিং কৃষ্টি সংস্কৃতিৰ এক মূল্যবান সম্পদ ইমানতে শেষ হ'ল। মিচিং সমাজত ইয়াৰ খবৰ ল'বলৈ কাৰো সময় নাই।কাৰপুন্ পুলিৰ সৃষ্টি

আজিৰ মিচিং সমাজত এটি জনপ্ৰিয় আৰু ব্যৱহাৰ্য্য নাম "কাৰপুন্‌পুলি"। এই সৃষ্টিৰ বাবে আজি অকলেই মনে মনে গৌৰৱ অনুভৱ কৰোঁ। মিচিং সমাজক দিয়া এটি ফুলৰ নিৰ্ম্মালী বুলি আত্মসন্তুষ্টি লাভ কৰোঁ। আজি বহুতে নেজানে ইয়াৰ সৃষ্টি কেতিয়া আৰু স্ৰষ্টা কোন।

'মিচিং সূৰৰ ছন্দে ছন্দে' আলখ্যখনিৰ সফল প্ৰযোজনাৰ পিছত মনলৈ আহিল নিৰ্দ্দিষ্ট সময়ত নিয়মীয়াকৈ এটি অনুষ্ঠান কৰাৰ। বছা বছা মিচিঙৰ গীত-মাতৰ সমষ্টিৰে এটি বুধবৰীয়া অনুষ্ঠান আৰম্ভ কৰাৰ আঁচনি ল'লো। নামটো মনতে ভাবিলো - কিবা এটা দিম। নতুন কিবা এটা, শিপাৰ পৰা নতুনকৈ ওলোৱা গজালি - অৰ্থাৎ আগতে নথকা নহয় নতুন ৰূপত ন কৈ ওলাইছে। এই ভাৱাৰ্থ বিচাৰি যাওঁতে সৰুতে গাৱঁত চহা জীৱনৰ অভিজ্ঞতাই মনত কাম কৰিছিল । সি যি কি নহওক - অনুষ্ঠান সম্পৰ্কীয় সিদ্ধান্ত লৈ কেন্দ্ৰ সঞ্চালকৰ পৰা অনুমতি ল'লো। আমি ৰেডিঅ'ত কাম



কৰা মানুহে জানিছিলো যিকোনো গুৰুত্বপূৰ্ণ অনুষ্ঠানৰ আগত আৰু পিছত এটি "প্ৰতিকী সূৰ" লাগে - যাক ইংৰাজীত Signature Tune বুলি কোৱা হয়। এই Signature Tune টো হৈছে এটি বিশেষ অনুষ্ঠানৰ বিশেষ পৰিচিতি। তেতিয়া মই নিজেই সংগীত বিভাগৰ দায়িত্বত আছো। বিভাগটোৰ কেইবাজনো বাদ্যযন্ত্ৰীক মাতি আনি অনুষ্ঠানটিৰ উদ্দেশ্য ব্যাখ্যা কৰিলো। মোৰ সময়ৰ অভাৱ আৰু সংগীতত অভিজ্ঞতা নথকা কাৰণে সহায় ল'লো জনপ্ৰিয় গায়ক প্ৰয়াত জ্যোতিষ ভট্টাচাৰ্য্যৰ। মোৰ সহকাৰী হিচাবে তেওঁ সেই সময়ত কাৰ্য্যনিৰ্বাহ কৰিছিল। বাদ্যযন্ত্ৰীসকল হ'ল - একোটা বাদ্যযন্ত্ৰত ব্যুৎপত্তি থকা সকলোৰে পৰিচিত সৰ্বশ্ৰী হীৰেণ গোহাঁই, চৈয়দ চাদুল্লা, ভৱেন গোস্বামী, উপেন ফাংচু আদি । কিয় আৰু কেনেকৈ লাগে এটি ঐনিতম বজাই শুনালো আৰু ক'লো মোৰ মনোমত এটি বাদ্যসংগীতৰ সুৰ ২ মিনিট মানৰ বাবে বনাই দিব লাগে। কাম আৰম্ভ হ'ল। তেওঁলোকে ২/৩ দিনতে এটি সুৰ সৃষ্টি কৰি মোক শুনালে । প্ৰথমবাৰ পচন্দ নহ'ল। দ্বিতীয় . তৃতীয় বাৰ। শেষত চুড়ান্ত হ'ল। এতিয়া নামটো দিয়াত মনোযোগ দিলো। কাঃকি নোমলৰ কাষ পালোগৈ। বন্ধুবৰ চন্দ্ৰকান্ত লোচন আদি দুই চাৰিজনৰ লগ ল'লো। আগেয়েই কৈ আহিছো Theme টোৰ কথা। "কাৰপুংগেলা আৰাংকী আইনেবে লালেনপী"। "কাপুলি শব্দটো আজি বহুতে ব্যৱহাৰ কৰে আলোচনা কালত এই দুটা শব্দত আৰু এটা অৰ্থৰ সংমিশ্ৰন ঘটিছিল আকাশত 'থুপি তৰা'ৰ মিচিং শব্দ হিচাবে কাৰপুম্‌পুলি। আমি আটাইকেইজনৰ মত বিনিময়ৰ ফলস্বৰূপে আকাশবাণীৰ এটি | অনুষ্ঠান হিচাবে পঞ্জীয়ন কৰাৰ বাবে "কাৰপু পুলি" নামটো চূড়ান্ত | কৰিলো। | ১৯৭৮ চনৰ লিগাঙৰ ওচৰত কোনোবা এটা বুধবাৰৰ পৰা অনষ্ঠান আৰম্ভ কৰি দিলো। অনুষ্ঠানটিৰ জনপ্ৰিয়তাৰ উমান পালো। কিন্তু আমাৰ বিদ্যুত সমাজখনৰ কোনোৱে স্ৰষ্টাজনক এনে সৃষ্টিৰ বাবে উৎসাহিত নকৰিলে। কিন্তু সাধাৰণ মিচিং সমাজে Signature Tune ৰ সুৰটো আৰু নামটো গ্ৰহণ কৰি ১০ মিনিটত আকাশবাণীৰ অনুষ্ঠানৰ পৰা লৈ আহি বিভিন্ন দোকান-পোহাৰ, | বাছ-গাড়ী আনকি কেইবাটাও গাঁৱৰ নাম পৰ্য্যন্ত এই নামেৰে নামকৰণ কৰাত আমাৰ উদ্দেশ্য সফল হোৱা বুলি ধৰি লৈছো। | যিসকলৰ সুৰ সমলয়ত 'কাৰপু পুলি' Signature Tuneটো | জীপ পাই উঠিছিল - আৰু সকলোৰে আদৰৰ হ'লগৈ সেইসকল বাদ্যযন্ত্ৰী আৰু নামটোৰ চূড়ান্তকৰণত পৰামৰ্শদাতাসকলক কৃতজ্ঞতা নজনাই নোৱাৰো। এনেকৈয়ে সৃষ্টি হ'ল কাৰপুপুলি ৰ

কাপুপুলিতেই আকাশবাণীত মোৰ কামৰ পৰিধি শেষ হোৱা নাছিল। এইবাৰ Spoken Word Programme আৰম্ভ | কৰাৰ কথা ভাবিলো। যিকোনো ভাষাত Spoken Word Programme আৰম্ভ কৰাৰ অনুমতি দিয়ে দিল্লীৰ পৰা মহানিৰ্দ্দেশনালয়ে। সেই অনুমতি পাবলৈ সামাজিক অনুষ্ঠান বা ৰাইজৰ ফালৰ পৰা যুক্তি সহকাৰে আবেদন কৰিব লাগে । বোধকৰো বহুদিন আগেয়েই মই আকাশবাণীৰ চাকৰি কৰাৰ আগেয়েও 'বানে কেবাঙে' এনে এটি প্ৰস্তাৱ লৈছিল। কিন্তু সিমানেই। আমাৰ মিচিং সমাজৰ এটাই দোষ। হ'লেও সন্তুষ্ট - নহ'লেও সন্তুষ্ট। আগলৈ একো নোহোৱাকৈও এই চেষ্টাৰ ইমানতে শেষ হৈছিল। মই চাকৰিয়াল হিচাবে দিল্লীলৈ লিখাৰ কৰ্তৃত্ব নাছিল। দুই চাৰিজনক মই উনুকিয়াবহে পাৰো। তথাপি মোৰ উদ্দেশ্যত মই যতি পৰিব দিয়া নাছিলো। জনজাতীয় অনুষ্ঠান বুলি শিথিলতাৰ সুযোগ লৈ এটা Chunk গঢ়ি তুলিবলৈ চেষ্টা কৰিলো। ঐনিতম আৰু গীতৰ বাদেও কথিত ভাষাত Spoken Word Programme আৰম্ভ কৰিছিলো "মোৰ নিমখ বেছিবলৈকো লায়ক নোহোৱা কণ্ঠই"দি। কাৰণ মই জানিছিলো এনেদৰে অনুষ্ঠান নিয়মীয়া কৰিব পাৰিলে আৰু জনপ্ৰিয়তা অৰ্জন কৰিব পাৰিলেহে স্থায়ী অনুষ্ঠানৰ বাবে দাবীদাৰ হ'ব পাৰো। সেয়ে হৈ উঠিলে মিচিঙৰ বাবে এজন Programme Executive আৰু এজন Staff Artist বা Production Assistant পদত নিযুক্তি দিবলগীয়া হ'বগৈ। লাহে লাহে মিচিঙত বাতৰি পঢ়িবলৈ পাঙিছিলো আৰু আৰম্ভও কৰিছিলো। আকাশবাণী এৰি যাবৰ সময়ত এইবোৰ দিশত আমাৰ শিক্ষিত সমাজে

প্ৰয়োজন দৰ্শাই দিল্লীলৈ লিখাৰ বাট কাটি থৈ গৈছিলো। কিন্তু আজিলৈকে মিচিঙৰ বৌদ্ধিক সমাজে ইয়াৰ প্ৰয়োজনীয়তা উপলদ্ধি নকৰা যেন লাগে।

অকল মিচিং অনুষ্ঠান প্ৰচাৰৰ দায়িত্বই মোৰ চাকৰি নাছিল এই কথা মই উনুকীয়াই আহিছো। অন্যবোৰ অনুষ্ঠানটো আগবঢ়োৱা সহযোগীতা সদায় মোৰ মনত থাকিব - আৰু এই সুযোগতে এটি বিশেষ অনুষ্ঠানৰ বাবে দিয়া অৰিহণাৰ কথা উল্লেখ নকৰি নোৱাৰিলো

"হাতী আৰু ফান্দী"

"হাতী আৰু ফান্দী" আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰ কৰা Asian Broadcasting Corporationৰ প্ৰথম পুৰস্কাৰ বিজয়ী ই এটা অন্যতম বাচকবনীয়া অনুষ্ঠান আছিল। এই আলেখ্যখনিৰ ৰচয়িতা আৰু প্ৰযোজনাত যদিও আছিল অসমীয়া নাট্যসমাজত বিশেষ স্থান লাভ কৰা বৰ্ত্তমান ডিব্ৰুগড় কেন্দ্ৰৰ কেন্দ্ৰ সঞ্চালক শ্ৰীনীন ভূঞা, আলেখ্যখনিত মোৰ যোগদানৰ কথাও উল্লেখ নকৰি নোৱাৰিলো । হাতীৰ ওপৰত বনোৱা এই অনুষ্ঠানটো মই আকাশবাণীত ডিব্ৰুগড়ত থকা সময়ৰে আঁচনি।প্ৰয়াত বীৰেণ ফুকন আছিল সেই সময়ৰ কেন্দ্ৰ সঞ্চালক। মই আকাশবাণী টাৱাং কেন্দ্ৰৰ পৰা বদলি হৈ অহা দিন হ'ল। কিন্তু তেতিয়ালৈকে



মোৰ ডাঙৰ শহুৰ দেউতা প্ৰয়াত দুৰ্গা লাগাছুৰ ঘৰ লাইকালে যোৱা হোৱা নাই। কেইবা গৰাকীও বিয়া কৰাই ডাঙৰ শহুৰ দেউতা লাইকাত গাওঁ পাতি আছেহি। অন্যান্য ব্যৱসায়ৰ লগতে বনৰীয়া হাতী ধৰি বিক্ৰী কৰাৰ চৰকাৰী অনুমতি আছিল। মই মিচিং অনুষ্ঠান বাণীবদ্ধ কৰাৰ নামত শহুৰবাৰী হৈ আহিলো। ঘুৰি আহি কেন্দ্ৰ সঞ্চালকক গাৱঁৰ বৰ্ণনা দিওঁতে কথা প্ৰসংগতে হাতীৰ কথা ওলাল। তেখেতে এটা আঁচনিৰ কথা ক'লে। বনৰীয়া হাতী ধৰি কেনেকৈ | ঘৰচীয়া কৰে, কেনেকৈ হাতী নিচুকাই, ফান্দীৰ কাম কি আদি লৈ এটা Programme কৰিব পাৰি দেখোন। মই ক'লো 'Script' পালে চেষ্টা কৰিব পাৰি। কাৰণ Programme টোৰ প্ৰয়োজনীয় সকলো effect আৰু material শহুৰ দেউতাৰ পৰা অনায়াসে ল'ব পাৰিম । তেখেতে ক'লে - 'মূনীনক লগত লোৱা'। শ্ৰী ভূঞাঁ তেতিয়া Script writer হিচাবে নাটকবোৰৰ প্ৰযোজনাত জড়িত । কথামতে কাম। বাৰিষাৰ পিছত এই কামৰ বাবে উপযুক্ত সময়। শ্ৰী ভূঞাক লৈ Tape Recorder আদি সৰঞ্জাম লৈ 'লাইকা' পালোহি। মোৰ ডাঙৰ মাগ' শ্ৰী সীতাৰাম লাগাছু মোৰ আগৰেই চিনাকী। তেখেতৰ সহায় ল'লো। তিনিটা ঘৰচীয়া হাতীৰ যোগাৰ হ'ল৷ তাৰে এটাত উঠি বনৰীয়া হাতীৰ জাকৰ ফালে ওচৰ চাপি যোৱাৰ চেষ্টা কৰিলো। কিন্‌কিনিয়া বৰষুণ। আগবাঢ়ি গ'লো ঘন জংঘল, হাবি বননি, নল খাগৰিৰে ভৰা দলনিৰ মাজেৰে। নল খাগৰি, দলনি, 'দৰবুম' আদি ভাঙি যোৱাৰ শব্দ। তাৰে মাজতে হাতীৰ ফোঁৰোহনি। এই আটাইখিনি আমাৰ সমগ্ৰীক প্ৰয়োজনীয়তা থকাত থলীতে বাণীবদ্ধ কৰি লৈ থকা হৈছে। বনৰীয়া হাতীৰ দ'ল আগবাঢ়ি গুছি গ'ল। আমাক তাতকৈ বেছি আগলৈ নোযোৱাৰ উপদেশ দিলে – কাৰণ বিপদ সংকুল । আমাৰো অলপ ভয় নলগা নহয় । আমি ঘূৰি আহিলো । আগদিনাখনতে ধৰি ৰখা প্ৰায় ৭ ফুট ওখ বনৰীয়া হাতীটো এতিয়াও কাবু কৰিব পৰা নাই। চাৰি ভৰিৰ | বান্ধি ফান্দীয়ে নিচুকনি দি আছে। কি যে আৱেগৰ ভাষা। একেবাৰে শাস্ত্ৰীয় ভাষা। যেন মানুহকহে নোৱাইছে, ধুৱাইছে আৰু নিচুকাইছে। উজনী অসমৰ এই আপুৰুগীয়া সম্পদ এতিয়া দুষ্প্ৰাপ্য।| সকলোবোৰ বাণীবদ্ধ কৰি সেইবাৰলৈ সামৰিলো । পৰিপূৰক হিচাবে পিছলৈ আৰু কিছু লাগতীয়াল শব্দ বাণীবদ্ধ কৰা হৈছিল। মুঠ ১০ টা ৬ ইন্সি Spool ত আৱদ্ধ হৈছিল এই পুৰস্কাৰ বিজয়ী হাতী ধৰা আৰু ফান্দীয়ে নিচুকুওৱাৰ effect। শ্ৰীভূঞাক কাহিনী আগবঢ়াবলৈ দায়িত্ব দিয়া হ'ল। অলপ দুঃখ লাগে সেই আলেখ্যখনিত আমি কৰা কষ্টৰ বাবে নাম পৰ্য্যন্ত উল্লেখ নকৰিলে যিটো সাধাৰণতে এনে সহায় সহযোগীৰ ক্ষেত্ৰত কৃতজ্ঞতা জনোৱা দেখা যায়। সেয়া মোৰ ভাগ্যত নঘটিল।

১৯৭৮ চনৰ ডিচেম্বৰ মাহ । মোৰ নতুন চাকৰিত যোগ দিয়াৰ নিৰ্দ্ধাৰিত দিন আহিল। আকাশবাণীত সৃজনশীলতাৰ দিশত মনোযোগ আৰম্ভ হৈছিলহে - ইপিনে ভৱিষ্যতৰ সপোন। ভাল চাকৰি বুলি দিল্লী-দোদুনত পৰীক্ষা দি পোৱা চাকৰি সততে এৰাৰ ইচ্ছা নাই। ইপিনে ডিব্ৰুগড় কেন্দ্ৰৰ তেতিয়াৰ তত্বাৱধায়ক কেন্দ্ৰ সঞ্চালকে মোক এৰি দিয়াত ৰাজী নহয় - আগলৈ নিৰ্দ্ধাৰণ কৰি থোৱা অনুষ্ঠানবিলাকৰ কি হ'ব - ইত্যাদি। গতিকে ছুটিৰ দৰ্খাস্ত ঘৰত এৰি থৈ ডিব্ৰুগড় হৈ দিল্লীলৈ উৰা মাৰিলো আৰু প্ৰধান কাৰ্য্যালয় দিল্লীৰ পৰা release লৈ দেৰাদুনত নতুন কামত যোগ দিলো আৰু তেনেকৈয়ে আকাশবাণীৰ চাকৰি ইমানতে সামৰণি মৰা হ'ল।

শেষত উঠি অহা মিচিং যুৱ শক্তিলৈ এটা পৰামৰ্শ আছে। প্ৰচাৰ ভাৰতী, আকাশবাণী এতিয়াও চৰকাৰী প্ৰতিষ্ঠান হিচাবে সমাজত কৃষ্টি সংস্কৃতিৰ বিকাশত এই মাধ্যমৰ দায়িত্ব আছে আৰু ই এক শক্তিশালী মাধ্যম বুলিও পৰিগণিত। ইয়াৰ ব্যৱহাৰ আৰু প্ৰয়োজনীয়তাও সুদূৰপ্ৰসাৰী। আনহাতে মিচিং সমাজত কলা কুশলী আৰু শিল্পীৰ যে অভাৱ নাই সেয়া বজাৰত দেখা পোৱা CD আৰু Cassette ৰ পয়োভৰ দেখি অনুমান কৰিব পাৰি । বাণিজ্যিক ভিত্তিত ইলেক্ট্ৰনিক মাধ্যমত ইতিমধ্যে

ওলোৱা প্ৰচুৰ পৰিমাণে পৰিবেশন কৰা অনুষ্ঠান বিলাকৰ মানদণ্ড বঢ়াব পাৰি । উপযুক্ত শিল্পীৰ অভাৱ বুলি কৰ নোৱাৰি - মাত্ৰ ৰুচিসন্মত আৰু ৰচনাত্মক দিশত আৰু গুণগত অনুষ্ঠান প্ৰযোজনা কৰি আগবঢ়াই লৈ যাবলৈ সৰল দায়িত্ব আৰু গুৰি ধৰোতাৰ অভাৱ। সমাজৰ কৃষ্টি সংস্কৃতিত ঘূণে ধৰা মানে সমাজখনৰ গুৰিতে ঘূণে ধৰা। সমাজ সংস্কাৰত উপযোগীকৈ কৃষ্টি সংস্কৃতিৰ অৰিহণা আৰু ইয়াৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। ইয়াৰ দায়বদ্ধতা অন্য আনুসংগিক কাৰণ বোৰতকৈ বেছি। সেয়ে আমি উচিত ভাবে আমাৰ নিৰ্দ্দিষ্ট লক্ষৰ প্ৰয়োজনীয়তাক প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰাৰ লগতে চৰকাৰী পৃষ্ঠপোষকতা আদায় কৰি ল'বৰ উপযুক্ত সময় এতিয়াও পাৰ হৈ যোৱা নাই। আজিৰ যুৱ শক্তিয়ে এই দিশত দিক্ নিৰ্ণায়কৰ ভূমিকা পালন কৰা সামৰ্থ্য আছে বুলি মই গভীৰভাৱে বিশ্বাস কৰো । মাত্ৰ লাগে তেওঁলোকৰ মনৰ দৃঢ়তা, আন্তৰিকতা আৰু আত্মবিশ্বাস লৈ আগবাঢ়ি অহাৰ মানসিকতা। আশাকৰো আমাৰ মিচিং সমাজখনে আজিৰ যুৱ সমাজক প্ৰয়োজনীয় সমৰ্থন আগবঢ়াই সঠিক দিশত গতি কৰিবলৈ অনুপ্ৰেৰণা যোগাব



# বয়ন শিল্পত
# মিচিং সকলৰ স্বকীয়তা আৰু ব্যৱহাৰিক ভিন্নতা

- **কেশৱ পাইত, গোগামুখ**

অসমৰ উত্তৰ পূৰ্বাঞ্চলত বসবাস কৰি থকা মিচিং জনজাতিসকল শদিয়াৰ পৰা ভৰলীলৈকে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে | অসমৰ সমতল ভূমিৰ সৰুবৰ নদ-নদীৰ পাৰে পাৰে প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিবেষ্টিত অঞ্চলবোৰত লানি নিচিগা শাৰী শাৰী দীঘল দীঘল চাং ঘৰেৰে নদী প্ৰান্তক শুৱনি কৰি ৰাখিছে। সেই পোন পতীয়াকৈ সজা চাংঘৰ সমূহতেই মিচিংসকলৰ সাংস্কৃতিক | জীৱনধাৰা প্ৰৱাহিত হৈ নিজস্ব কলা কৃষ্টি জীৱন্ত কৰি ৰখাৰ প্ৰয়াস কৰিছে। সহজ সৰল ভাবে বসবাস কৰা এইসকল পাহাৰীয়া ভৈয়ামবাসী জনগোষ্ঠীয়ে অসমৰ অসমীয়া সংস্কৃতিলৈ সকলো দিশৰ পৰাই অৱদান যোগাই আহিছে। ইয়াৰে ভিতৰত হস্ত শিল্পৰ বয়ন শিল্পও অন্যতম। এই বয়ন শিল্পৰ সৌন্দৰ্য্য, স্বকীয়তা ও বৈশিষ্ট্য ৰক্ষাৰ বাবে আজিও মিচিং শিপিনীসকলে প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই প্ৰৱন্ধৰ জৰিয়তে মিচিং সমাজত বয়ন শিল্পৰ প্ৰভাৱ, | সৌন্দৰ্যৰ স্বকীয়তা আৰু ব্যৱহাৰিক ভিন্নতা সম্পৰ্কে থূলমুল আভাস দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ব।

অসমীয়া জাতীয় সংস্কৃতিৰ বুকুলৈ বয়ন শিল্পৰ জৰিয়তে | শিপিনীসকলে যি বৃহৎ পৰিমানৰ বৰঙনি আগবঢ়াই আহিছে সেই অৱদানৰ অংশীদাৰ মিচিং শিপিনীসকলো। স্মৰনাতীত কালৰে পৰা মিচিং শিপিনীসকলে কপাহ খেতি কৰি কপাহৰ পৰা সূতা কাটি কাপোৰ তৈয়াৰ কৰাৰ পৰম্পৰা ৰক্ষা কৰি আহিছে। অৱশ্যে অতীজতে মিচিং শিপিনীসকলৰ তাঁতশালৰ দৰে কোনো শাল বা সঁজুলি ব্যৱহাৰ কৰাৰ প্ৰমান পোৱা নাযায়। কিন্তু তেতিয়া বাঁহৰ কামি আৰু এচলা চেপেটা কাঠৰ সহায়তহে বোৱা কটাৰ কাম | সমাধা কৰিছিল বুলি জনা যায়। মিচিং সমাজত বয়ন শিল্পৰ প্ৰভাৱ | পৰাৰে পৰা শিপিনীসকলৰ মনত স্বাভাৱিক সৌন্দৰ্য্যবোধৰ উদ্রেগ হৈছিল আৰু সেই সৌন্দৰ্য্যবোধক কাপোৰত নানান মণ্ডন বা ডেকছেন দি নিজৰ শিল্প প্ৰতিভা আৰু কলাজ্ঞানৰ পৰিচয় দিয়াৰ  প্ৰচেষ্টা কৰি আহিছে। এই মণ্ডণ বা ডেকৰেচনবোৰ প্ৰকৃতিৰ পৰিবেশৰ চাপ পৰাৰ উপৰিও ধৰ্মীয় প্ৰভাৱ পৰাও স্পষ্টকৈ দেখা যায়। সেই অনুপাতে কিছুমান বিশেষধৰণৰ কাপোৰত ডিজাইন আৰু ব্যৱহাৰৰ ভিন্নতা আছে। এই ক্ষেত্ৰত সাধাৰণতে পাহাৰীয়া বা সমতলীয়া জনজাতিসকলৰ কাপোৰত ব্যৱহাৰ হোৱা কিছুমান জটিল ডিজাইন বা ফুলবচা দেখা যায়। এই ডিজাইন সমূহৰ ভিতৰত জ্যামিতিক চিত্ৰও বহু ক্ষেত্ৰত অংকন কৰা হয়, যেনে এটা বৃহৎ বৰ্গক্ষেত্ৰ, আয়তক্ষেত্ৰ বা ৰম্বাচ ক্ষেত্ৰৰ মাপৰ ক্ষেত্ৰখিনিত ক্ৰমে সৰু তদনুৰুপ ক্ষেত্ৰ নাইবা ত্ৰিভূজ আদিৰে বিভাজন কৰা হয়। মিচিং মহিলাসকলৰ আপৰুগীয়া "লেকে গামিগ" ইয়াৰ স্পষ্ট নিদৰ্শন। কেতিয়াবা তৰা, ফুল, কোনো জন্তু বা ড্ৰেগনৰ প্ৰতীক, চৰাইৰ প্ৰতীক ব্যৱহাৰ কৰা দেখা যায়। ড্ৰেগনৰ প্ৰতীকবোৰ প্ৰায়ে মঙ্গোলইদ্ জনগোষ্ঠীত দেখা যায়। এই মঙ্গোলইদ্ জনগোষ্ঠীয়ে সাধাৰণতে অতি জাক-জমক ৰঙা-নীলা, হালধীয়া বৰণৰ ডিজাইন বেছি পচন্দ কৰে। আচলতে তেতিয়া ৰঙৰ উজ্জ্বলতা বাঢ়ে। সেয়েহে ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ মঙ্গোলইদ্ গোষ্ঠী - আদি, মিচিং, চিংফৌ, নকতে, পাঃদাম, মিঞং, মনপা, বড়ো, তাই, তিৱা আদিৰ লগত চীন দেশীয় কিয়াং, জিং, দুলুং, মেন্‌ৱা, লুৱৰা, কুবাং, ডেং, লি, জিংগো, চুই আদি জনগোষ্ঠীৰ কাপোৰৰ ডিজাইন, ৰঙৰ নিৰ্বাচন, চোলা কাপোৰ পিন্ধাৰ ৰীতি বহুলাংশে একে বুলি কয়। কিছুমানে ৰঙৰ

বৈষম্যৰ যোগেদি কেৱল ৰঙৰ সমান চটা কাষে কাষে সংযোগ ঘটাই ডিজাইন কৰে। আদিসকলৰ মাজত পোনপটীয়া ডিজাইন প্ৰকট। মিচিং সকলে আদি সকলতকৈ অধিক জটিল ডিজাইন কৰে; কিন্তু ৰঙৰ ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰায়ে একে। মিচিং সকলৰ ৰঙৰ ব্যৱহাৰ আৰু ডিজাইনৰ জটিলতাই আজিও অন্য জনগোষ্ঠীৰ তুলনাত অনন্য আৰু অধিক



হৈ আছে। ৰঙৰ জটিলতা আৰু নানান ডিজাইত থকা হেতুকে অসমৰ বয়ন শিল্পৰ সংস্কৃতিত মিচিংসকলে সুকীয়া স্থান দখল কৰি আছে।

বয়ন শিল্পত মিচিং শিপিনীসকলৰ স্বকীয়তা আৰু নিজস্বতা ধৰি ৰাখিছে গাড়ু, গন্' উগন, গেৰ', মিবু গালুক, জিন্ ৰেক বা টঙালি, ৰিঃবি গাচেং, এগে ইত্যাদিয়ে। ইয়াৰোপৰি মেব, কিঃকু, বেলং, গুচিগ, পুচন, আফুং, পেৰুৰুমবং আদি কাপোৰৰ ব্যৱহাৰো মিচিংসকলৰ মাজত আছিল। এই সকলোবোৰৰ সৌন্দৰ্য্য, স্বকীয়তা | আৰু গতিশীলতা জীয়াই ৰাখিছে শিপিনীসকলৰ নিজস্ব সৃষ্টিশীল প্ৰতিভাৰ দ্বাৰা ।

মিচিং সমাজত ব্যৱহৃত কেইবিধমান কাপোৰ ববলৈ কিছুমান বিশেষ নিয়ম মানিব লগা হয়। বিশেষকৈ পূজা উৎসৱাদিত ব্যৱহৃত কাপোৰবোৰ। ইয়াৰে উল্লেখযোগ্য কেইটামান হলঃ -

**১/ গাড়ু :-** গাড়ু সাধাৰণতে কপাহৰ পৰা পোনপটীয়াকৈ | সূতা কাটি সাধাৰণ সূতাতকৈ কিছু শকত সূতাৰ দীঘ দি নোমালকৈ | বোৱা হয়। ই মিচিং শিপিনীসকলৰ প্ৰধান আৰু অভিনৱ কৃষ্টিমূলক সৃষ্টি। গাড়ু ববলৈ সাধাৰণ কাপোৰ বোৱা সঁজুলিতকৈ বেলেগ ধৰণৰ সঁজুলিৰ প্ৰয়োজন ।

**২/ 'গ'নৰ উগন** ঃ - বগা সূতাৰে দীঘ-বানি দি ৰঙা কলা | সূতাৰে ফুল তুলি গন্'উগন বব লাগে। গ' উগনৰ মূৰত ৰঙা আৰু মাজত সেৰেঙা সেৰেঙিকৈ ৰঙা আৰু ক'লা সূতাৰ পাঁচ বাৰকৈ সীমা দি ফুল তুলিব লাগিব। হিচাপ ভূল হলে পূজা | উৎসৱাদিত ব্যৱহাৰ অযোগ্য হৈ পৰে।

**৩/ মিবু গালুক** :- এবিধ হাত কটা চোলাকেই মিবু গালুক | বোলে৷ এই ধৰণৰ চোলা আদি, নিচিসকলৰ ওপৰিও অসমৰ কাৰ্বি, তিৱা, ডিমাছা আৰু তাই আহোমসকলৰ মাজতো দেখা যায়। মিবু গালুক বিশেষতঃ মিবু বা দেউধাই সকলেহে পিন্ধিছিল বাবেই ইয়াক বৈ উলিয়াবলৈ কিছুমান নীতিনিয়ম মানিব লগা হয়। বগা | সূতাৰে দীঘ-বানি দি বোৱা এইবিধ চোলাত কান্ধৰ অংশত ৰঙা আৰু ক'লা আচুৰে ডাঠকৈ ফুলদি বাকী অংশত সেৰেঙা সেৰেঙাকৈ ৰঙা আৰু ক'লা সূতাৰ আচু ফুল দিয়ে। ইয়াতো ফুল তোলাৰ | ক্ষেত্ৰত ৫ (পাঁচ) সংখ্যাটোৰ প্ৰাধান্য দি হিচাপ ৰখা হয়। অন্যথাই 'মিবু'ৰে পূজাত পিন্ধি নিজৰ কাম সম্পাদন কৰাত অসুবিধা হয় | বুলি বিশ্বাস। সম্প্ৰতি ব্যৱসায়িক আৰু সৌন্দৰ্য্যবোধৰ চৰ্চা হেতুকে | কোনো হিচাপ ৰক্ষা কৰা দেখা নাযায়।

**৪/ ৰিঃবি-গাচেং** :- ৰিঃবি-গাচেং স্বাভাৱিকতে একেলগে উচ্চাৰিত হলেওঁ দুয়োবিধ কাপোৰ কিছু বেলেগ ডিজাইনত প্ৰস্তুত কৰা হয়। এই দুয়োবিধ কাপোৰ বগা সূতাৰ দীঘ দি বোৱা হয় ৰিঃবি আচলতে ক'লা, হালধীয়া, ৰঙা আৰু বগা সূতাৰে শাৰী শাৰীকৈ সীমা দি বোৱা হয়। প্ৰতিৰঙৰ সূতা ৫ ডালকৈ সীমা দি বোৱা হয় আৰু দুইমূৰত ৰঙা আৰু ক'লা সূতাৰে তিনিশাৰীকৈ ফুল তুলি ৰিঃবি কাপোৰ বোৱাৰ নিয়ম ।

ৰিঃবিৰ দৰেই বগা সূতাৰ দীঘ দি গাচেং বোৱা হয় যদিও প্ৰায় ৰঙা সূতাৰে বৈ মাজে মাজে বগা আৰু ক'লা সূতাৰে ফুল তুলি সীমা লগাই দূই মূৰত ক'লা আৰু বগা সূতাৰে ফাক ৰাখি শেষ কৰা হয়।

**৫/ টঙালি বা জিন্ৰেক :-** কাপোৰখন অন্য কাপোৰতকৈ স্বাভাৱিকতে ঠেক আৰু দীঘল প্ৰায় চাৰিহাতমান হয়। ইয়াৰ দুই মূৰত ৰঙা আৰু ক'লা আঁচুৰে ফুল তোলা হয়।

ওপৰোল্লেখিত কাপোৰসমূহ ববলৈ কিছুমান বিশেষ নীতি নিয়ম মানি চলাৰ কাৰণ হল মিচিংসমাজৰ পৰম্পৰাগত বিশ্বাস মতে উক্ত কাপোৰসমূহ কিছুমান পূজা - উৎসৱাদিত পৰিধান কৰাটো পূৰ্বাপৰ দস্তুৰ । নিয়ম বৰ্হিভূত ভাৱে তৈয়াৰ কৰা কাপোৰ = 1 পূজা যাগ-যজ্ঞাদিত ব্যৱহাৰৰ অনুপযুক্ত হৈ পৰে। অৱশ্যে আধুনিক সৌন্দৰ্য্যবোধৰ হেঁচাত পৰি পৰম্পৰাগত ৰীতি-নীতি বহুলাংশে শিথিল হৈছে আৰু আধুনিক গতিশীলতাৰ প্ৰতি ধাৱমান হৈছে। ইয়াৰোপৰি বৰ্ত্তমান বহুবিধ কাপোৰ ব্যৱহাৰৰ অভাৱতো শিপিনীসকলে ববলৈ এৰি দিছে। আধুনিক সৌন্দৰ্য্যৰ নিত্য-নতুন কলা কৌশলৰ প্ৰতি শিপিনীসকলৰ তীব্ৰ আকৰ্ষণ আৰু কিছু ব্যৱসায়িক দৃষ্টি ভঙ্গীৰে পূৰ্বৰ ডিজাইনসমূহকেই কিছু আধুনিক কৰি বয়ন শিল্পৰ স্বৰূপ কিছু উন্নত আৰু উজ্জ্বল কৰি তোলাত মিচিং শিপিনীসকল কিছু সফল হৈছে বুলিয়েই কব পাৰি।।

ওপৰত উল্লেখ কৰা কাপোৰ বিলাকৰ ব্যৱহাৰৰ ভিন্নতা ই আছে। মিচিংসকলে গাডু বা মিৰিজিম কাপোৰক বিবাহৰ এটা এৰাব নোৱাৰা সামগ্ৰী হিচাপে গণ্য কৰে। বৰ বিবাহত কন্যাৰ লগত এখন মিজিম কাপোৰ দিব পৰাতো অতীৱ গৌৰৱৰ কথা । গাডু বৰ্ত্তমান দুৰ্লভ সামগ্ৰীত পৰিণত হৈছে। ইয়াৰ কাৰণ হিচাপে বৰ্ত্তমান কপাহ খেতিৰবাবে উপযুক্ত সাৰুৱা মাটিৰ অভাৱ আৰু বজৰুৱা সূতাৰ অতিপাত মূল্যবৃদ্ধিৰ বাবেও সহজতে গাডু বোৱা নহয় আৰু প্ৰয়োজন হোৱা স্বত্বেও ব্যৱহাৰ কমি আহিছে।

গন্'ৰ উগন ককালত পিন্ধা এবিধ ধুতি। এইবিধ ধুতি মিচিং সমাজৰ পূৰ্বাদিৰ পৰা চলি অহা পূজা, উৰম আদি সকামত ঘৰৰ মূল গৃহস্থই পিন্ধিব লাগে। তাৰোপৰি পুৰুষৰ মূল ধুতি সাংস্কৃতিক বস্ত্ৰ হিচাপে বিবাহ সবাহ আদিত পিন্ধাৰ নিয়ম আছে। গেৰ' প্ৰধানতঃ তিৰোতাই পিন্ধা এবিধ কাপোৰ। গেৰ' কেবাবিধো আছে। সেই অনুপাতে পিন্ধাৰ নিয়মো সামান্য বেলেগ। বৰ বিবাহত কন্যাই গেৰ পৰিধান কৰিব লাগে। পূজা, উৎসৱাদিত গৃহিনীয়ে বা বয়সীয়াল মহিলাসকলে পিন্ধাটো এক প্ৰকাৰ আভিজাত্যৰ পৰিচায়ক। তাৰোপৰি নৱজাতকৰ সময়তো গেৰ' ব্যৱহাৰ কৰা হয় ।

মিবু গালুক বা দেউধাই বোলা প্ৰধানতঃ মিবু সকলেহে পিন্ধিছিল। বিশেষকৈ মিবু সকলে মাঙ্গলিক কাৰ্য মিবু দাগ্‌দাম আদি কাৰ্যত পিন্ধে। তাৰোপৰি উৰম, দদ্‌গাং, মিদাং, প:ৰাগ আদিত এইবিধ বোলা মুখীয়ালজনে পিন্ধে। বৰ্ত্তমানে মিবু গালুকক নানান মণ্ডণ আৰু ডেকৰেচন কৰি সৰ্বদা পিন্ধাৰ উপযোগী কৰি লৈছে আৰু এইমতে সাধাৰণ সভাসমিতিটো পৰুষে পিন্ধটো স্বাভাৱিক হৈ পৰিছে

ৰিঃবি-গাচেং দুয়োবিধ কাপোৰেই ব্যৱহাৰিক নিয়ম প্ৰায় একে যদিও ৰঙ আৰু ডিজাইনৰ পাৰ্থক্যই ব্যৱহাৰৰো পাৰ্থক্য কিছু ৰাখিছে। আদিতে গাচেঙক আদি ছোৱালীসকলে পিন্ধা গাপাৰ দৰে ককালৰ পৰা তললৈ পিন্ধিছিল আৰু ককালৰ পৰা বুকুৰ ভাগলৈ ৰিহাৰ নিচিনাকৈ ব্যৱহাৰ কৰিছিল। পূৰ্বতে এই কাপোৰবিধ কেৱল মহিলাই পিন্ধিছিল যদিও বৰ্ত্তমান আধুনিকীকৰণৰ জৰিয়তে পুৰুষ-মহিলা উভয়ে ব্যৱহাৰোপযোগী কৰি তুলিছে।

এইদৰে ওপৰত উল্লেখ কৰা প্ৰায় বিলাক কাপোৰৰ মিচিং সমাজত ব্যৱহাৰিক ভিন্নতা আছে। বস্ত্ৰ শিল্পৰ এনে ব্যৱহাৰিক ভিন্নতাৰ প্ৰতি লক্ষ্য ৰাখি অনুমান হয় যে খুউব সম্ভৱ কাপোৰ ববলৈ শিকাৰ কিছুকালৰ পিছতেই বয়ন শিল্পৰ ওপৰত ধৰ্মীয় প্ৰভাৱ, জাতীয় ৰীতিনীতিৰ প্ৰভাৱ পৰিছিল আৰু ইয়াকে বাস্তৱিক কৰি তুলিছিল শিপিনীসকলৰ শিল্প প্ৰতিভাৰ জৰিয়তে। অন্য অসমীয়া সমাজৰ লগত সামঞ্জস্য নথকা যি বিলাক কাপোৰ মিচিং সমাজত প্ৰচলিত হৈ আছে এইবোৰ মিচিং শিপিনীসকলৰ শিল্প নৈপূন্যতা আৰু সমাজত ব্যৱহাৰিক ভিন্নতাৰ কথা স্পষ্টকৈ প্ৰমান কৰে।

বৰ্ত্তমান আত্ম সংস্থাপনৰ প্ৰবল সংকট মূহুৰ্তত বয়ন শিল্পৰ জৰিয়তেওঁ আত্মনিয়োগৰ ব্যৱস্থা কৰি লব পাৰি। আমাৰ সমাজত বয়ন শিল্পত কেৱল মহিলাই জৰিত হয় বুলি চলি অহা ধাৰণাৰ বিপৰীতে পুৰুষ সমাজকো উপযুক্ত প্ৰশিক্ষনৰ জৰিয়তে বয়ন শিল্পত জৰিত কৰাব পাৰি। বৰ্ত্তমান দ্ৰুতগতিত হোৱা সামাজিক পৰিবৰ্ত্তনৰ সময়ত মানুহৰ ৰুচিবোধৰ ওপৰত নিৰ্ভৰ কৰি নতুন নতুন ডিজাইনৰ কাপোৰ উলিয়াব পাৰিলে বয়ন শিল্পও জীৱিকাৰ নিৰ্ভৰযোগ্য মাধ্যম হ'ব। ইয়াৰোপৰি ইতিমধ্যেই আমাৰ সমাজৰ পৰা বিলুপ্তিপ্ৰায় সাজপাৰ সমূহ নতুন ৰূপত সংস্কৰণ কৰি পুনৰ প্ৰচলন কৰিলে চাহিদা নিশ্চয় বাঢ়িব। গতিকে পুৰুষ মহিলা উভয়ে পাকৈত শিপিনীৰ হতুৱাই নাইবা যান্ত্ৰিক সা-সৰঞ্জামৰ প্ৰশিক্ষন লৈ বয়ন শিল্পৰ ক্ষুদ্ৰ উদ্যোগ গঢ়ি তুলিব পাৰি আৰু নিজৰ লগতে আন এজনক জীৱিকাৰ সন্ধান দিব পাৰি। এই কাৰ্যত ঘাইকৈ আত্মসহায়ক গোটসমূহে আগভাগ লোৱাটো প্ৰয়োজন ।

১৩

# আন্দোলনৰ পৰা বিপ্লৱলৈ

## ছত্ৰ মেদক

পূৰ্বাঞ্চলৰ প্ৰতি প্ৰান্ততে বিভিন্ন জাতি, জনজাতি জন গোষ্ঠীয়ে আত্ম নিয়ন্ত্ৰন প্ৰতিষ্ঠাৰ বাবে সংগ্ৰামত লিপ্ত থকা মুহূৰ্ত্তত মিচিং জনগোষ্ঠীৰ আত্ম অধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰামো উল্লেখনীয়। স্বাধীন বা স্বাধীনতা শব্দৰ মূল্যায়ন ৰাজনৈতিক অধিকাৰ সাব্যস্ত স্তৰত সীমাবদ্ধ ৰখা সময়ত আন্দোলনৰ ধাৰাক পৰিকল্পিত ভাৱে আগবঢ়াই নিনিলে লাভতকৈ ক্ষতি স্বীকাৰহে বেছিকৈ ভৰিব লাগিব। আজি ভাৰত বৰ্ষৰ প্ৰতি প্ৰাপ্ততে প্ৰতিধ্বনিত "আমি বৃটিছৰ পৰা ৰাজনৈতিক স্বাধীনতা পালো, কিন্তু অৰ্থনৈতিক স্বাধীনতা আহৰণ কৰি নোৱাৰিলো"- ইতিহাসৰ এই সকিয়নিলৈ দৃষ্টি নাৰাখি মানসিক প্ৰস্তুতি তথা অৰ্থনৈতিক স্বাবলম্বিতা আহৰণ কৰিবলৈ সংগ্ৰামী ধাৰাক প্ৰবাহিত নকৰিলে আত্ম-নিয়ন্ত্ৰনৰ আন্দোলনে এদিন উচ্চ মধ্যবিত্ত শ্ৰেণীৰ হাতত লুণ্ঠিত হ'ব আৰু সৰ্বহাৰাৰ আবেগ-উচ্ছাস সমূহ ধুলিৰ লগত বিলীন হৈ পৰিব । যিটোৱে জাতিটোৰ বাবে অপুৰণীয় ক্ষতি মাতি আনিব পাৰে। আজি মিচিং যুব সমাজ আত্ম নিয়ন্ত্ৰন প্ৰতিষ্ঠাৰ আবেগিক উচ্ছাসত সমাজক একত্ৰিত আৰু সংগ্ৰামক সবল ৰূপত গঢ় দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। বিবৰ্তন প্ৰক্ৰিয়াত থকা জাতিটোৱে হঠাৎ পৰিবৰ্ত্তনৰ ফালে ধাবিত হ'বলৈ যাওঁতে মানসিক আৰু অৰ্থনৈতিক স্বাধীনতাৰ সাৰমৰ্মৰ কথাও আয়ত্ব কৰি ল'ব লাগিব। ৰাজনৈতিক অধিকাৰ সাবাস্তব আন্দোলনত অৰ্থনৈতিক, সামাজিক, বৌদ্ধিক আৰু | সাংস্কৃতিক ধাৰাৰ উত্তৰণৰ কথা উপেক্ষা কৰিলে সংগ্ৰামৰ লক্ষ্য প্ৰাপ্তিৰ অন্তত আমাৰ সন্মুখত ডাঙৰ শূন্য এটিহে থাকিব।

### দেশীয় অৰ্থনীতি আৰু মিচিং যুৱ সমাজঃ

ভাৰতবৰ্ষৰ উদ্যোগ বিহীন আৰু আটাইতকৈ দুখীয়া জিলা দুখন হৈছে লখিমপুৰ আৰু ধেমাজি জিলা। মিচিওৰ মুঠ জনসংখ্যাৰ সৰ্বাধিক সংখ্যক মানুহৰ বসতি স্থল এই জিলা দুখনৰ দৰে শোণিতপুৰ, গোলাঘাট, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত বসবাস কৰা গ্ৰাম্য মিচিং সমাজৰ আৰ্থ- সামাজিক অবস্থাৰ প্ৰতিচ্ছবি একেই। বৰ্তমান ভাৰতীয় মানুহৰ জনমুৰি বাৰ্ষিক গড় আয় ১২, ২৩৭ টকাৰ বিপৰীতে আমাৰ অসমৰ ৬,৯২৮ টকা। অসমৰো বিভিন্ন জাতিগোষ্ঠীৰ মাজৰ জনমুৰি গড় আয় যদিহে বিচাৰ কৰা যায় তেনেহ'লে মিচিংসকলৰ গড় আয় তাৰ অৰ্ধেক তুব নিশ্চয়। কৃষি অৰ্থনীতিৰ ওপৰত নিৰ্ভৰশীল বানপীড়িত মিচিং সমাজৰ গ্ৰাম্য অৰ্থনৈতিক গাঁঠনি প্ৰকৃতিৰ দয়াৰ ওপৰতে নিৰ্ভৰ কৰে। ধান খেতিৰ বাদে অইন কৃষি কৰ্ম নোহোৱা জাতিটোৰ অৰ্থনৈতিক ভেটি কিমান নিৰ্ভৰযোগ্য ই সহজেই অনুমেয়

ভাৰতবৰ্ষৰ ১০২ কোটি মানুহৰ বাবে চাকৰি বা কৰ্মসংস্থান সৃষ্টি কৰাটো আজিৰ দেশীয় অৰ্থনৈতিক অৱস্থাত অসম্ভব। প্ৰচলিত শিক্ষা ব্যৱস্থাই আজিৰ শিক্ষিত খুব চামক অধিক চাকৰি মুখী কৰাৰ লগতে কৃষি, উদ্যোগ আৰু বাণিজ্যৰ প্ৰতি অনাগ্ৰহী কৰাৰ প্ৰতিফলন মিচিং যুৱ সমাজৰ ক্ষেত্ৰতো দেখা গৈছে। বিশেষকৈ কৃষি ভিত্তিক উদ্যোগ গঢ়াৰ সম্ভাৱনাপূৰ্ণ পাৰিপাৰ্শ্বিক অৱস্থা থকা স্বত্বেও শিক্ষিত যুৱকসকল কায়িক শ্ৰমৰ প্ৰতি আগ্ৰহী নহয়। তাৰ বিপৰীতে এচাম যুৱকে সহজে লাভ কৰিব পৰা টকাৰ পিছত দৌৰিব লাগিছে, যাৰ মূল্য পাবলৈ যাওঁতে কিমান সময় আৰু শ্ৰম বিনিয়োজিত হ'ল তাৰ মূল্যাংকন সেই যুৱ চামে নকৰে।

হস্ত তাঁত আৰু বস্ত্ৰ উদ্যোগত কৰ্ম সংস্থানৰ প্ৰচুৰ সম্ভাবনা আছে যদিও এই দিশত সু-সংগঠিত ব্যৱস্থা এটি নথকা বাবে সেই উদ্যোগেও আজিলৈ গঢ় লৈ উঠিব পৰা নাই। মিচিং মহিলা সকলৰ হস্ত-তাঁত শিল্পত দক্ষতা আৰু কৰ্ম পটুতাৰ অভাৱ নাই। বজাৰৰ চাহিদালৈ চাই প্ৰস্তুতজাত বন্ধ সামগ্ৰীসমূহ নিপুন শৈলীনে তৈয়াৰ কৰিব পাৰিলে আৰ্ন্তজাতিক বজাৰত স্থান লভাব পূৰ্ণ সম্ভাবনা | নথকা নহয়। কিন্তু সেই দিশক সফলতা দিবলৈ বয়ন শিল্পৰ ডিজাইন আৰু কাৰিকৰী দিশ, ফেচন ডিজাইন আদিৰ কাৰিকৰী জ্ঞান থকা মানুহৰ আৱশ্যক। সেই ক্ষেত্ৰত কাৰিকৰী জ্ঞান সম্পন্ন মিচিং যুৱক-যুৱতীৰ অভাৱ আৰু তেনে শিক্ষা লবলৈ আগ্ৰহী নোহোৱাটো খুবেই দুখজনক।

**গ্ৰাম্যাঞ্চলৰ শিক্ষা আৰু শিক্ষক :-**

গ্ৰাম্য ৰাজনীতিৰ তৰল যুক্তিবাদেৰে প্ৰদূষিত আজিৰ গ্ৰাম্য 14

মিচিং সমাজ। শিক্ষাৰ পাৰিপাৰ্শ্বিক বাতাবৰণ বিলুপ্ত গাঁৱৰ পৰিবেশত শিক্ষকসকলেই বুদ্ধিজীৱিৰ ভূমিকা পালন কৰি আহিছে। শিক্ষিত নিৱনুৱাৰ উদ্যোগত ৰঘুমলাৰ দৰে গঢ় লৈ উঠা গাঁৱৰ স্কুলসমূহত সৎ-অসৎ উপায়েৰে শিক্ষাৰ সাৰ্বজনীনকৰণক গুৰুত্ব দিছে যদিও প্ৰকৃত শিক্ষাৰ অৱমুল্যায়ন গাঁৱৰ স্কুলসমূহতেই বেছিকৈ ঘটিছে। পৰীক্ষা পাচৰ ধাৰণা প্ৰদান কৰা শিক্ষা ব্যৱস্থাই সৃষ্টি কৰা উশৃংখল যুৱ সমাজ এটি পোৱাৰ বাদে সেই স্কুল সমূহৰ | পৰা সুস্থ সমাজ আন কিবা পোৱাৰ আশা বাতুলতা মাথোন । তথাপি সেইচাম শিক্ষাকেই সমাজক কেও দিশৰ পৰা নেতৃত্ব দিছে। গাওঁ সমাজক ৰাজনীতি শিকাইছে, সংস্কৃতি বুজাইছে। এবাৰলৈও প্ৰশ্ন তোলা নাই - তেওঁলোকৰ শিক্ষকতা কৰাৰ যোগ্যতা কিমান? "শিক্ষা জীৱনৰ মূল ধনক বিনিয়োগ কৰি ৰাজনৈতিক, অৰ্থনৈতিক, | সামাজিক আৰু সাংস্কৃতিক ভাবে সুস্থ আৰু উন্নত সমাজ এটি পাব পাৰি এই কথাক যেতিয়ালৈ অৱহেলা কৰে তেতিয়ালৈ | হাজাৰটা আত্ম অধিকাৰ নিয়ন্ত্ৰনৰ সুবিধা প্ৰদান কৰিলেও উন্নত জাতি এটি প্ৰতিষ্ঠাত সফল হ'ব পৰা নাযাব । -

শিক্ষাৰ গুনগত মান নিৰূপণৰ ক্ষেত্ৰত প্ৰাথমিক পৰ্যায়ৰ পৰা গুৰুত্ব প্ৰদান কৰা উচিত। সেই ক্ষেত্ৰত অশিক্ষিত অবিভাবক সকল সম্পূৰ্ণ অজ্ঞ। সেয়ে সেইখিনিত শিক্ষকৰ ভূমিকা অতিকৈ গুৰুত্বপূৰ্ণ। কিন্তু অকল মাহটোৰ দৰমহাটোলৈ অপেক্ষা কৰি থকা এচাম শিক্ষকে পাহৰি পেলাইছে তেওঁলোকৰ দায়ীত্বৰ কথা, সমাজ জীৱনত তেওঁলোকৰ ভূমিকাৰ কথা। তাৰ বিপৰীতে সেইচাম শিক্ষকে চিন্তা কৰিবলৈ লৈছে- কাক, কোন দলক শাসনত বহুৱালে দৰমহা নিয়মীয়া হব। সস্তীয়া ৰাজনীতিৰ বক্তা সেইচামেই আজি মিচিং সমাজক নেতৃত্ব দিছে। কিন্তু তাৰ মাজতো কিছুমান দায়ীত্বশীল, সৎ, নিষ্ঠাবান শিক্ষকে স্বাৰ্থ ত্যাগেৰে দায়ীত্ব পালন | কৰি আহিছে। সুন্দৰ সমাজ এখন গঢ়াৰ সপোন দেখিছে। কিন্তু তেওঁলোকৰ সংখ্যা তেনেই নগন্য। এখন সুস্থ আৰু উন্নত সমাজ গঢ়াৰ ক্ষেত্ৰত শিক্ষক সকলৰ ভূমিকাই সৰ্বাধিক। সেয়ে আজি প্ৰয়োজনীয়তা আহি পৰিছে "মিচিং শিক্ষক সন্মিলনৰ" আৰু য'ত | চৰ্চিত আৰু ৰচিত হব এক উন্নত জাতি গঢ়াৰ শুদ্ধ পৰিকল্পনা। তেনে উদ্যোগ সৎ নিষ্ঠাবান শিক্ষকৰ পৰাই অতি সোনকালে আৰম্ভ নহ'লে অপূৰণীয় ক্ষতি জাতিটোৱে বহন কৰিবলগীয়া হ'ব । যিহেতু আজি মিচিং এলেকাৰ স্কুলসমূহৰ ৯০ শতাংশই মিচিং শিক্ষক। পৰীক্ষা পাচৰ ধাৰণাৰে শিক্ষা প্ৰদান কৰি থাকিলে চাকৰি সৃষ্টি বিহীন দেশত গাঁৱৰ পৰা শিক্ষা লাভ কৰা ল'ৰা-ছোৱালীয়ে টাউনীয়া অধ্যয়নশীল ছাত্ৰ-ছাত্ৰীৰ লগত প্ৰতিযোগিতাত ফেৰ মাৰিব পাৰিবনে ? চৰকাৰী চাকৰি ক্ৰয়-বিক্ৰয়ৰ যুগত গাঁৱৰ দুখীয়া মাক বাপেকে নিজৰ ল'ৰা-ছোৱালীৰ কাৰণে চাকৰি যোগান | ধৰিবলৈ সক্ষম হবনে ? আনহাতে ফোপোলা জ্ঞানৰ ভাণ্ডাৰ এটি লৈ সৎ পন্থাৰে জীবিকা এটি আহৰণৰ সাহসকনো তেনে শিক্ষাৰে শিক্ষিত যুৱচামৰ নাথাকিব ।

**চৰকাৰী বিভাগ আৰু পঞ্চায়তী ৰাজ ব্যৱস্থা :-**

দেশৰ উন্নয়নৰ কাৰণে কোটি কোটি টকা ব্যয়েৰে প্ৰতিষ্ঠিত কিছুমান বিভাগ বৰ্ত্তমান চৰকাৰী বগা হাতীত পৰিণত হৈ আছে। গ্ৰাম্য প্ৰধান মিচিং সমাজত বিশেষকৈ কৃষি, পশু পালন, মীন, হস্ত-তাঁত ও বস্ত্ৰ শিল্পৰ লগত সম্পৰ্কিত। কিন্তু সেই বিভাগীয় কতৃপক্ষসমূহ জনগণৰ সেৱাৰ বাবে নহৈ দৰমহাৰ তাগিদাত হে কাগজে কলমে কৰ্ত্তব্য ৰূপায়ন কৰি আছে। গ্ৰাম্য সমাজক কাৰিকৰী দিশত দক্ষতা বৃদ্ধিৰে দেশৰ উৎপাদন বৃদ্ধিত অইন ৰাজ্যত যিমান গুৰুত্ব দিয়া হৈছে তাৰ তুলনাত আমাৰ অসম মুলুকত জনগনৰ সজাগহীনতাৰ সুযোগ লৈ চৰকাৰী বিভাগসমূহ দৰমহা ভোগী বিভাগলৈহে ৰূপান্তৰিত হৈছে। উল্লেখিত বিভাগ সমূহত চৰকাৰী পক্ষক হেচাঁ প্ৰয়োগেৰে সজাগতা আৰু দক্ষতা বৃদ্ধিৰে কৰ্ম সংস্থানৰ পথ মুকলি নকৰিলে এটা দশকৰ পাচত মিচিং সকলে ৯৯ শতাংশ নিবনুৱাৰ বোজা বহন কৰিবলগীয়া হ'ব।

অন্যহাতে চৰকাৰী গ্ৰাম্য উন্নয়ন বিভাগে গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নত গুৰুত্ব দিলেও মিচিং গ্ৰাম্য এলেকাত উন্নয়নক বিশেষ ত্বৰান্বিত কৰিব পৰা নাই। বিশেষকৈ গাঁৱৰ প্ৰয়োজনীয়তাক নিৰ্ণীত কৰি উন্নয়নক ত্বৰান্বিত কৰাৰ প্ৰয়াসক কিছুমান সুবিধাবাদী ৰক্ষক আৰু নেতৃত্ব ধাৰীয়ে ভৰিৰে মুহাৰি নিজ খেয়াল-খুচি মতে পৰিচালনা কৰিবলৈ লৈছে। ৰাজনৈতিক দণ্ড ধাৰী দুৰ্নীতি ৰক্ষকে ৰাজনৈতিক সুবিধাবাদৰ লক্ষ্যত ওপৰৰ পৰাই হেঁচা প্ৰয়োগ কৰি নিৰ্বাচিত এজেন্ট, ঠিকাদাৰ আদিৰ দ্বাৰা কাম সম্পন্ন কৰায়। ফলত ২০ শতাংশ কাম কৰি বাকী টকা সমূহ কুক্ষিগত কৰিছে। দৰিদ্ৰ গ্ৰাম্য সমাজৰ প্ৰতিবাদ কৰাৰ জ্ঞান আৰু সাহস নাই। তেওঁলোক নীৰৱ দৰ্শক মাথোন। কৰিলেও ৰাজনৈতিক মেৰচক্ৰত উচিত বিচাৰ জনগনে পাব নোৱাৰে ।

**নাৰী আৰু সমাজঃ**

মিচিং পৰিয়ালৰ মুঠ ঘৰুৱা উৎপাদনৰ সিংহভাগেই ঘৰৰ মহিলাসকলৰ দ্বাৰা সম্পাদন হয়। তথাপি মৰ্য্যদাপূৰ্ণ জীৱন এটি গাঁৱৰ মহিলা সকলে নাপায়। সমাজত নাৰীসকলক উৎপাদনৰ আহিলা হিচাপে গন্য কৰা সমাজ ব্যৱস্থাত এতিয়াও কন্যা সন্তানৰ বাপেকৰ সম্পত্তিৰ ওপৰত অধিকাৰ নাই। পৰম্পৰাগত ধ্যান ধাৰনাৰে পৰিচালিত সমাজ ব্যৱস্থাত কন্যা সন্তানক স্বাৱলম্বি কৰি গঢ়ি তোলাৰ বিপৰীতে যৌৱন প্ৰাপ্তিৰ লগে লগে বিয়া দি কন্যা দায়গ্ৰস্ততাৰ পৰা দায় সৰাৰ কথাহে গাঁৱৰ মাক-বাপেকে ভাবে। ফলত কম বয়সত বিয়া সোমালেও মাক বাপেকে দায় ধৰা ভাব এটি লৈ সন্তুষ্টিহে প্ৰকাশ কৰা দেখা



যায়। ব্যক্তি কেন্দ্ৰিক চিন্তাধাৰাত ব্যস্ত মিচিং পাৰিবাৰিক গ্ৰাম্য জীৱনত নিজৰ লগতে সামাজিক দায়বদ্ধতা তথা এক সৃজনশীল সুন্দৰ সমাজ গঢ়াৰ কল্পনা বা দায়ীত্ববোধ পৰিলক্ষিত নহয় । এফালে কম বয়সত বিবাহ আৰু আনফালে অত্যাধিক শ্ৰম আৰু দৰিদ্ৰতাই অকালতে যৌৱনক কাঢ়ি নিয়াত বহুতো আবিয়ৈ গাভৰৰ সৃষ্টিয়ে| সমাজ জীৱনত এক ডাঙৰ সমস্যাৰ সৃষ্টি কৰিছে। প্ৰগতিশীল সমাজ এখনৰ প্ৰস্তাৱনাৰে আজিৰ যুৱচামে শিক্ষিতে অশিক্ষিতৰ লগত, চাকৰিয়ালে চাকৰি বিহীনৰ স'তে আৰু ধনীয়ে দুখীয়াৰ| লগত বিবাহ কাৰ্য্য সম্পন্ন কৰিলেহে গতিশীল উন্নত সমাজ এখন কম সময়ৰ ভিতৰতে গঢ় দিব পাৰিব।|

**স্বাস্থ্য আৰু খাদ্যভ্যাস :-**

পুৰুষ বিলাকৰ তুলনাত গাওঁ সমাজৰ মহিলা সকলৰ স্বাস্থ্য কম বয়সতে বিভিন্ন ৰোগত আক্ৰান্ত হোৱা পৰিলক্ষিত হয়। এই ক্ষেত্ৰত অধিক শ্ৰম, স্বাস্থ্য সম্পৰ্কে সজাগতা নথকা আৰু ভিটামিন যুক্ত খাদ্যৰ অভাৱৰ বাধা ঘটে। গাওঁ ব্যৱস্থাত (ৰবি সময়ৰ বাদে ) গোটেই বছৰৰ বাবে শাকনিবাৰী এখন পতাৰ ব্যৱস্থা নাৰাখে। বজাৰ আৰু ক্ৰয় ক্ষমতাৰ অভাবৰ বাবে সহজলভ্য বনৰীয়া একেবিধ শাককে সদায়ে ভোজন কৰিবলগীয়া হোৱাত, ক্ৰমাত জনসংখ্যা বৃদ্ধিৰ হেঁচাত জংগলবোৰৰ লগতে বিল পুখুৰীত মাছ নোহোৱা হোৱাত, প্ৰয়োজনীয় পুষ্টিকাৰী শাক-পাচলি সহজলভ্য নোহোৱা হেতু গাঁৱৰ মানুহৰ অত্যাধিক স্বাস্থ্য অৱনতিৰ লগতে শিশু সকলৰ মানসিক গঠন প্ৰক্ৰিয়াত বিৰূপ প্ৰতিফলন দেখা গৈছে। তাৰোপৰি মদৰ প্ৰচলনে গাঁৱৰ পৰিবেশ বিনষ্ট কৰাৰ লগতে মানুহবোৰৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটাইছে। মিচিং সকলে আপং| ব্যৱহাৰক সংস্কৃতিৰ এটি অংগ বুলি ধাৰণা কৰে । কিন্তু বিশ্বৰ কোনো এটি জাতিয়ে মাদক দ্ৰব্যক সংস্কৃতিৰ অংগ হিচাপে গ্ৰহন কৰা নাই নিশ্চয়। আপঙক মিচিং ঘৰৰ পৰা যেতিয়ালৈ বৰ্জন কৰিব নোৱাৰে তেতিয়ালৈ জাতিটোৰ প্ৰগতিত স্থবিৰতা থাকিবই। আপং প্ৰচলনে স্বাস্থ্যৰ লগতে অৰ্থনিতিক ভাবেও সমাজক জুৰুলা কৰিছে। আপং নিবাৰণক লৈ এটি সবল জনমত গঠন কৰিব নোৱাৰিলে তাৰ ক্ষতিৰ বোজা গোটেই জাতিটোৱেই বহন কৰিব লাগিব। পৰম্পৰাগত সকাম অনুষ্ঠান আদিত অত্যাধিক মদৰ প্ৰচলন, আপং হেৰালে জাতিটোৱেই হেৰাব আৰু আপঙক সংস্কৃতিৰ অংগ বুলি কৰা ধাৰণাক ভূল প্ৰতিপন্ন কৰিবই লাগিব । নহ'লে ৰাতিৰ অন্ধকাৰত গোলপীয়া নিচাত মত্ত হৈ বনৰীয়া হিংস্ৰ জন্তুৰ স'তেও যুঁজাৰ সাহসে পুৱাৰ ফেহুঁজালি দিয়াৰ লগে লগে পলাই পত্ৰং দিয়াৰ পাছত মুৰ আচন্দ্ৰাই কৰি দিনটো জুপুকা মাৰি থকা মানুহটোৰ দৰে অৱস্থা গোটেই জাতিটোৰে হ'ব। বৰ্ণময় সাংস্কৃতিক পথাৰৰ অধিকাৰি মিচিং সকল। সু-সংগঠিত চৰ্চাৰে গতিলাভ কৰা সংস্কৃতি আজি সু-প্ৰতিষ্ঠিত। শৃংখলাবদ্ধ বাবে সংস্কৃতিৰ নিয়ন্ত্ৰন নাৰাখিলে ইয়াৰ বিচ্যুতি ঘটি অপ-সংস্কৃতিত পৰ্য্যবসিত হবলৈ বেছি পৰ নালাগে। সংস্কৃতিৰ ধ্বজ্জাবাহক সকলে এই ক্ষেত্ৰত দৃষ্টি ৰখাটো তেখেত সকলৰ দায়ীত্ব বুলি গন্য কৰিব লাগিব । সৌ সিদিনালৈকে ৰেডিঅ'তে শুনি থকা ঐনিঃতম, আনু নিঃতম বোৰ কম সময়ৰ ভিতৰত বিস্তৃতি লভিবলৈ সক্ষম হৈছে। অত্যাধুনিক ইলেক্ট্ৰনিক মাধ্যমৰ দ্বাৰা নিয়ন্ত্ৰিত সংগীত ব্যৱস্থাত নিজস্ব শৈলীৰ সংগীতক অতিক্ৰমী আধুনিকতাৰ সাজ পিন্ধাবলৈ গ'লে স্বকীয় বৈশিষ্টৰ নাম নাথাকিব। নতুন সৃষ্টিয়েই সংস্কৃতিৰ উত্তৰণ যদিও সেই ক্ষেত্ৰত নিজস্বতাক সম্পূৰ্ণ বৰ্জন কৰিলে তাত জাতীয় সংস্কৃতিৰ ধাৰাক

বিচাৰি পাবলৈ নাথাকে। তেনেদৰে দৃশ্য শ্ৰাব্য মাধ্যমতো মিচিং সমাজ জীৱনৰ লগত সংগতি নাৰাখি মিচিং ভাষা আৰু কাপোৰ-কানি ব্যৱহাৰ কৰিলেই সংস্কৃতি ৰক্ষা কৰা ছবি নুবুজাই। জাতিটোৰ আবেগ অনুভূতি আৰু জীৱন ধাৰণৰ লগত সম্পৰ্ক বিহীন কাহিনী এটি লৈ ব্যৱসায় মুখী চিনেমা এখনে সমাজৰ একো উপকাৰ কৰিব নোৱাৰে। সেয়ে সেইবোৰ চোৱা চিতা কৰিবলৈ মিচিং সবল সংগঠনৰ প্ৰয়োজনীয়তা আজি আহি পৰিছে। যিহেতু দৃশ্য-শ্ৰাব্য ব্যৱস্থাৰ দৰে সতকাই প্ৰভাৱিত কৰিব পৰা **শক্তিশালী** মাধ্যমক সমাজৰ সজাগতা তথা উত্তৰণৰ ঠাইত প্ৰয়োগ কৰিলে অধিক সুফল পাব পৰা যাব। তাৰ বিপৰীতে সুবিধাবাদী, লুণ্ঠন মুখীতাৰে সাংস্কৃতিক মাধ্যমক ব্যৱহাৰ কৰিলে সমাজ আৰু সংস্কৃতিৰ ধাৰা বিচ্যুতি ঘটিবলৈ বেছি পৰ নালাগিব । ভোগবাদৰ চিন্তাৰে সংস্কৃতিক পৰিচালনা কৰাক নিয়ন্ত্ৰন কৰিবলৈ সাংস্কৃতিক অনুষ্ঠান, সন্থা সমূহে সদায় সজাগ থকাটো যুগুত ।

আজিৰ সময়ত প্ৰতিটো কৰ্মৰ প্ৰতিটো ক্ষণত প্ৰতিফলিত আৰু ধ্বনিত হব লাগিব সমাজ উত্তৰণৰ, সমাজ সংস্কাৰৰ কন্ঠ তেহে জাতিটোৰ উত্তৰণ বিৱৰ্ত্তনৰ লেহেমীয়া গতিক অতিক্ৰম কৰি বৈপ্লবিক পৰিবৰ্ত্তনৰ মুখ দেখিব। সময়ৰ দাবীক মানি লৈ, সমাজ প্ৰগতিৰ শ্লোগানক ৰাজনৈতিক দাবী সাব্যস্ততে সীমাবদ্ধ নাৰাখি আজি মিচিং জাতিক কু-সংস্কাৰ মুক্ত, গতিশীল উন্নত সমাজলৈ উত্তৰণ ঘটাবলৈ হ'লে বিৰাট বিপ্লৱ এটাৰ প্ৰয়োজনীয়তা আহি পৰিছে। যিটো বিপ্লৱৰ ঢৌয়ে জাতিটোৰ আৰ্থ-সামাজিক, শৈক্ষিক, বৌদ্ধিক, ৰাজনৈতিক আৰু সাংস্কৃতিক দিশক টৌৱাই যাব।



# সংকটত মিচিং সমাজ আৰু সংস্কৃতি

**ড০ দুৰ্গেশ্বৰ দলে, ডিব্ৰুগড়।**

এসময়ত মিচিং মানুহে খেতি-বাতি কৰি নিজৰ প্ৰয়োজনীয় | সকলো বস্তু নিজেই উৎপাদন কৰি লৈছিল । ভাত, কাপোৰ, ঘৰ-দুৱাৰ আৰু অন্যান্য সকলো বস্তু নিজেই যোগাৰ কৰি লৈছিল। সমাজতকিবা সমস্যা হ'লেও সেইবোৰ ৰাইজে মিলি সমাধা কৰি | লৈছিল। ন্যায়-অন্যায়ৰ বিচাৰ ৰাইজেই কৰিছিল। আনকি মানুহক হত্যা কৰা জঘন্য অপৰাধকো গাঁৱৰ ৰাইজে বিচাৰ কৰি দণ্ড দিছিল । এনেবোৰ কাৰ্য্যৰ বাবে চৰকাৰী পুলিচ বা কাছাৰীৰ ওচৰ চপা | নাছিল। ধৰ্মীয় কাম-কাজো নিজৰ মানুহৰ দ্বাৰাই সম্পন্ন কৰিছিল । কাৰোবাৰ ঘৰত কিবা আকস্মিক বিপদ-আপদ হলে গাঁৱৰ ডেকা- গাভৰুহ'তে মিলি সকলোধৰণৰ প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াইছিল। নিজৰ জাতীয় উৎসৱ-পাৰ্ব্বনো নিজৰ ভাগেই | অতি উলহ-মালহেৰে উদ্যাপন কৰিছিল। এইদৰে মিচিং সকলে সকলো দিশত আত্মনিৰ্ভৰশীল হৈ এক প্ৰকাৰ স্বাধীন জীৱন-যাপন | কৰিছিল। মাটিৰ খাজনা দিয়াৰ বাহিৰে চৰকাৰৰ লগত তেওঁলোকৰ বিশেষ সম্পৰ্কই নাছিল ।

কিন্তু বৰ্তমান মিচিঙৰ সেই অৱস্থা নাই। দেশ স্বাধীন হ'ল | যদিও তেওঁলোকে সকলো দিশতে পৰনিৰ্ভৰশীল হৈ আহিছে। | প্ৰাকৃতিক দুৰ্যোগ বিশেষকৈ বানপানী আৰু গৰাখহনীয়াৰ ফলত | বহু সংখ্যক মিচিং মানুহ গৃহহীন ভূমিহীন হৈ পৰিল। তেওঁলোকৰ পুনৰ সংস্থাপনৰ কোনো ব্যৱস্থা আজিলৈকে নহ'ল। গতিকে এই | সকল মানুহে এডোখৰ কাপোৰ আৰু এমুঠি ভাতৰ বাবে দিহিঙে দিপাঙে ঘুৰি দিন-হাজিৰা কৰি বা আন মানুহৰ দাস-দাসীৰ দৰে | চাকৰ খাটি জীয়াই থাকিবলগীয়া হৈছে। কিছুমানে আকৌ মদ- | মাংস বিক্ৰী কৰি বা প্ৰবঞ্চনামূলক কামত লিপ্ত হৈ ভাত-কাপোৰ মুকলি কৰিবলগীয়া হৈছে। কিছুমানে আনৰ বয়-বস্তু কঢ়িয়াই দি | দিনৰ ভাত মুঠি যোগাৰ কৰিবলগীয়া হৈছে। এইদৰে এসময়ত | যিবোৰ কাম মিচিঙে কল্পনা কৰিব নোৱাৰিছিল বা অতি নীচ কাম বুলি ভাবিছিল আজি তাতেই তেওঁলোকে আত্মনিয়োগ কৰিবলগীয়া হৈছে।

ভাৰত স্বাধীন হোৱাৰ পিছত মিচিং মানুহৰ মাজতো লিখা- পঢ়া মানুহৰ সংখ্যা বহুখিনি বাঢ়িল। বহুতেই উচ্চ শিক্ষা লাভ কৰিছে। তথাপি মিচিং মানুহৰ অৰ্থনৈতিক অৱস্থা সামগ্ৰিক ভাবে উন্নত হোৱা নাই। কাৰণ এফালে শিক্ষিতৰ সংখ্যা বাঢ়িল যদিও আনফালে নিবনুৱাৰ সংখ্যাও বাঢ়িল। বৰ্দ্ধিত নিবনুৱা সকল পৰিয়াল তথা সমাজৰ বাবে ডাঙৰ বোজা হৈ পৰিল। এই নিবনুৱাসকলে খেতি-বাতিও কৰিব নোৱাৰা হ'ল। বেপাৰ-বাণিজ্য কৰিবলৈকো মূলধন আৰু সুবিধাৰ অভাৱ। বেপাৰ-বাণিজ্য কৰিবলৈ সামাজিক পৰম্পৰাৰো আৱশ্যক, যিটো মিচিঙৰ নাই ।

মিচিং সমাজৰ আৰ্থিক অৱস্থা উন্নত হোৱাত সহায় কৰিবৰ বাবে মিচিং স্বায়ত্বশাসিত পৰিষদ গঠন কৰি দিয়া হৈছে। কিন্তু এইটো কোনো কামত অহা নাই। কাৰণ ইয়াত যিবোৰ আঁচনি গ্ৰহণ কৰা হৈছে সেইবোৰ উন্নতিমূলত নহয়।

কেইখিলামান টিনপাত, কেইটামান নলীনাদ, কেইমুঠিমান সূঁতা আদি বিতৰণ কৰি বা কেইটামান সৰু সৰু বাট-পথ বা বাঁহ কাঠৰ দলং নিৰ্মাণ কৰি বা সংস্কৃতিৰ উন্নয়নৰ নামত কেইটামান বস্তু দি সমাজৰ আৰ্থিক অৱস্থা উন্নত কৰিব নোৱাৰি। এইবোৰৰ সলনি যদি সংস্থানমূলক আঁচনি যেনে বিভিন্ন ধৰণৰ দোকান,তিনিচকীয়া ৰিক্সা, থেলা, বয়ন উদ্যোগ আদি আঁচনি - যিবোৰৰ পৰা মানুহৰ স্থায়ী বা নিয়মীয়া উপাৰ্জন হয় তেনে আঁচনিৰ বাবেহে আৰ্থিক সাহায্য আগবঢ়াব লাগে। তাকে নকৰি বৰ্ত্তমান যিধৰণে পৰিষদে বছৰি লাখ লাখ টকা খৰছ কৰিছে তাৰ পৰা পৰিষদৰ সদস্য, ঠিকাদাৰ আৰু কিছুমান বস্তু যোগানকাৰীৰহে লাভ হৈছে বুলি ৰাইজে সমালোচনা কৰিছে। গতিকে নিজৰ স্বায়ত্ব



পৰিষদৰ পৰাও মিচিং মানুহে সকাহ পোৱা নাই ।

ভূতৰ ওপৰত দানব পৰাৰ দৰে মিচিং মানুহৰ মাজত এনে কিছুমান ক্ৰিয়াকাণ্ড আহি পৰিল যিবোৰৰ পৰা তেওঁলোকৰ আৰ্থিক অৱস্থাৰ ওপৰত যথেষ্ঠ হেঁচা পৰাৰ উপৰিও সমাজ| বিশৃঙ্খল হৈ পৰিছে। এসময়ত মিচিং সকলৰ সীমিত পূজা-পাৰ্বন ভি আৰু উৎসৱ প্ৰচলিত আছিল। যেনে দবুৰ, দদ্‌গাং, আলি আই| লিগাং, পৰাগ, তালেং উই ইত্যাদি। এইবোৰ কিছু ব্যয়বহুল হলেও  নিজৰ উৎপাদিত সামগ্ৰীৰেই সকাম বা উৎসৱবোৰ পালন| কৰিছিল। এইবোৰ বৰ্ত্তমানেও প্ৰচলিত হৈ আছে। কিন্তু এইবোৰৰ লগত এনে কিছুমান ক্ৰিয়া কাণ্ড, উৎসৱ পাৰ্ব্বন সংযোগ হ'ল যিবোৰ মিচিং মানুহৰ পৰম্পৰা বা কৃষ্টিত নাছিল। যেনে দুৰ্গা পূজা, লক্ষ্মী পূজা, অন্যান্য গ্ৰহ পূজা, সাতজনীয়া, নজনীয়া ইত্যাদি। এই বিলাকৰ উপৰিও মৃতলোকৰ| বাবে বছৰেকীয়া বা| তিথি, ইংৰাজী ভোজ খোৱা, দুৰ্গা মূৰ্ত্তি বিসৰ্জন দিয়া, দশমীৰ দিনা ভোজ খোৱা| আদি নানাধৰণৰ উৎসৱ পাৰ্ব্বন মিচিঙে পালন কৰিবলৈ লৈছে। মাঘৰ বিহুত ভোজ খোৱাৰ প্ৰায় এমাহ মানৰ পিছতেই আলি| আয়ে লিগাং পাতি ভোজ ভাত খায়। ইফালে কাতি বিহু আৰু| বহাগ বিহু আছেই। এইবিলাকৰ উপৰিও সৰু সুৱা সকাম-নিকাম| আছেই। পাঁজিপুথি চাই ব্ৰাহ্মণক দান দক্ষিণা দিয়াও প্ৰচলিত হৈ আছে। এইদৰে মিচিঙে আনৰ পৰা ধাৰ কৰি নতুন নতুন উৎসৱ, নীতি-নিয়ম নিজৰ লগত সংযোগ কৰি আহিছে। এ্িবোৰৰ পৰা| মানুহৰ আৰ্থিক অৱস্থাত কিমান হেঁচা পৰে তাক হয়তো উপলদ্ধি কৰা নাই। বৰ্ত্তমান যি সকল সাধুবুঢ়াই দদ্‌গাং আদি সকাম কৰে তেওঁলোকে প্ৰত্যেকেই নিজৰ নিজৰ অভিৰুচিমতে অনেক নিয়ম নীতি পালন কৰিবলৈ সকাম কৰা পৰিয়ালৰ ওপৰত হেঁচা দিয়ে। যেনে - দুই-তিনিটা বা ততোধিক গাহৰি কটা, দান-দক্ষিণা দিয়া, মূল সকামৰ লগতে আৰু কেইটামান সকাম কৰা ইত্যাদি । বৰ্ত্তমান| মিচিং দদ্‌গাং মানে খোৱা-বোৱা আৰু নাচ-গানৰ একোটা মেলা য'ত কেবালাখো টকা খৰছ কৰিবলগীয়া হয়। মিচিঙে আগতে যুৱ মহোৎসৱ দহা-কাজত মূৰ খুৰোৱা নাছিল। কিন্তু এতিয়া খুৰায়। বিয়া-বাৰুতো নতুন কিছুমান নিয়ম সংযোগ কৰিবলৈ লৈছে। যেনে আঙুঠি পিন্ধোৱা উৎসৱ (Ring Ceremony), জুৰণ দিয়া, দৰাই কন্যা ঘৰৰ আৰু কন্যাই দৰা ঘৰৰ মানুহক মান ধৰা ইত্যাদি। এই সকলোবোৰ ক্ৰিয়া-কাণ্ডই পৰিয়ালৰ খৰছৰ মাত্ৰা যথেষ্ঠ বৃদ্ধি কৰিছে।

ধৰ্মৰ ক্ষেত্ৰতো মিচিং আজি কেবা ভাগত বিভক্ত। যেনে -কেৱলীয়া, ভাগৱতীয়া, অনুকুলীয়া, খ্ৰীষ্টীয়ান, দঞি-পঃল' ইত্যাদি। বিভিন্ন ধৰ্মত বিভক্ত হোৱা মানেই বিভিন্ন ধৰণৰ বিপৰীতমুখী নীতি-নিয়ম প্ৰচলন কৰা। ফলত মিচিঙৰ নিচিনা একোটা ক্ষুদ্ৰ সমাজ সামাজিকভাবে দুৰ্ব্বল হোৱা। প্ৰসংগক্ৰমে এইটো উল্লেখ কৰিব পাৰি যে বৰ্ত্ত মান কিছুমান মিচিঙে পূৰ্ব্ব পুৰুষৰ কিবা বিষয়ৰ ভিত্তিত নিজৰ উপাধি লেখা দেখা যায়। যেনে - মেধি, সাতুলা, শইকীয়া, গাম ইত্যাদি। এনে উপাধি পৰা মানুজনৰ প্ৰকৃত বংশ পৰিচয় পোৱা নাযায়। ফলত বিয়াৰ ক্ষেত্ৰত জটিল সমস্যা সৃষ্টি হ'ব পাৰে। কাৰণ মিচিং মানুহে একে বংশৰ (Clan) মোজত বিয়া পাতিব বা যৌন সম্পৰ্ক ৰাখিব নোৱাৰে। এনে কৰ্মক মহা পাপ বুলি ধৰা যায়। কিন্তু এজন পেগু বংশৰ ল'ৰাই পেগু নিলিখি অমুকা মেধি বা সাতুলা বা গাম বুলিহে লিখে তেন্তে সেইজনৰ লগত কোনোবা পেগু ছোৱালীৰে যৌন সম্পৰ্ক ঘটিব পাৰে বা সময়ত বিয়া হ'ব পাৰে বুলিয়ো ক'বগৈ পাৰে। যদি এইটোৱে ঘটে তেন্ত সমাজত কেনে ধৰণৰ সমস্যা সময়ত সৃষ্টি হ'বগৈ পাৰে এইটো সহজে অনুমান কৰিব পাৰি। বিয়াৰ ক্ষেত্ৰত ইতিমধ্যে কিছুমান বিভ্ৰাট ঘটিবলৈ

আৰম্ভ কৰিছেই। মিচিঙৰ মাজত এনে কিছুমান বংশৰ সমূহ (clan group) আছে যিসকলৰ মাজত বিয়াবাৰু বা যৌন সম্পৰ্ক ঘটিব নোৱাৰে। যেনে দলে, কুলি, কুটুম, কমান কুম্বাং, টায়ে, ৰেগন আদি একে বংশৰ নহ'লেও তেওঁলোকৰ মাজত বিয়া হ'ব নোৱাৰে। সেইদৰে পেগু, পাইট, পাতিৰ, মেদক আদিৰ মাজত বিয়া নহয়। অতীতৰ পৰা এনে গোট সমূহৰ মাজত ভাই-ভগ্নীৰ সম্পৰ্ক ৰাখি অহা হৈছে। কিন্তু আজি কিছু দিনৰ পৰা কিছুমানে নিজৰ ব্যক্তিগত

## বৰ্ত্তমান মিচিং সমাজত দেখা দিয়া অন্যতম সমস্যা হ'ল-জাতীয়তাবোধৰ অভাৱ । মিচিঙে মিচিঙৰ উন্নতিৰ বাবে চিন্তা নকৰাৰ প্ৰৱণতাই দেখা দিছে। ইয়াৰ স্পষ্ট প্ৰমাণ হ'ল এই যে মিচিং অঞ্চলত প্ৰতিষ্ঠা কৰা শিক্ষানুষ্ঠানবোৰৰ দুৰৱস্থা । এই শিক্ষানুষ্ঠানৰ প্ৰায়বোৰ মুৰব্বী আৰু শিক্ষক মিচিং মানুহ। তথাপি এই অনুষ্ঠানবোৰৰ অৱস্থা সকলো দিশৰ পৰাই শোচনীয়। মিচিং অঞ্চলত প্ৰতিষ্ঠা কৰা কিছুমান শিক্ষানুষ্ঠানৰ নাম শুনা যায় য'ত–অসৎ উপায়েৰে পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ মুকলি ব্যৱসায় চলে। এনে মাৰাত্মক কামৰ কুফল মিচিং ল'ৰা-ছোৱালীয়েই বেচিভাগ ভুগিছে।



বিচাৰ মতে এইবোৰ নিয়ম ভংগ কৰিবলৈ লৈছে। ইয়াৰ পৰিণাম যে বেয়া হ'ব তাত কোনো সন্দেহ নাই। সমাজত যৌন-সম্পৰ্কীয় | ব্যভিচাৰে দেখা দিব । ফলত সমাজ দুৰ্ব্বল হৈ পৰিব ।

বৰ্ত্তমান মিচিং সমাজত দেখা দিয়া অন্যতম সমস্যা হ'ল - জাতীয়তাবোধৰ অভাৱ। মিচিঙে মিচিঙৰ উন্নতিৰ বাবে চিন্তা | নকৰাৰ প্ৰৱণতাই দেখা দিছে। ইয়াৰ স্পষ্ট প্ৰমাণ হ'ল এই যে মিচিং অঞ্চলত প্ৰতিষ্ঠা কৰা শিক্ষানুষ্ঠানবোৰৰ দুৰৱস্থা। এই | শিক্ষানুষ্ঠানৰ প্ৰায়বোৰ মুৰব্বী আৰু শিক্ষক মিচিং মানুহ । তথাপি | এই অনুষ্ঠানবোৰৰ অৱস্থা সকলো দিশৰ পৰাই শোচনীয় । মিচিং অঞ্চলত প্ৰতিষ্ঠা কৰা কিছুমান শিক্ষানুষ্ঠানৰ নাম শুনা যায় য'ত- অসৎ উপায়েৰে পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ মুকলি ব্যৱসায় চলে। এনে মাৰাত্মক কামৰ কুফল মিচিং ল'ৰা-ছোৱালীয়েই বেচিভাগ ভুগিছে। এইদৰে মিচিং চৰকাৰী বিষয়াই মিচিং মানুহক ভুমি পট্টন বা অন্য চৰকাৰী সাহাৰ্য্য পোৱাৰ পৰা বঞ্চিৎ কৰাৰ কথা শুনা যায়। মিচিং অঞ্চলত বান-নিয়ন্ত্ৰণৰ বাবে মথাউৰি বন্ধাৰ ঠিকা মিচিঙেও পাইছে। কিন্তু তেওঁলোক অত্যাধিক লাভৰ আশাত নিম্ন মানৰ কাম কৰাৰ ফলত সেই বান্ধবোৰ সহজে বানপানীত ছিগি শ শ মিচিঙক সৰ্ব্বস্ৰান্ত কৰিছে। ৰাজনৈতিক নেতা সকলেও নিজে এম.এল.এ., মন্ত্ৰী হোৱাৰ আশাত মিচিঙৰ স্বাৰ্থৰ প্ৰতি পিঠি দি কোনো সৰ্ব্বভাৰতীয় বা আঞ্চলিক ৰাজনৈতিক দলৰ প্ৰতিহে বেচি আনুগত্য দেখুৱাই কাম কৰে। আমাৰ বহু শিক্ষক, চৰকাৰী বিষয়া আৰু ৰাজনৈতিক নেতাই অনুভৱ নকৰে যে মিচিঙে মিচিঙৰ | বাবে চিন্তা নকৰিলে আনে কিয় কৰিব। সৰ্ব্বভাৰতীয় বা সমগ্ৰ অসমৰ কথা চিন্তা কৰিয়ো নিজৰ মিচিঙৰ কথা চিন্তা কৰিব পাৰো। মিচিঙে মিচিঙৰ বাবে চিন্তা কৰি কাম কৰিলে সংকীৰ্ণ সাম্প্ৰদায়িকতাৰ কথা নুবুজায়। বৰং যুগ যুগ ধৰি পিছ পৰি থকা দুৰ্ব্বল জনগোষ্ঠীৰ বাবে কাম কৰাটোৱে মহত্বকে বুজায়। আমি এই কথা মনত ৰাখিব লাগিব যে সৰু সৰু জাতি-সত্বাবোৰৰ উন্নতি চতুৰ্থ মিচিং যুৱ মহোৎসৱ হ'লেহে অসম তথা ভাৰতৰ উন্নতি হ'ব। এটা দুৰ্ব্বল ৰোগীয়া অংগ লৈ এটা শক্তিশালী সুস্থ শৰীৰ হ'ব নোৱাৰে।

ওপৰত উল্লেখ কৰা অৱস্থাৰ পৰাই বুজা যায় – আজি মিচিং সমাজ কোনফালে গতি কৰিছে। এই সমাজৰ ভবিষ্যত কি - এইটো এটা ডাঙৰ প্ৰশ্ন হৈ পৰিছে। গতিকে যুব সমাজে এনে প্ৰশ্নৰ উত্তৰ সম্পৰ্কে চিন্তা কৰিবৰ হ'ল। বৰ্ত্তমান আমাৰ প্ৰয়োজন হৈছে সংস্কাৰমুখী আন্দোলন। সমাজত প্ৰচলিত হৈ থকা কুসংস্কাৰ বিশেষকৈ তথাকথিত ধৰ্মীয় প্ৰথা বা ক্ৰিয়া কাণ্ড আৰু অপসংস্কৃতিবোৰ বন্ধ কৰিবৰ বাবে চেষ্টা চলাব লাগিব। সাধু- ভকতে মদ-গাহৰি খাই সকাম-নিকাম কৰাৰ কোনো অৰ্থ থাকিব নোৱাৰে। বৰ্ত্তমান সকামৰ নামত যিবোৰ ক্ৰিয়া-কাণ্ড প্ৰচলিত হৈ আছে এইবোৰ অন্ধবিশ্বাসৰ সুযোগ লৈ মদে সাংসই ভোজ ভাত খোৱাৰ ব্যৱস্থাহে হৈছে। এইবোৰ কুসংস্কাৰ থাকে মানে মিচিং সমাজৰ কেতিয়াও উন্নতি নহ'ব।

গতিকে শিক্ষিত যুৱকসকলে এনে কুসংস্কাৰ আঁতৰাবৰ বাবে আন্দোলন কৰিব লাগিব। লগতে মিচিং অঞ্চলত অৱস্থিত শিক্ষানুষ্ঠান বিলাক শৈক্ষিক দিশত যাতে উন্নত হয় তাৰ বাবে সামূহিকভাবে যত্ন কৰিব লাগিব। যিবিলাক শিক্ষানুষ্ঠানত অস উপায়ে পৰীক্ষাত উত্তীৰ্ণ হোৱা ব্যৱসায় চলি আছে সেইবোৰ কঠোৰভাৱে বন্ধ কৰিব লাগিব। সেইদৰে মাটি পট্টন লাভ কৰা, বান্ধ নিৰ্মাণ কৰা, কৃষি উন্নয়নৰ বাবে চৰকাৰী সাহায্য বিতৰণ আদি ক্ষেত্ৰত যিবোৰ অনিয়ম আৰু অবিচাৰ চলি আহিছে। সেইবোৰৰ প্ৰতিবাদ কৰি ব্যাপক আন্দোলন গঢ়ি তুলিব লাগিব। মনত ৰখা উচিত যে ঐক্যবদ্ধ আন্দোলন অবিহনে নিজৰ ন্যায্য প্ৰাপ্তি লাভ কৰাটো বৰ্ত্তমান অসম্ভৱ হৈ পৰিছে। সচেতনতা আৰু আন্দোলনৰ অভাবতে আমি

ইতিমধ্যে বহুতো হেৰুৱালো। কিন্তু আন্দোলন হ'ব লাগিব গণতান্ত্রিক, শান্তিপূর্ণ আৰু অৰাজনৈতিক । অন্যথাই আন্দোলন সফল নহ'ব।



# সংস্কৃতি : ইয়াৰ সাম্প্ৰতিক সংকট

## ডঃ শিৱনাথ বৰ্মন

সংস্কৃতি কি? সংস্কৃতি এনে কোনো সম্পদ নহয় যাৰ স্থান | সচৰাচৰ ধোঁৱাচাঙত, আৰু যাক পোহৰলৈ অনা হয় বিয়া সবাহ, | উছৱ-পাৰ্বন আদিতহে। কেৱল কিছুমান বিশেষ আচাৰ পালনক বা কেৱল কিছুমান নাচ, গান আৰু অভিনয়ক সংস্কৃতি নোবোলে, | সাংস্কৃতিক সন্ধিয়াবিলাকৰ মঞ্চত সংস্কৃতি বন্দী হৈ নাথাকে। | সংস্কৃতি এটা অতিশয় ব্যাপক ধাৰণা। দৈনন্দিন জীৱনত আমি যি | কৰোঁ, যি খাওঁ, যেনেকৈ পিন্ধো, যিবোৰ অনুস্থান পালন কৰোঁ, | সেই সকলোবোৰৰ সামগ্ৰিক প্ৰকাশেই হ'ল সংস্কৃতি। থোৰতে ক'ব লাগিলে, সংস্কৃতি হ'ল আমাৰ সামগ্ৰিক জীৱন-চৰ্যাৰ অভিব্যক্তি।

সংস্কৃতিৰ ধাৰণা অতিশয় পুৰণি। মানুহে দলবদ্ধভাৱে জীৱন | যাপন কৰা দিনৰ পৰাই ইয়াৰ উদ্ভৱ। সেইবুলি সংস্কৃতি শব্দটো | প্ৰাচীন নহয়। আমাৰ ভাষাত শব্দটো অৰ্বাচীনেই বুলিব পাৰি। কুৰি শতিকাৰ আগভাগ পৰ্যন্ত এই শব্দ আমাৰ ভাষাত ব্যৱহৃত | হৈছিলনে নাই সন্দেহ। ১৯৪১ চনত প্ৰকাশ পোৱা ‘হেমকোষৰ’ দ্বিতীয় সংস্কৰণতো এই শব্দ অন্তৰ্ভুক্ত হোৱা নাছিল। ইংৰাজীত culture বুলিলে যি বুজা যায়, তাৰ প্ৰকৃত সমাৰ্থক শব্দ হ'ল কৃষ্টি। ইংৰাজীৰ culture শব্দটো ওলাইছে লাতিন culture শব্দৰ পৰা যাৰ অৰ্থ হ'ল খেতি। সেইদৰে ‘কৃষ্টি' শব্দৰো ব্যুৎপত্তিগত অৰ্থ হ'ল কৃষি কৰ্ম (কৃষ, ধাতু - জিন, প্ৰত্যয়)। | মাটিৰ গোন্ধ কৃষ্টি শব্দৰ লগত বিজড়িত। অসমীয়া জনজীৱনৰ | সাৰ্থক প্ৰতিনিধি বিষ্ণুপ্ৰসাদ ৰাভাই এই শব্দ সঘনে প্ৰয়োগ কৰিছিল। অসমীয়া সংস্কৃতিৰ বিষয়ে লিখা পুথিখনৰ তেওঁ নাম থৈছিল ‘অসমীয়া কৃষ্টিৰ চমু আভাষ’।

যিমানদূৰ জানো, ‘কালচাৰ'ৰ প্ৰতিশব্দ ৰূপে ‘সংস্কৃতি’ শব্দটো পোনতে ব্যৱহৃত হৈছিল গুজৰাটী ভাষাত । ভাষাবিদ সুনীতিকুমাৰ চট্টোপাধ্যায়ে ৰবীন্দ্ৰনাথ ঠাকুৰক এই শব্দটোৰ লগত পৰিচয় কৰাই দিয়ে, আৰু ৰবীন্দ্ৰনাথে শব্দটো বঙ্গলা ভাষাত জনপ্ৰিয় কৰি তোলে । এই শব্দ বঙ্গলা ভাষাৰ পৰাই আমাৰ ভাষাত সোমাইছেহি। সংস্কৃতি শব্দৰ বুৎপত্তিগত অৰ্থ হ’ল - যি পৰিশোধন কৰে, সংস্কাৰ কৰে। উচ্চবিত্ত পৰিয়ালৰ লোক হিচাপে ৰবীন্দ্ৰনাথ পৰিমাৰ্জনাৰ পক্ষপাতি আছিল। তেওঁ ভাবিছিল, কৃষক - বনুৱাই যি কৰে, যি কয়, অবিকৃত ৰূপত সেইবোৰ প্ৰকাশ- অযোগ্য, আপোন কৰি লোৱাৰ আগতে সেইবোৰ ধুই পখালি ল'ব লাগিব। কোৱা বাহুল্য, কৃষ্টি শব্দৰ বিপৰীতে সংস্কৃতি শব্দটোত আভিজাত্যৰ কিছু গোন্ধ আছে। কৃষক - বনুৱাৰ জীৱন-চৰ্যাৰ লগত এই শব্দৰ সম্পৰ্ক কিছু দূৰৈ ।

সংস্কৃতি শব্দটো অসমীয়া ভাষাত জনপ্ৰিয় কৰি তোলাত আগভাগ লৈছিল জ্যোতিপ্ৰসাদ আগৰৱালাই। এই সন্দৰ্ভত পাহৰা উচিত নহ'ব যে দলিত জনগণৰ প্ৰতি নিভাঁজ প্ৰেমেৰে সিক্ত হ'লেও ৰবীন্দ্ৰনাথৰ দৰে জ্যোতিপ্ৰসাদো আছিল আঢ্যৱন্ত পৰিয়ালৰ সন্তান । গ্ৰাম্য সংস্কৃতিক কিছু হ'লেও সংস্কৃত কৰি লোৱাত তেৰোঁ গুৰুত্ব দিছিল।

(2)

আৰম্ভণিতে ইঙ্গিত দিছো, সংস্কৃতি সমাজ-জীৱনৰ আলম্ব নথকা বেবিলনৰ শূণ্যোদান নহয়, ই আমাৰ জীৱন- নিৰ্বাহ প্ৰণালীৰ দপোণ। সেয়ে সমাজৰ ৰূপভেদে সংস্কৃতিৰ ৰূপো ভিন ভিন হয় । জনজাতীয় সমাজৰ সংস্কৃতিৰ যি ৰূপ, সি সামন্তবাদী সমাজৰ সাংস্কৃতিক ৰূপতকৈ সুকীয়া, একেদৰে পুঁজিবাদী সমাজৰ সংস্কৃতি সামন্তবাদী সমাজ এখনৰ সংস্কৃতিতকৈ বহু বিষয়ত পৃথক । একেখন সমাজতে আকৌ শ্ৰেণীভেদে সংস্কৃতিৰ ৰূপ ভিন ভিন হ'ব পাৰে । উদাহৰণস্বৰূপে, সামন্তবাদী সমাজ এখনত কৃষক শ্ৰেণীটোৰ সংস্কৃতি জমিদাৰ শ্ৰেণীটোৰ সংস্কৃতিতকৈ কিছু হ'লেও সুকীয়া। এইটো কাৰণেই লোক সংগীত জমিদাৰ শ্ৰেণীটোৰ সাধাৰণতে



প্ৰিয় নহয়, যেনেকৈ কৃষক শ্ৰেণীটোৰ বাবে আকৌ প্ৰিয় নহয় উচ্চাঙ্গ সংগীত। মুঠ কথা এইটোৱেই যে সমাজভিত্তিক হোৱাৰ উপৰিও সংস্কৃতিৰ এটা শ্ৰেণী ভিত্তিও আছে। এই কথা আওকান | কৰিলে সংস্কৃতিৰ স্বৰূপ বুজা টান হৈ পৰে।

পৰিতাপৰ কথা, সংস্কৃতিৰ লগত বাস্তৱ জীৱনৰ নিবিড় সম্পৰ্কৰ আঁতডাল আমাৰ এচাম ৰুচি অভিমানী বুদ্ধিজীৱিয়ে ধৰিব নোৱাৰে বা ধৰিব নোখোজে। তেওঁলোকে এইবুলি ক'বলৈহে ভাল পায় যে সংস্কৃতি সমাজজাত নহয়, বৰঞ্চ সমাজহে | সংস্কৃতিজাত। উচ্চ সংস্কৃতিৰ ধাৰক বুলি নিজকে জাহিৰ কৰা এই গঙ্গাটোপসকলে গণ সংস্কৃতিৰ কাষ চাপিবলৈ ভয় কৰে আৰু সংস্কৃতি জনতামুখী হোৱা দেখিলেই “দেশৰ সংস্কৃতি ৰসাতলে গ'ল, উচ্চ সংস্কৃতিৰ আদৰ্শৰ অভাৱত আমাৰ সমাজ-জীৱন বিপন্ন হ'ল” বুলি তেওঁলোকে ৰাউচি জুৰিবলৈ আৰম্ভ কৰে। নিজকে ৰুচিবান, সংস্কৃতিবান বুলি পৰিচয় দিয়াৰ নিচাত তেওঁলোকে এই কথা পাহৰি যায় যে ৰুচিপূৰ্ণ সংস্কৃতিৰ চৰ্চা হ'বলৈ হ'লে ৰুচিৰ পৰিবেশ সমাজত প্ৰথমে সৃষ্টি কৰিব লাগিব। বুভুক্ষু মানুহ উচ্চ | সংস্কৃতিৰ প্ৰতি উদাসীন হোৱাটো মানুজনৰ দোষ নহয়, তাৰ বাবে দায়ী তেওঁৰ বুভুক্ষাহে। কিন্তু বুভুক্ষাহীন পৰিৱেশ ৰচনাৰ কামত আমাৰ উচ্চ সংস্কৃতিকামীসকল কাহানিও উৎসাহী হোৱা দেখা | নাযায়। ৰবীন্দ্ৰনাথে লিখিছিল, “আমি নৃতত্ব অৰ্থাৎ Ethnology কিতাপত নপঢ়া নহয়, কিন্তু যেতিয়া দেখোঁ যে সেই কিতাপ পঢ়াৰ ফলত আমি আমাৰ চাৰিওফালে থকা হৰি, ডোম, কৈৱৰ্ত্ত, প্ৰভৃতি সম্প্ৰদায়সমূহৰ লোকসকলৰ সম্পূৰ্ণ পৰিচয় পাবৰ বাবে আমাৰ মনত তিলমানো ঔৎসুক্য জন্মা নাই, তেতিয়া বুজি পাওঁ - পুথি | সম্পৰ্কে কিমান ডাঙৰ কুসংস্কাৰ আমাৰ মনত বহি গৈছে, পুথিক আমি কিমান ডাঙৰ বুলি জ্ঞান কৰোঁ আৰু সেই পুথি যাৰ প্ৰতিবিম্ব, সেইসকলক কিমান তুচ্ছ জ্ঞান কৰোঁ। ভাৰতমাতৃয়ে হিমালয়ৰ দুৰ্গম চূড়াৰ ওপৰৰ শিলাসনত বহি কেৱল কৰুণ সুৰত বীণহে | বজাই আছে, তেন্তে ধ্যান কৰাটো মাত্ৰ এটা নিচা । ভাৰতমাতৃ গাঁৱঁৰেই বোকাময়, মেটেকাৰে পৰিপূৰ্ণ পুখুৰীৰ পাৰত মেলেৰিয়া আক্ৰান্ত প্লীহাৰোগীক কোঁচত লৈ তাৰ পথ্যৰ বাবে নিজৰ শূণ্য ভঁৰালত হতাশভাৱে চাই আছে, সেই দৃশ্য দেখাটোহে প্ৰকৃত দেখা।

আমাৰ উচ্চ সংস্কৃতিৰ কিতাবী ধ্বজাবাহকসকলে নিজকে ৰবীন্দ্ৰনাথৰ উত্তৰাধিকাৰী বুলি ওফন্দি থাকে। কিন্তু সমাজৰ নিম্নবৰ্ণৰ মানুহৰ শেষ বয়সত ৰবীন্দ্ৰনাথৰ যি আত্মীয়তাবোধ জন্মিছিল, তাৰ প্ৰতি তেওঁলোক চিৰকালেই আওকণীয়া।

(৩)

সংস্কৃতি সমাজাত, সেয়ে গতিশীল। কাৰণ সমাজ স্থবিৰ নহয়। উৎপাদন পদ্ধতি, বিতৰণ পদ্ধতি আদিৰ সলনি ঘটাই আমি বহু সময়ত নিজৰ অজ্ঞাতেই আমাৰ জীৱনৰ ধৰণ কৰণ সলনি কৰি গৈ থাকোঁ, পৰিণামত সংস্কৃতিৰ ৰূপটোৰো সলনি ঘটে। আজিৰ পৰা এশ বছৰৰ আগতে আমাৰ পিতামহ - প্ৰপিতামহে যেনেকৈ পিন্ধিছিল, ফুৰিছিল, খাই ছিল, আমি আজি তেনেকৈ নিপিন্ধো, নুফুৰোঁ, নাখাওঁ। গতিকে এশ বছৰৰ আগৰ সংস্কৃতিৰ ৰূপটোৰ লগত আজিৰ সংস্কৃতৰ ৰূপ কেতিয়াও একে হ'ব নোৱাৰে। ঠিক তেনেকৈ আমাৰ নাতি পুতিসকলৰ সংস্কৃতি আমাৰ আজিৰ সংস্কৃতিৰ পৰা নিশ্চয় পৃথক হ'বগৈ। অৱশ্যে

বৰ্তমান যুগত সমাজৰ আৰ্থ সামাজিক গাঁথনি ইমান খৰতকীয়াকৈ সলনি হৈছে যে সংস্কৃতিৰ ৰূপান্তৰ চাবলৈ আমি আৰু এশ বছৰ অপেক্ষা কৰিব নালাগে, আমাৰ জীৱন-কালতে আমি এইটো দেখা পাইছোঁ। মুঠ কথা, গতিময়তা হ'ল সংস্কৃতিৰ এক প্ৰধান ধৰ্ম। ই নিশ্চল প্ৰস্তখণ্ড-নহয়, ৰাজহুৱা আচাৰ-অনুষ্ঠানবিলাকত প্ৰয়োজন সাপেক্ষে প্ৰদৰ্শিত হোৱা ই সংগ্ৰহালয়ৰ সামগ্ৰীও নহয়; আমাৰ পৰিবৰ্তনশীল জীৱন চৰ্যাৰ লগত ওতঃপ্ৰোতভাৱে সম্পৰ্কিত। ই এক চলিষ্ণু প্ৰপঞ্চ।

এইখিনিতে লক্ষণীয়, যিটো হাৰত মানুহৰ জীৱন-ধাৰণ প্ৰণালীৰ সলনি ঘটে, সেই একেটা হাৰতে মানুহৰ মনোজগতৰ সলনি নঘটে। মানুহে তাৰ মানসিক জাড্য হেতু বাহ্য পৰিৱৰ্তনৰ দ্ৰুতিৰ লগত নিজকে বহু সময়ত খাপ খুৱাই ৰাখিব

## সংস্কৃতিৰ লগত বাস্তৱ জীৱনৰ নিবিড় সম্পৰ্কৰ আতডাল আমাৰ এচাম কচি অভিমানী বুদ্ধিজীৱিয়ে ধৰিব নোৱাৰে বা ধৰিব নোখোজে । তেওঁলোকে এই বলি ক বলেছে ভাল পায় যে সংস্কৃতি সমাজ বহন কৰে হয়। সমাজতে সংস্থাতজাত উচ্চ সংস্কৃতিৰ ধাৰক বলি নিজকে জাহিৰ কৰা এই গল্পটোপসকলে গণ সংস্কৃতিৰ কাষ চাপিবলৈ ভয় কৰে আৰু সংস্কৃতি জনতামুখী হোৱা দেখিলেই দেশৰ সংস্কৃতি ৰসাতলে গ'ল, উচ্চ সংস্কৃতিৰ আদৰ্শৰ অভাৱত আমাৰ সমাজ-জীৱন বিপন্ন হ'ল” বলি তেওঁলোকে ৰাউটি জৰিবলৈ আৰম্ভ কৰে ।



নোৱাৰে। ফলত দেখা যায়, যাক আমি সংস্কৃতিৰ সংকট বুলি কওঁ, সি বহু সময়ত সংস্কৃতিৰ পৰিৱৰ্তনহে। দুটামান দৃষ্টান্ত দিলে কথাটো স্পষ্ট হ'ব। মাধৱদেৱে তাহানিতে বৰপেটাৰ ৰঙিয়াল গৃহ | সাজি চেমনীয়া ল'ৰাৰ বুকুত কাঠৰ স্তন বহুৱাই নটুৱা নচাইছিল । তেতিয়া তেওঁৰ এই কাৰ্যত সমাজৰ ৰক্ষণশীল চামটো জঁকি উঠিছিল আৰু মাধৱদেৱৰ বিৰুদ্ধে জাত গোচৰ দিছিলগৈ। তেওঁলোকে ইয়াক সংস্কৃতিৰ সংকট বুলি গণ্য কৰিছিল। অথচ আজিৰ দৃষ্টিত ই এটা অত্যন্ত হাস্যকৰ কথা । সৌ সিদিনা, ব্ৰজনাথ শৰ্মাই যেতিয়া অসমত সহ-অভিনয়ৰ সূচনা কৰিছিল, তেতিয়া সমাজৰ এটা চামৰ চকুত ই আছিল এটা সংস্কৃতি - বিৰোধী কৰ্ম । নৃত্যগীতৰ ক্ষেত্ৰতো একে ধৰণৰ ঘটনা পৰিলক্ষিত হয়। হলিৰাম ঢেকিয়াল ফুকনৰ পৰা আৰম্ভ কৰি কমলাকান্ত ভট্টাচাৰ্যলৈকে অসমীয়া সমাজৰ সম্ভ্ৰান্ত শ্ৰেণীটোৱে একালত বিহু গীত-মাতবিলাক অশ্লীল বুলি গণ্য কৰিছিল। অথচ আজি বিহুগীত আৰু বিহুনাচ অসমীয়া সংস্কৃতিৰ এটা প্ৰধান উপাদানত পৰিণত | হৈছেগৈ। সাজ-পোছাক আদিৰ ক্ষেত্ৰতো একেই পৰিঘটনা আমি দেখা পাওঁ। আজিৰ পৰা মাথোন কুৰি-পঁচিশ বছৰৰ আগতে | চেমনীয়া ছোৱালীয়ে স্কাৰ্ট পিন্ধা বা চুলি চুটিকৈ কটাটো এটা অকল্পনীয় কথা আছিল; কিন্তু আজি ইয়াৰ ওলোটাটোহে অকল্পনীয় যেন হৈ পৰিছেগৈ।

গতিকে যাক আমি সংস্কৃতিৰ সংকট বুলি ভাবোঁ, সি বহু | ক্ষেত্ৰত আমাৰ মানসিক জড়তাৰহে প্ৰতিফলন। এই জড়তাৰে পৰিণাম হ'লগৈ প্ৰজন্ম প্ৰভেদ - ইংৰাজীত যাক কোৱা হয় generation gap। আজিৰ কিশোৰীয়ে যদি লংপেন্ট পিন্ধি ভাল পায়, আজিৰ তৰুণ-তৰুণীয়ে যদি প্ৰাচ্য আৰু পাশ্চাত্যৰ | সুৰ সমন্বয় ভাল পায়, তেন্তে তাক পোণেই অপসংস্কৃতি বুলি | নাভাবি সংস্কৃতিৰ ৰূপান্তৰ বুলি ভবাই হয়তো বুদ্ধিমানৰ কাম হ'ব। ন'হলে আমিও আগলৈ সমাজৰ ৰক্ষণশীল ব্যক্তি বুলি পৰিগণিত হোৱাৰ সম্ভাৱনা ।

এইখিনিতে আৰু এটা কথা উল্লেখ কৰা হয়তো অপ্ৰাসঙ্গিক ন'হব। আমাৰ সমাজখন এখন যৌনভাৱে অৱদমিত সমাজ হোৱা | হেতুকেই বোধকৰোঁ নৈতিকতাক যৌনতাৰ মানদণ্ডেৰে জোখাৰ প্ৰবৃত্তি আমাৰ খুব বেছি। সংস্কৃতিৰ ক্ষেত্ৰটো ইয়াৰ প্ৰতিফলন দেখা | যায় । ব্যৱসায়িক হিন্দী চিনেমাবিলাক ডকাইতি, লুণ্ঠন, মাৰপিট, হত্যা আদিৰ অবাধে চলি থাকিলেও আমি সেইবোৰ মানি লওঁ, কিন্তু যৌনতাৰ সামান্য গোন্ধ থকা এটা গীতো যদি কোনোবাই ৰচনা কৰে, তেন্তে ‘সংস্কৃতি ৰসাতলে গ'ল' বুলি আমি হৈ চৈ লগাওঁ। কামোন্মাদনাৰ সৃষ্টি নকৰা পৰ্যন্ত এনেধৰণৰ গীত-মাত- নাট আদিক আমি সহ্য কৰি যোৱাই হয়তো ভাল হ'ব। কাৰণ আমাৰ প্ৰাচীন সাহিত্য-সংস্কৃতি-ভাস্কৰ্যত এনে নিদৰ্শনৰ অভাৱ নাই। জয়দেৱৰ গীত গোবিন্দ, শংকৰদেৱ ‘হৰমোহন’, কিছুমান বিহুগীত আৰু গোৱালপৰীয়া গীত, মদন-কামদেৱ মন্দিৰৰ ভাস্কৰ্য আদিলৈ এই ক্ষেত্ৰত আঙুলিয়াব পাৰি।

এই কথাখিনি কোৱাৰ অৰ্থ অপসংস্কৃতিৰ সমৰ্থন বুলি যেন কোনেও নাভাবে। আমাৰ মূল বক্তব্য এইটোহে যে সংস্কৃতিৰ ক্ষেত্ৰত, – কেৱল সংস্কৃতিৰ ক্ষেত্ৰত কিয়, জীৱনৰ সকলো ক্ষেত্ৰতে, - আমি শুচিবায়ুগ্ৰস্ত হোৱা উচিত নহয়। সংস্কৃতিৰ পৰিৱৰ্তন শুভ হ'ব পাৰে, অশুভ দিশতো হ'ব পাৰে। আমি অপসংস্কৃতি আখ্যা দিয়া উচিত সেইবোৰ সাংস্কৃতিক পৰিৱৰ্তনকহে যি শালীনতাৰ সীমা চোৰাই যায়, যি সমাজৰ তৰুণ চামটোক উদণ্ড, কামুক, নিষ্ঠুৰ, অমানৱীয় হ'বলৈ উচটনি দিয়ে।

(৪)

সাম্প্ৰতিক কালত সংস্কৃতিৰ বিভিন্ন দিশত যে সংকটে দেখা দিছে, এই কথা সত্য। কিন্তু আমাৰ ৰুচি অভিমানী চামটোৰ নিচিনাকৈ মাথোন বিলাপ কৰি, চকুলোৰে দুগাল তিয়াই এই সংকটৰ পৰা উদ্ধাৰ পাব নোৱাৰি। কাৰণ পূৰ্বেই কৈছো ৰুচি, কৃষ্টি, সংস্কৃতি-এইবোৰ নিৰালম্ব সত্তা নহয়, আৰ্থ-সামাজিক পৰিৱৰ্তনৰ লগত এইবিলাক নিবিড় সম্পৰ্কেৰে বন্ধা। গতিকে আৰ্থ-সামাজিক দৃষ্টিকোণৰ পৰা চালেহে সংস্কৃতিৰ সাম্প্ৰতিক সংকটৰ প্ৰকৃত চৰিত্ৰ উদঘাটন কৰিব পৰা যায়।

ব্ৰিটিছ অহাৰ আগলৈকে আমাৰ জীৱন-চৰ্যা আছিল কেতবোৰ নিৰ্দিষ্ট সুৰত বন্ধা। এই সুৰত বৈচিত্ৰ হয়তো বেছি নাছিল; কিন্তু ই বেসুৰা নাছিল। ব্ৰিটিছ সাম্ৰাজ্যবাদে আমাৰ পৰম্পৰাগত জীৱন-চৰ্যা থানবান কৰি দিলে; আমাৰ পুৰণি সমাজ-গাঁথনি ই ভাঙি পেলালে আৰু পত্তন কৰিলে পাশ্চাত্য আদৰ্শেৰে প্ৰভাৱিত এক নতুন সমাজৰ ভিত্তি।

পাশ্চাত্য আদৰ্শৰ সান্নিধ্যই আমাক অনেক ন ন কথা শিকাইছিল, অনেক ন ন জ্ঞানৰ পোহৰ বিলাইছিল। ই আমাক শেলুৱৈ ধৰা সামন্তবাদী ধ্যান-ধাৰণাৰ পৰা বহুলাংশে মুক্ত কৰিছিল

**...........হলিৰাম ঢেকিয়াল ফুকনৰ পৰা আৰম্ভ কৰি কমলাকান্ত ভট্টাচাৰ্যলৈকে অসমীয়া সমাজৰ সম্ভ্ৰান্ত শ্ৰেণীটোৱে একালত বিহু গীত-মাতবিলাক অশ্লীল বুলি গণ্য কৰিছিল । অথচ আজি বিহুগীত আৰু বিহুনাচ অসমীয়া সংস্কৃতিৰ এটা প্ৰধান উপাদানত পৰিণত হৈছেগৈ।**



আৰু আমাক কৰি তুলিছিল এক যুক্তিবাদী, মানৱতাবাদী আদৰ্শেৰে কিছু হ'লেও উদ্‌বুদ্ধ। প্ৰণিধানযোগ্য যে ব্ৰিটিছ শাসনৰ আৰম্ভনিত এনে এক পৰিৱেশত জন্ম লৈছিল আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, আনন্দৰাম বৰুৱা, গুণাভিৰাম বৰুৱা প্ৰমুখ্যে অসমত আধুনিকতাৰ পুৰোধাসকলে। তেওঁলোকে পাশ্চাত্য | সংস্কৃতিৰ ভালখিনি আঁকোৱালি লৈছিল, সেইবুলি পৰম্পৰাগত | সংস্কৃতি অপাংক্তেয় বুলি দলিয়াই পেলোৱা নাছিল ।

অসমত এনে এক পৰিস্থিতি স্বাধীনতাৰ আগলৈকে কম বেছি পৰিমাণে আছিল। ব্ৰিটিছ সাম্ৰাজ্যবাদৰ পৰা মুক্তিলাভৰ | প্ৰয়াসে আমাৰ সংস্কৃতিক ছিন্নমূলক হ'বলৈ দিয়া নাছিল। | অম্বিকাগিৰী, জ্যোতিপ্ৰসাদ, বিষ্ণু। ৰাভা আদিৰ গীত-মাত-নাটে নিজ সংস্কৃতিৰ শিপা বিচাৰি উলিওৱাত আমাক প্ৰেৰণা যোগাইছিল। সেই যুগৰ সমাজত | এটা আদৰ্শ আছিল। সেইটো হ'ল দেশপ্ৰেমৰ আদৰ্শ, মুক্তভাৱে | জীয়াই থকাৰ আদৰ্শ ।

কিন্তু ৰাজনৈতিক স্বাধীনতা লাভৰ পিচত আমাৰ সন্মুখত আৰু কোনো আদৰ্শ নাথাকিল, আমাৰ জীৱন হৈ পৰিল কাণ্ডাৰীবিহীন নাৱৰ দৰে দিশাহীন। কোনো নিৰ্দিষ্ট আদৰ্শই আমাক বান্ধি ৰাখিব নোৱাৰা | হেতুকে আমাৰ সংস্কৃতিও এৰাল চিঙা গৰুৰ দৰে হৈ পৰিল, নিজৰ | দেশৰ মাটি-পানী-বায়ুৰ লগত আমাৰ সংস্কৃতিৰ সম্পৰ্ক শিথিল হৈ গ'ল। আনহাতে পশ্চিমীয়া সংস্কৃতিৰ জাকজমকতাত আমি | মুগ্ধ হ'লো; এদাল বিৰাট অজগৰৰ দৰে পশ্চিমীয়া সংস্কৃতিয়ে | আমাক গ্ৰাস কৰি পেলাবলৈ আৰম্ভ কৰিলে ।

আমাৰ সাংস্কৃতিক পূৰ্বসুৰীসকলেও পশ্চিমীয়া সংস্কৃতি লৈছিল; কিন্তু তেওঁলোকে ইয়াক লৈছিল আমাৰ পৰম্পৰাগত | সংস্কৃতিৰ লগত ইয়াক খাপ খোৱা কৰি, শূৰ্পৱৎ শোধন কৰি কিন্তু কোনো আদৰ্শৰ অভাৱ গুনে সম্প্ৰতি আমি শিকিছোঁ মাত্ৰ পশ্চিমীয়া সংস্কৃতিৰ অন্ধানুকৰণ। পশ্চিমীয়া বিজ্ঞান আমি লৈছো, কিন্তু লোৱা নাই বিজ্ঞান মনস্কতা; বৰং গ্ৰহণ কৰিছোঁ পশ্চিমীয়া পুঁজিবাদী সংস্কৃতিৰ যান্ত্ৰিকতা; ব্যক্তিকেন্দ্ৰিকতা, ৰিৰংসা, এনেকি জিঘাংসাও।

প্ৰাক স্বাধীনতা কালত পশ্চিমীয়া সংস্কৃতিৰ যিবোৰ বদ দি অঙ্কুৰিত হৈছিল, সেইবোৰ দুপতীয়াতে নিপাত কৰি পশ্চিমীয়া সংস্কৃতিৰ ভালখিনিৰ সুষম সমন্বেয়েৰে আমাৰ নিজা সংস্কৃতিক বৰ্ণাঢ্য কৰি তুলিবলৈ লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা প্ৰমুখ্যে বৰেণ্য ব্যক্তিসকলে কিদৰে প্ৰচেষ্টা চলাইছিল, তাক আমি সকলোৱে জানো। এক উদাৰনৈতিক

জাতীয়তাবাদী চিন্তাই, পৰাধীনতাৰ কবলৰ পৰা দেশখন উদ্ধাৰ কৰাৰ এক মিছনেৰী উদ্যমে এইসকল লোকক অনুপ্ৰাণিত কৰিছিল। ইয়াৰ পৰিণামত আমাৰ জাতীয় গগণত উৰিছিল জাতীয় সংস্কৃতিৰ ন ন বিজয় ধ্বজা ।

১৯৮৭ চনত আমি ৰাজনৈতিক স্বাধীনতা পালো; কিন্তু মুক্তি নাপালো বিদেশী সংস্কৃতিৰ গৰাহৰ পৰা। পৰিতাপৰ কথা, পশ্চিমীয়া পুঁজিবাদী সংস্কৃতিৰ আগ্ৰাসী প্ৰভাৱ কমাতো নায়েই, বৰং দিনক দিনে বাঢ়ি যোৱাহে পৰিলক্ষিত হৈছে। তাতোকৈ পৰিতাপৰ কথা এইটোহে যে আমাৰ তথা ভাৰতৰ শাসকগোষ্ঠীয়ে পশ্চিমৰ সাংস্কৃতিক আক্ৰমণক প্ৰতিহত কৰাৰ চেষ্টা কৰাতো নায়েই, বৰং টি. ভি. আদি মাধ্যমবোৰৰ জৰিয়তে "ইয়াৰ প্ৰসাৰত উৎসাহহে যোগাই আহিছে। অৱশ্যে এই কথাও ঠিক যে ইয়াত বাধা দিয়াৰ ক্ষমতাও বৰ্তমান চৰকাৰৰ নাই; কাৰণ তথাকথিত 'অৰ্থনৈতিক উদাৰনীতিৰ নামত চৰকাৰখন আজি নিজেই পশ্চিমীয়া পুঁজিবাদৰ ক্ৰমে কুক্ষিগত হৈ পৰিছে। প্ৰসঙ্গক্ৰমে এইখিনিতে উল্লেখ কৰিব পাৰি যে আমাৰ পশ্চিমীয়া সংস্কৃতিৰ অন্ধানুকৰণ – স্পৃহাৰ এক উৎকৃষ্ট প্ৰতিফলন হ'ল সম্প্ৰতি চুকে কোণে গজি উঠা ইংৰাজী মাধ্যমৰ স্কুলবিলাক। ইংৰাজী শিক্ষা লোৱাত কাৰো আপত্তি থাকিব নোৱাৰে। দেশ-বিদেশৰ জ্ঞান আহৰণৰ বাবে এই শিক্ষা অপৰিহাৰ্য। কিন্তু ইংৰাজী ভাষাৰ শিক্ষা লোৱা আৰু ইংৰাজী ভাষাত শিক্ষা লোৱা দুয়োটাৰ মাজত আকাশ-পাতাল প্ৰভেদ। ইংৰাজী মাধ্যমত লোৱা শিক্ষাই দেশীয় সংস্কৃতিৰ শিপা উভালি পেলাব খোজে, ই ছাত্ৰ-ছাত্ৰীসকলক কৰি তোলে সাংস্কৃতিকভাবে উদ্বাস্তু প্ৰকৃতিৰ - যিটো সংস্কৃতিপ্ৰাণ কোনো লোকৰে কাম্য নহয়।

কিন্তু ৰাজনৈতিক স্বাধীনতা লাভৰ পিচত আমাৰ সন্মুখত আৰু কোনো আদৰ্শ নাথাকিল, আমাৰ জীৱন হৈ পৰিল কাণ্ডাৰীবিহীন নাৱৰ দৰে দিশাহীন। কোনো নিৰ্দিষ্ট আদেশই আমাক বান্ধি ৰাখিব নোৱাৰা হেতু কে আমাৰ সংস্কৃতিও একাল চিঙা গৰুৰে দৰে হৈ পৰিল, নিজৰ দেশৰ মাটি-পানী বায়ুৰ লগত আমাৰ সংস্কৃতিৰ সম্পৰ্ক শিথিল হৈ গ'ল। আনহাতে পশ্চিমীয়া সংস্কৃতিৰ জাকজমকতাত আমি মুগ্ধ হলো, এদাল বিৰাট অজগৰৰ দৰে পশ্চিমীয়া সংস্কৃতিয়ে আমাক প্ৰাস কৰি পেলাবলৈ আৰম্ভ কৰিলে ।

পুঁজিবাদে সম্প্ৰতি আমাৰ দেশত গোঁজ পুতি বহিছে; আমাৰ | সাংস্কৃতিক জগতখন ই বজাৰমুখী কৰি তুলিছে। নন্দনতাত্ত্বিক বিচাৰ আজিকালি হৈ পৰিছে বিক্ৰয় ক্ষমতাৰ দাস । অৰ্থাৎ আজিৰ যুগৰ | মানদণ্ডত যি সংস্কৃতি বেছিকৈ চলে অৰ্থাৎ বেছিকৈ বিক্ৰী হয়, সিয়েই হ'ল উৎকৃষ্ট সংস্কৃতি। সংস্কৃতিৰ এনে ব্যৱসায়ীকৰণে আজিৰ সৰহভাগ সাংস্কৃতিক কৰ্মীক কৰি তুলিছে সংস্কৃতিৰ বণিক। সাংস্কৃতিক পণ্যক বিক্ৰী কৰি ধন ঘটাই হৈ পৰিছে এওঁলোকৰ কাম।

অৱশ্যে স্বীকাৰ কৰিব লাগিব যে সংস্কৃতিৰ ব্যৱসায়ীকৰণৰ ধুমুহাত সংস্কৃতি-জগতৰ সকলো কৰ্মী উটি ভাঁহি যোৱা নাই। | সংস্কৃতিক পণ্য হিচাপে গণ্য নকৰা ব্যক্তি আমাৰ সমাজত এতিয়াও আছে। কিন্তু এওঁলোকক আকৌ দুটা শিবিৰত বিভক্ত। তাৰে এটা শিবিৰৰ সভ্যসকল ব্যস্ত আমি পূৰ্বতে উল্লেখ কৰা ‘উচ্চ’সংস্কৃতিৰ পূজাত । সাংস্কৃতিক মূল্যবোধৰ অধঃপতনে এওঁলোকৰ মনত সঁচা বেদনাৰ সঞ্চাৰ কৰে । কিন্তু ধনতান্ত্ৰিক ব্যৱস্থাটো যে ইয়াৰ প্ৰধান হেতু, এই কথা তেওঁলোকে নুবুজে বা বুজিব নোখোজে। তেওঁলোকে ইয়াৰ বাবে জগৰীয়া কৰিব খোজে জনসাধাৰণক । ‘জনসাধাৰণ অজ্ঞ, মূঢ়, উচ্চ সংস্কৃতিৰ সোৱাদ ল'বলৈ তেওঁলোক অসমৰ্থ’ - এনে এক ভ্ৰান্ত ধাৰণা তেওঁলোকৰ মগজুত নিবদ্ধ। আভিজাত্যৰ অভিমানত তেওঁলোকে এই কথা পাহৰি যায়যে | উচ্চ সংস্কৃতিৰ চৰ্চা সাধাৰণ মানুহৰ পক্ষেও সম্ভৱ, তেওঁলোকক | ইয়াৰ পৰা বঞ্চিত কৰি ৰাখিছে মাথোন জীৱন-নিৰ্বাহৰ ৰূঢ় চিন্তাই। এইটো শিবিৰৰ বিপৰীতে আনটো শিবিৰৰ সভ্যসকল হ’ল শিল্পী সৈনিক। সংস্কৃতিৰ বিপৰ্যয়ে তেওংলোকক বিমূঢ় নকৰে। | সাংস্কতিক অধঃপতনৰ মূল শিপাবোৰ কি, সেই কথা তেওঁলোকে জানে আৰু এই শিপাবোৰ উভালি পেলোৱাত তেওঁলোকে | সাংস্কৃতিকভাৱে অৰিহণা যোগায়। তেওঁলোকৰ প্ৰাণত থাকে জনতাৰ প্ৰতি সঁচা প্ৰেম। জনতাক তেওঁলোকে নিৰ্বোধ বুলি নাভাবে আৰু জনতাৰ স্বাৰ্থত ৰচনা কৰে বাস্তৱধৰ্মী সাহিত্য-সংস্কৃতি। প্ৰকৃতাৰ্থত এওঁলোক আছে বাবেই অসমীয়া সংস্কৃতিয়ে আজিও নিজত্ব নেহেৰুৱাকৈ টিকি আছে ।

আমি সকলো প্ৰকাৰৰ সংৰক্ষণশীলতা ত্যাগ কৰি পৃথিৱীৰ সকলো দেশৰ পৰাই সাংস্কৃতিক উপাদান সংগ্ৰহ কৰিব লাগিব, - আনকি পুঁজিবাদী দেশবোৰৰ পৰাও। কিন্তু চাব লাগিব, যাতে এইবোৰে আমাৰ জাতীয় সংস্কৃতিক ধ্বংস কৰি নেপেলায়, বৰং | চহকী কৰে। চাফ কথাত ক'ব লাগিলে, আমি বিশ্ব সংস্কৃতিক থলুৱাকৰণ কৰিবলৈ জানিব লাগিব। সংস্কৃতিৰ থলুৱাকৰণ কিদৰে কৰে, তাৰ শ্ৰেষ্ঠ নিদৰ্শক হ'ল শ্ৰীমন্ত শংকৰদেৱ। তেওঁ গৌৰৱমণ্ডিত বৈষ্ণৱ সংস্কৃতি গঢ়ি তুলিছিল বিভিন্ন ঠাইৰ পৰা সামগ্ৰী সংগ্ৰহ কৰি। ভোৰতাল, ডবা, শৰাই - এইবোৰৰ মূলতে আছিল জনজাতীয় সংস্কৃতিৰ বস্তু। তেওঁৰ বৰগীতবিলাকত হিন্দুস্তানী ধ্ৰুপদী সংগীতৰ প্ৰভাৱ আছে। আনহাতে তেওঁৰ সমস্ত ৰচনাৱলীৰ মূল উৎস আছিল সংস্কৃত ভাষাত ৰচিত সৰ্বভাৰতীয় বৈষ্ণৱ সাহিত্য। কিন্তু তেওঁ এই সকলোবোৰকে অসমীয়া সাজ পিন্ধাই এনে ধৰণে থলুৱা কৰি তুলিছিল যে সেইবোৰৰ কিবা অনা-অসমীয়া উৎস আছে বুলি ভবাৰ সাধ্য সৰ্বসাধাৰণ অসমীয়াৰ নাছিল আৰু আজিও নাই। এনেদৰে থলুৱাকৰণ কৰিব পাৰিলে বাহিৰা সংস্কৃতিৰ ভালখিনিক আঁকোৱালি লোৱাত কাৰো আপত্তি থাকিব নোৱাৰে।

‘(আমাৰ) এই মনটোৱে নিজে ওপজা মাটি কঠাতে তাৰ স্থিতি লৈ ভৰিৰ তলৰ মাটিৰে ৰস খাই আৰু সি যি জলবায়ুৰ মাজত জনম লভিছে, তাৰ পৰাই সি ফচল আহৰণ কৰি আকাশমুৱা হৈ বিশ্বৰূপ ধৰিবলৈ বিচাৰিছে। এই মনটোৱেই হৈছে পৃথিৱীৰ প্ৰগতিবাদী মন। জাতীয় প্ৰগতিবাদী বা অসমীয়া প্ৰগতিবাদীৰ মনটোও হৈছে এয়েই। তাৰ মানে হৈছে, আজি আমি আমাৰ ঘৰুৱা বৈশিষ্ট্য আৰু সভ্যতা-সংস্কৃতি প্ৰকাশৰ এটা স্থানীয় বৈচিত্ৰ্য ৰক্ষা কৰিবলৈ, এটা বিশ্ব সভ্যতা-সংস্কৃতি গঢ়িবলৈ আগবাঢ়ি ওলাইছোঁ। আমি আমাৰ সভ্যতা-সংস্কৃতি ৰক্ষা কৰিবলৈ যি চিন্তা বা কাৰ্য কৰিম, সি সংকীৰ্ণ প্ৰাদেশিকতা হ'ব নোৱাৰে ।

**উল্লেখযোগ্য যে জ্যোতিপ্ৰসাদো আছিল বিশ্ব সংস্কৃতিৰ থলুৱাকৰণ কাৰাৰ ঘোৰ পক্ষপাতী।.... তেওঁ এঠাইত স্পষ্টভাৱে লিখিছে,- ‘(আমাৰ) এই মনটোৱে নিজে ওপজা মাটি কঠাতে তাৰ স্থিতি লৈ ভৰিৰ তলৰ মাটিৰে ৰস খাই আৰু সি যি জলবায়ুৰ মাজত জনম লভিছে, তাৰ পৰাই সি ফচল আহৰণ কৰি আকাশমুৱা হৈ বিশ্বৰূপ ধৰিবলৈ বিচাৰিছে। এই মনটোৱেই হৈছে পৃথিৱীৰ প্ৰগতিবাদী মন।**

পুঁজিবাদৰ বজৰুৱা সংস্কৃতিৰ ওচৰত মূৰ দোঁওৱাৰ আৰু| বিদেশী সংস্কৃতিৰ গঁড়ালত মূৰ সুমুওৱা প্ৰবৃত্তিয়েই আমাৰ সংস্কৃতিৰ একমাত্ৰ সংকট নহয়। সংকট অনেক। তাৰে এটা অতিশয় গভীৰভাৱে চিন্তা কৰিবলগীয়া দিশ হ'ল, আমাৰ সংস্কৃতিৰ প্ৰধান উপাদান জনজাতীয় সংস্কৃতিৰ প্ৰতি আমাৰ অশ্ৰদ্ধাৰ মনোভাৱ। অসমৰ ভৌগোলিক পৰিসীমাৰ মাজতে যিবোৰ জনজাতীয়| সংস্কৃতি জাতিস্কাৰ হৈ ফুলি আছে, সেইবোৰক আমি আমাৰ| সাংস্কৃতিক অভিমানত ওফন্দি বহু কাল ধৰি অৱজ্ঞা কৰি আহিছোঁ ।| সংস্কৃতিৰ সাম্প্ৰতিক সংকট আঁতৰাব খুজিলে সেইবোৰৰ প্ৰতি আমি যথাযোগ্য সন্মান প্ৰদৰ্শন কৰিব লাগিব । কেৱল সেয়াই যথেষ্ট নহয়, সেইবোৰক আমি আমাৰ উদাৰ্য গুণেৰে বুকুৰ আপোন কৰি ল'ব লাগিব । সৰ্বদা মনত ৰাখিব লাগিব, সেইবোৰৰ ওপৰত আমি| যেন আমাৰ সভ্যতা-সংস্কৃতি জোৰকৈ জাপি দিবলৈ যত্ন নকৰোঁ । এনে সাংস্কৃতিক চাৰিৰ পৰিণাম কেনে বিষময় হ'ব পাৰে, তাৰ| উদাহৰণ আজি নকৈ খোঁচৰাৰ প্ৰয়োজন নাই; সম্প্ৰতি চলি থকা জনজাতীয় আন্দোলনবোৰেই তাৰ উৎকৃষ্ট প্ৰমাণ  উল্লেকযোগ্য যে এই ক্ষেত্ৰতো আমাৰ প্ৰধান পথ-প্ৰদৰ্শক জ্যোতিপ্ৰসাদে সপোন দেখিছিল, - ভাৰতৰ পূৱ প্ৰান্তটোৰ বহু| বৰ্ণাঢ্য জনজাতিসমূহে, লগতে ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা আহি| ইয়াত নিগাজীকৈ থাকিবলৈ লোৱা বহিৰাগতসকলেও, এৰাধৰাৰ| নীতিৰে, সমন্বয়ৰ আদৰ্শেৰে, ভৱিষ্যত ইয়াত গঢ়ি তুলিব এক| শক্তিশালী পূৰ্ব ভাৰতীয় সংস্কৃতি, স্বকীয় মৌলিকতা ৰক্ষা কৰিও| যি বান্ধ খাই থাকিব বৃহত্তৰ ভাৰত তথা বৃহত্তম বিশ্ব-সংস্কৃতিৰ| লগত এক এৰাব নোৱাৰা ঐক্যৰ ডোলেৰে। তেওঁ লিখিছিল,-

"আজি অসমত যি যি সুকীয়া সংস্কৃতি আহি উপস্থিত হৈছিল, সেই সেই সকলোবোৰৰে এটা সংস্কৃতি গঢ়ি তুলিবলৈ ...... চেষ্টা হ'ব লাগে। বঙ্গৰ নৱাগত, উত্তৰ ভাৰতৰ হিন্দুস্থানী, মাৰোৱাৰী,| শিখ, নেপালী, তদুপৰি দক্ষিণ ভাৰত তথা মধ্য ভাৰতৰো অসংখ্য লোক আহি নিগাজীকৈ অসম দেশত বহিছেহি। তাৰ উপৰি আমাৰ| চাৰিও ফালে আৰু আমাৰ মাজতো পৰ্বতীয়া অসমীয়াসকল নিজৰ নিজৰ বিচিত্ৰ সংস্কৃতিৰে জকমকাই আছে। আমি এই সকলোকে| নিজৰ মাতৃভাষা, দোৱান, সংস্কৃতি এৰি আমাৰ মহাপুৰুষীয়া| সংস্কৃতি – যাক আমি অসমীয়ায়ো ৰূপান্তৰিত কৰিব খুজিছোঁ – সেই পুৰণি সংস্কৃতি লৈ নিজৰবোৰ এৰিবলৈ কোৱাটো মহাপুৰুষ| শংকৰদেৱৰ সমন্বয় নীতিৰ ফালৰ পৰাও অসংগত। ...নতুনৰ| পোহৰত আমাৰো পুৰণি সংস্কৃতি কিছু এৰিব লাগিব, সেইদৰে আন সকলেও এৰিব লাগিব তেওঁলোকে লগত লৈ অহা পুৰণি| সংস্কৃতি। এই পূৰ্ব ভাৰতীয় সমন্বয়, আন কথাত অসমীয়া সংস্কৃতিৰ - নৱ প্ৰকাশ আমি ৰচনা কৰিব লাগিব।' আজিৰ ভ্ৰাতৃঘাতী সংঘৰ্ষৰ দিনত জ্যোতিপ্ৰসাদৰ এই সোণসেৰীয়া উক্তি আমি সৰ্বদা মনত ৰখা উচিত।

(৮)

শেষত কওঁ, 'বিশুদ্ধ জাতি' বুলি পৃথিৱীত যেনেকৈ কোনো জাতি নাই, সেইদৰে কোনো জাতিৰ সম্পূৰ্ণ নিজা সংস্কৃতি বুলি কোনো সংস্কৃতি নাই। প্ৰতিটো জাতিৰ সংস্কৃতিয়েই হ'ল সমন্বয়ৰ সংস্কৃতি। সংস্কৃতিৰ শক্তি নিৰ্ভৰ কৰে সি কিমান ধৰণৰ উপাদান নিজৰ মাজত জীন নিয়াব পাৰিছে, তাৰ ওপৰত। যি সংস্কৃতিয়ে আন সংস্কৃতিৰ উপাদানসমূহ যিমান শোষণ কৰি ল'ব পাৰে, সেই সংস্কৃতি সিমানে সতেজ আৰু গতিশীল হৈ থাকে ।

আমাৰ অসমীয়া সংস্কৃতিয়ে আন সংস্কৃতিৰ পৰা ইতিমধ্যে উপাদান গ্ৰহণ কৰি সেইবোৰ জীন নিয়াইছে। এই ক্ষমতা অসমীয়া সংস্কৃতিৰ আছে। বিভিন্ন প্ৰজাতিৰ, বিভিন্ন ধৰ্মৰ, বিভিন্ন ভাষাৰ মানুহৰ প্ৰব্ৰজন অসমলৈ অতীজৰে পৰা ঘটি আছে আৰু ইতিহাসে দেখুৱায় যে তেওঁলোকে লৈ অহা সংস্কৃতিৰ ভালেখিনি অসমীয়া সংস্কৃতিয়ে জীন নিয়াই নিজকে চহকী কৰি তোলাত সাৰ্থকতা লাভ কৰিছে। এনেকি পশ্চিমীয়া সংস্কৃতিৰো বহুখিনি অসমীয়া সংস্কৃতিয়ে ইতিমধ্যে আত্মসাৎ কৰিবলৈ সক্ষম হৈছে। এটা সৰু উদাহৰণ। অসমীয়া সংস্কৃতিৰ ৰক্ষাৰ কথা উঠিলেই সচৰাচৰ এইবুলি চিঞৰ-বাখৰ লগোৱা হয় যে অসমীয়া ছোৱালীয়ে মেখেলা-চাদৰ পিন্ধা উচিত। কিন্তু অসমীয়া ছোৱালীৰ এই সাজযোৰ সম্পূৰ্ণ অসমীয়ানে? ব্লাউজ, ব্ৰেছিয়াৰ, পেটিকোট – এই সকলোবোৰ দেখোন ইংৰাজী পোছাকৰ উপাদান! ইংৰাজেও এইবোৰ লৈছিল ফৰাচীসকলৰ পৰা। তথাপি অসমীয়া ছোৱালীৰ এই সাজবোৰ অসমীয়া পোছাকৰ প্ৰতীক, ইংৰাজৰ বা ফৰাচীৰ নহয় ।

সংস্কৃতিৰ সমন্বয় এইদৰেই হয়। এইদৰেই বিভিন্ন ঠাইৰ পৰা উপাদান সংগ্ৰহ কৰি অসমীয়া সংস্কৃতিৰ ফুলনিখন আমি গঢ়িব লাগিব। লগতে তাৰ স্বকীয়তা যাতে বিনিষ্ট নহয়, তাৰ প্ৰতিও আমি সতৰ্ক থাকিব লাগিব। নিজৰ সংস্কৃতি ত্যাগ কৰি আনৰ সংস্কৃতিত শৰণ লোৱাটো ক্লীৱতা । আনহাতে সংস্কৃতি ৰক্ষাৰ নামত বিভিন্ন ঠাইৰ পৰা সাংস্কৃতিক উপাদান সংগ্ৰহ নকৰি পুৰণি সংস্কৃতিকে খামোচ মাৰি ধৰি থাকিব খোজাটো হ'ল আকৌ মৃত্যুকাঙক্ষাৰ নামান্তৰ। কাৰণ চলিষ্ণুতা তথা বৰ্ধিষ্ণুতা হ'ল সংস্কৃতিৰ প্ৰাণ, স্থিৰিতা ইয়াৰ মৃত্যু ।

(পূৰ্বে ৰচিত এটা প্ৰবন্ধৰ সম্প্ৰসাৰিত ৰূপ)

# নৈপৰীয়া কাবান

- নবীন কামান

**"স্মৃতি নিজৰ দুৱাৰ্ডলিত আজলি পাতি"**

দেউতাৰ চাকৰি সূত্ৰে এখন সৰু চহৰৰ পাৰ্শ্বৱৰ্ত্তী গাৱঁত | জন্ম গ্ৰহণ কৰি ডাঙৰ-দীঘল হৈছো। কিন্তু দেউতাহঁতৰ পুৰণি গাঁৱলৈ উৎসৱ-পাৰ্বনত প্ৰায়ে সৰুতে যাওঁ। সোৱণশিৰিৰ পাৰৰ এখন সৰু মিছিং গাওঁ। দেউতাহঁতৰ ঘাই ঘৰটো যৌথ পৰিয়াল থকা দীঘল চাঙ-ঘৰ। ৫টা পৰিয়ালৰ সৰ্বমুঠ ৩০-৩৫ জন সদস্য একেলগে থাকে। প্ৰায় ৫০ মিটাৰ দৈৰ্ঘ্যৰ চাঙ ঘৰ। আগফালে- পাছফালে ধানৰ কেইবাটাও ভৰাল। ১০০-১৫০ গৰুৰে ভৰা গোহালি। মহৰ খুটি। দৈনিক ৩-৪ টিন গৰু- মহৰ গাখীৰ খীৰায় । | হাতীও এজনী আছিল। খেতিৰ মাটি ২০০-২৫০ বিঘা আছিল। আহু - শালি ধানৰ ওপৰিও মাহ, সৰিয়হৰ খেতি প্ৰচুৰ পৰিমানে কৰিছিল। ধান, মাহ, সৰিয়হ ইমানেই উৎপাদন হৈছিল যে সেইবোৰ হাতীৰ গাড়ীৰে টানি পথাৰৰ পৰা আনিছিল আৰু হাতীৰে মৰণা মাৰি চপাইছিল।

ইয়াৰ পাছত ৩০-৪০ বছৰ দীৰ্ঘ বিৰতিৰ অন্ততঃ দেউতাহঁতৰ সেই পুৰণি গাওঁখনৰ আৰু যৌথ পৰিয়ালটোৰ বৰ্ত্তমান যিখন | ছবি, সেয়া আকাশ-পাতাল প্ৰভেদ। সেই আহু শালিৰ বৃহৎ পথাৰ, | হালধীয়া দলিচাৰে ভৰা সৰিয়হ-তলী, গৰু-মহৰ খুটি, দীঘল দীঘল চাঙ ঘৰবোৰ, একেঘৰৰে ধানৰ একাধিক ভৰাল ইত্যাদিবোৰ আজি | আৰু দেখিবলৈ নাই। নদীৰ বুকুৰে সামৰি ললে সেই বৰ্ণনাতীত | প্ৰাচুৰ্য্য; এৰি থৈ গৈছে দুখ-দৰিদ্ৰতাৰ দীৰ্ঘায়িত ছবি। মোৰ দৰে | বহুতৰ বাবে শৈশৱত দেখা প্ৰাণ - প্ৰাচুৰ্য্যৰে ভৰা সেই সৰু গাওঁখনিৰ ছবি এতিয়া মাথো ধূসৰ স্মৃতি !

**আছিলো ৰজাৰ পুতাই, শুকান বালিত উচুপি কান্দো, আজি কি বিলই, কিহৰ বিলই, আৰু বা কিমান বিলই ?**

মিচিংসকল নদী প্ৰিয় জনগোষ্ঠী। ব্ৰহ্মপুত্ৰ, সোৱণশিৰিকে আদি কৰি উজনি অসমৰ প্ৰায়বোৰ নদীৰ পাৰত এই জনগোষ্ঠীৰ লোকসকলক বাস কৰা দেখা যায়। কৃষি মূল জীৱিকা । প্ৰকৃতিৰ সহজলভ্য সম্পদৰ ওপৰত নিৰ্ভৰ কৰিয়েই এই জনগোষ্ঠীৰ লোকসকলে অতীজৰ পৰা জীৱন নিৰ্বাহ কৰি আহিছে। যিহেতু অধিক সংখ্যক লোকৰ বসতি স্থান নদীৰ পাৰত অৱস্থিত আদিতে শালি খেতিতকৈ আহু আৰু বাও ধানৰ খেতি বেছিকৈ প্ৰচলন আছিল । নৈপৰীয়া পলসপৰা মাটিবোৰৰ হাবি জংঘল কাটি-ভাঙি জুই জ্বলাই, কোৰেৰে চবিয়াই ঝুমিং পদ্ধতিত আহু - বাও ধানবোৰ ফাগুন মাহত সিঁচা আৰম্ভ কৰিছিল। কিন্তু কালক্ৰমত শালিধানৰ বাবে উপযুক্ত মাটি ওলোৱাৰ লগে লগে গৰু-মহেৰে টনা নাঙলেৰে খেতি কৰাৰ অভ্যাস গঢ় ললে । আনকি মাহ, সৰিয়হ আদি খেতিৰ ক্ষেত্ৰটো আজি কিছু বছৰলৈকে হাবি-জংঘল ভাঙি ঝুমিং পদ্ধতিত খেতি কৰাৰ অভ্যাস আছিল। তদুপৰি নদীৰ পাৰৰ হাবি- জংঘলবোৰৰ পৰাই দৈনন্দিন ব্যৱহৃত খৰি, বাহঁ-বেত, খেৰ, মাছ - পুঠি, শাক-পাছলি ইত্যাদিবোৰ সংগ্ৰহ কৰি নদী ভিত্তিক আদিম জনগোষ্ঠীয় জীৱন নিৰ্বাহৰ প্ৰণালী এটা গঢ় লৈছে। ফলশ্ৰুতিত এই জনগোষ্ঠীৰ মাজত আজি পৰ্য্যন্ত স্থায়ী প্ৰণালীগত কৃষি পদ্ধতি এটা গঢ় লৈ উঠা নাই। নৈপৰীয়া প্ৰতিকূল পৰিৱেশ, দৈনন্দিন জীৱন নিৰ্বাহৰ বাবে মাত্ৰাধিক প্ৰাকৃতিকভাৱে সহজলভ্য সম্পদৰ ওপৰত নিৰ্ভৰশীলতা আৰু উপযুক্ত শিক্ষাৰ অভাৱত আদিম

| জনগোষ্ঠীয় জীৱনৰ প্ৰতি এৰাব নোৱাৰা মোহ এই জনগোষ্ঠীৰ | লোকসকলৰ আৰ্থ- সামাজিক বিকাশৰ ক্ষেত্ৰত অন্তৰায় হৈয়ে আছে।

কিন্তু বৰ্ত্তমান পৰিৱৰ্ত্তিত অৰ্থনৈতিক বিশ্বায়নে বিশ্বৰ সকলো | প্ৰান্তৰৰ মানুহকে স্পৰ্শ কৰিছে। এই প্ৰেক্ষাপটত মিচিং জনগোষ্ঠীৰ আৰ্থ-সামাজিক দিশ পৰ্য্যালোচনা কৰিলে আমাৰ সন্মুখত নিৰাশজনক এখন ছবি ভাঁহি উঠে। যি জনগোষ্ঠীৰ সমগ্ৰ জীৱন নিৰ্বাহৰ প্ৰণালী কেৱল প্ৰাকৃতিকভাৱে সহজলভ্য সম্পদৰ ওপৰত নিৰ্ভৰশীল, তেনেস্থলত বৰ্ত্তমানৰ বজাৰকেন্দ্ৰীক তীব্ৰ | প্ৰতিযোগিতামূলক অৰ্থনীতিৰ মুখা-মুখি হ'ব পৰা প্ৰস্তুতি ক'ত? | তদুপৰি বৰ্ধিত জনসংখ্যাৰ চাপ, জীৱন নিৰ্বাহৰ বাবে মাত্ৰাধিক | প্ৰকৃতি নিৰ্ভৰশীলতাই এই জনগোষ্ঠীৰ বসতিপ্ৰধান অঞ্চল সমূহ | প্ৰাকৃতিক ভাৰসাম্যতাৰ ওপৰত নিশ্চিতভাৱে প্ৰভাৱ পেলাইছে। | ফলস্বৰূপে বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগ ক্ৰমাগতভাৱে বাঢ়ি আহিছে। নদীৰ পাৰৰ গাওঁবোৰৰ সেই চিনাকী দীঘল চাঙ ঘৰবোৰৰ | সলনি মথাউৰিত আশ্ৰয় লোৱা ভগা-পঁজা, শইচে-মৎস্যে ভৰপূৰ | নদীৰ পাৰবোৰ কহুৱা, খাগৰিৰে ভৰা মৰু সদৃশ শুকান বালিচৰ । “আছিলো ৰজাৰ পুতাই, শুকান বালিত উচুপি কান্দো, আজি কি বিলই, কিহৰ বিলই, আৰু বা কিমান বিলই ? ”

**কোনে দেখুৱাব নদীৰ বুকুৰ পৰা উভতি অহা বাট ?**

এক চহকী ঐতিহ্য, লোক কৃষ্টিৰে সমৃদ্ধ এই জনগোষ্ঠীটো আৰ্থিক, সামাজিক গৰাখহনীয়াৰ বুকুত নিচিহ্ন হোৱাৰ উপক্ৰম হৈছে। এপাচি শাকত এটা জালুকৰ দৰে মুষ্টিমেয় কিছু লোক শিক্ষা-দীক্ষা গ্ৰহণ কৰি বিভিন্ন কৰ্মক্ষেত্ৰত নিয়োজিত হৈছে। কিন্তু | গৰিষ্ঠ সংখ্যক এতিয়াও অশিক্ষিত, নিৰক্ষৰ। এই জনগোষ্ঠীৰ বসতিপ্ৰধান বেছিভাগ অঞ্চলেই সূচল যাতায়ত ব্যৱস্থাৰ পৰা বঞ্চিত হৈ আছে। স্বাস্থ্যসেৱা আৰু শিক্ষানুষ্ঠানবোৰৰ অৱস্থা অতি শোচনীয়। ৭০-৮০ শতাংশ গাঁৱত বিজুলী যোগানৰ ব্যৱস্থা নাই । ইয়াৰ বাবে কেৱল চৰকাৰ নামৰ প্ৰশাসন যন্ত্ৰটোৱেই দায়ীনে? শিক্ষিত সামাজিকভাৱে সচেতন লোকসকলৰ দায়িত্ব কি? এই গাওঁবোৰ পৰিত্যক্ত আৱৰ্জনাৰ দৰে আমি এৰি দিছো । সামাজিক, আৰ্থিক, বৌদ্ধিক, সাংস্কৃতিক বিকাশৰ সলনি আমি শিক্ষিতসকলে গাৱঁলৈ সোমোৱাই দিছো সস্তীয়া অপ-সংস্কৃতি আৰু বৌদ্ধিক বন্ধ্যাত্ব। তৈয়াৰ কৰিছো দুষ্ট ৰাজনীতিকৰ ক্ৰীড়াঙ্গন। আনহাতে চৰকাৰে এই জনগোষ্ঠীৰ স্বায়ত্ব শাসনৰ নামত জন্ম দিছে এচাম লুণ্ঠনকাৰী, সমাজবিৰোধী শ্ৰেণীৰ। যিসকল লোকৰ আধুনিক জগত সভ্যতা সম্পৰ্কে ন্যুনতম ধ্যান-ধাৰণা বাদেই আনকি নিজৰ নামটোও শুদ্ধকৈ লিখিব নোৱাৰা এচাম মানুহৰ হাতত এই সমস্যাপূৰ্ণ জনগোষ্ঠীৰ ভৱিষ্যত গটাই দি এই জনগোষ্ঠীটোক অধিক জটিলতাৰ গহ্বৰলৈ ঠেলি দিয়া হৈছে। আমি শিক্ষিতসকলে নিৰাপদ দুৰত্বত অৱস্থান কৰি এই নৈপৰীয়া লোকসকলক এৰি থৈ আহিছো নদীৰ বুকুৰ অটল তলীত । এই লোকসকলক কোনে দেখুৱাব নদীৰ বুকুৰ পৰা উভতি অহা বাট? ইয়াৰ বাবে আদিম জনগোষ্ঠীয় জীৱন প্ৰণালীৰ মোহ এৰি আধুনিক জগতৰ স'তে মুখা-মুখি হ'ব পৰাকৈ সামাজিক, আৰ্থিক, বৌদ্ধিক উত্তৰণৰ চেতনা জাগৃত কৰিব লাগিব । যি জাগৰিত চেতনাই দেখুৱাব নদীৰ বুকুৰ পৰা উভতি অহা বাট ।

নিৱন্ধটিত কবি নবকান্ত বৰুৱা আৰু হীৰেণ ভট্টাচাৰ্য্যৰ কবিতাৰ দুটি স্তৱক ব্যৱহাৰ কৰা হৈছে। তাৰ বাবে লিখক কবিদুজনৰ ওচৰত ঋণী। -লিখক।

# মিচিং সমাজৰ অইনিঃতম

-মৃণালী কাগয়ু

মানৱ সভ্যতাৰ সকলো জাতি জনগোষ্ঠীৰেই লিখিত | সাহিত্যৰ সৃষ্টিৰ আগত মৌখিক সাহিত্যৰ প্ৰচলিত হয়। অসমৰ | শদিয়াৰপৰা বুৰৈ ভৰলীলৈকে বিশাল ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে, সোৱনশিৰি, দিচাং, দিখৌ, জাঁজী ইত্যাদিৰ পাৰে পাৰে চাং ঘৰ সাজি বসবাস কৰা দ্বিতীয় সৰ্ববৃহৎ জনজাতিৰূপে বিদিত মিচিং | সকলৰো একেদৰেই মৌখিক সাহিত্য আদিমৰে পৰাই মুখে মুখে প্ৰচলিত হৈ আহিছে। মৌখিক সাহিত্যৰ অন্যতম বিভাগ হৈছে লোকগীতবোৰ। মিচিং সমাজৰ লোকগীতবোৰৰ ভিতৰত কাবান, আঃবাং, বৃঃৰূপ, লুপ, মিদাং, মমান, কঃ-নিঃনাম, অই নিঃতম | ইত্যাদি।

মিচিং সমাজত প্ৰচলিত এই লোক গীতবোৰৰ ভিতৰত আটাইতকৈ জনপ্ৰিয় হৈছে অই নিঃতম। যাৰ অৰ্থ - মৰমৰ গীত, প্ৰিয় জনক লৈ গোৱা গীত। অই নিঃতম দুটা পদৰ সমষ্টি। 'অই' হ'ল অতি মৰমৰজনক সম্বোধন কৰা মিচিংসকলৰ জনপ্ৰিয় শব্দ । এই শব্দৰে অগ্ৰজ বা অনুজ যিকোনো অচিনাকী ব্যক্তিকো সম্বোধন | কৰিব পাৰি। আনহাতে অন্তৰৰ নিভৃত কোণৰ আপোনজনক অৰ্থাৎ প্ৰেমিক-প্ৰেমিকাকো 'অই'শব্দৰেই সম্বোধন কৰে। গতিকে 'অই' শব্দই প্ৰেমিক-প্ৰেমিকাক বুজোৱাৰ লগতে যিকোনো ব্যক্তিৰ | সম্বোধনৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। 'নিঃতম' শব্দই নিঃ ধাতু - নিচুকুৱা ; চেনেহৰ গীত গাই মন ভুলোৱা । তম প্ৰত্যয় - উদ্দেশ্যে, যাক লৈ গীতটো পৰিৱেশন কৰা হয়। এই অই নিঃতমক অসমীয়া লোকগীতৰ অন্যতম জনপ্ৰিয় বিহুগীত, বনগীত, বনঘোষৰ ভাৱ -ভাষাৰ লগত তুলনা কৰিব পাৰি ।

ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰা মৌখিক সাহিত্য বা লোকগীতবোৰৰ উৎপত্তি কেনেধৰণে ক'ত কেনেকৈ হ'ল নিৰ্দ্ধাৰণ কৰিব নোৱাৰি, ঠিক সেইদৰে মিচিং ভাষাৰ লোকগীতক | সমৃদ্ধিশালী কৰা অইনিঃতমৰো উৎপত্তিৰ বিষয়ে সঠিককৈ কব নোৱাৰি। মানৱসভ্যতাৰূপে সৃষ্টিৰ পাতনিতেই মানুহে যেতিয়া শব্দৰ মাধ্যমেদি মনৰ সুখ-দুখ, হাঁহি-কান্দোনৰ ভাৱ-অনুভূতিৰ প্ৰকাশিত ৰূপ পালে তেতিয়াৰ পৰাই অইনিঃতমৰো সৃষ্টি হৈছে। এই অইনিঃতমে বোঁৱতি নদীয়ে সময়ে সময়ে সোঁতৰ গতি সলনি কৰি নতুন ৰূপ লোৱাৰ দৰে সময়ৰ পৰিবৰ্তনৰ লগত খাপ খাই | বিভিন্ন সময়ত ইয়াৰ ভাৱ-ভাষা, সুৰৰ পৰিবৰ্তন হৈ আহি আজিৰ ৰূপ পাইছেহি ।

অইনিঃতমৰ নিৰ্দিষ্ট কোনো লেখক নাই। মানুহৰ মুখে মুখে প্ৰচলিত হৈ অহা এই অই নিঃতমক যিয়ে পৰিৱেশন কৰে তেওঁৰেই প্ৰাণৰ ভাষাৰূপে প্ৰকাশিত হয়। ইয়াক পৰিবেশন কৰাৰ সময়ত শ্ৰোতাৰো একাত্মতাৰ প্ৰয়োজন হয়। সেয়েহে ইয়াত গায়ক আৰু শ্ৰোতাৰ মাজত সমৰূপতা স্থাপন হয়। ইয়াক কোনো এগৰাকী ব্যক্তিক লৈ গোৱা নহয়। ই সাৰ্বজনীন চিৰন্তন মনৰ বিনিময়ৰ এটা জনপ্ৰিয় মাধ্যম ।

অই নিঃতমৰ প্ৰেমেই প্ৰধান উৎস। ই মিচিং সমাজৰ আবাল - বৃদ্ধ বণিতা সকলোৰে অতি আদৰৰ আপুৰুগীয়া সম্পদৰূপেই পৰিগণিত। তথাপিও অসমীয়া বিহুগীতৰ দৰেই যৌৱনপুষ্ট ডেকা- গাভৰুৰ মাজত ইয়াৰ জনপ্ৰিয়তা অতি বেছি। পুৱাতেই কৃষিজীৱী যুৱকসকলে হাল জুৰিব যাওঁতে কান্ধত নাঙলখন লৈ এচাৰি দালেৰে হালৰ গৰু খেদি খেদি পথাৰ নাপাওঁতেই অইনিঃতমৰ গুন গুননিৰ আৰম্ভণি হয়। য'ত খেতিয়কজনৰ দেহাৰ ঘাম মাটিত পেলাই শাৰীৰিক শ্ৰম কৰাৰ সময়তো নিজৰ কষ্ট পাহৰি থাকিবলৈ শক্তি দিয়ে।

"চঃব (গৰু) আঃলীম লাগিমাং<br>
মেন্‌জেগ আঃলীম লাগিমাং<br>
কী মীনাম পাঃমূল<br>
কুয়াব তাগ্‌লা দবপী।"

খেতি কৰি খাবলৈ মোক গৰুহাল নালাগে ম'হৰ হালখনৰো প্ৰয়োজন নাই। কিন্তু মোৰ মৰমীৰ সৈতে যদি মোৰ মিলন হয়, তেন্তে কোৰেৰেই খেতি কৰি খাম ।

"দঃগ্ৰিবৃ চাঃদুনী লৃগই লৃগ্‌লা।

মীনাম অইব্ লেন্দুনী গীজুবই গীকাবলা। সুৰুযে ৰঙীণ বোল সানি উদয়াচলত দেখা দিছে। মোৰ মানস ৰাণীও-অনুপমা হৈ উলাইছে নানা ৰঙৰ সাজ পিন্ধি।

এফালৰ পৰা চাবলৈ গ'লে অইনিঃতম পৰিবেশন কৰাৰ কোনো নিৰ্দিষ্ট স্থান নাই। হালোৱা গৰাকীৰ দৰে ৰোৱনী/দাৱনীৰ মুখতো সুন্দৰ-সুললিত ৰূপত শুনিবলৈ পোৱা যায়। বিশেষকৈ ধান ৰোৱাৰ সময়ৰ ৰ'দৰ প্ৰখৰতাতকৈ শীতকালীন কুঁৱলীৰ জাল ফালি নিয়ঁৰ গছকি গছকি কাঁচিখনৰ ছেৱে ছেৱে যেন সুৰ মিলাই দাৱনী গৰাকীয়ে গায়-

"আপিন কামপদ কামমাং আপিন কীনদ্ কাবদু

নক্কী কামপদ কামমাং নক্কী আয়াদ কাবদুং"

বগাভাতে কান্দোৱা নাই পেটৰ ভোকেহ কান্দোৱাইছে

তোমাৰ ধুণীয়া চেহেৰাই কন্দোৱা নাই তোমাৰ হিয়াৰ মৰমেহে কন্দোৱাইছে। এই দৰে| অইনিতঃমৰ অৰ্থবোৰ ভাঙনি কৰিলে প্ৰায়েই প্ৰেমিকে প্ৰেমিকাক আৰু প্ৰেমিকাই প্ৰেমিকক লৈ গোৱা, দেখা যায়। সেইকাৰণেই এই অইনিঃতমক কোনো কোনোৱে প্ৰেমৰেই গীত বুলি আখ্যা দিব বিচাৰে। তথাপিও অন্য বিষয়ৰ অইনিঃতমো নথকা নহয়।

অসমৰ অন্যান্য সম্প্ৰদায়ৰ নাৰীসকলতকৈ মিচিং সম্প্ৰদায়ৰ| তথা জনজাতীয় নাৰীসকল যথেষ্ঠ কৰ্মঠ। মিচিং নাৰীসকলে একপ্ৰকাৰ ঘৰৰ সকলো কামেই চম্ভালিব লগীয়া হয়। যিসময়ত| অন্যান্য নাৰীয়ে নিদ্ৰাদেৱীৰ কোলাত আশ্ৰয় লৈ নিশ্চিন্তে থাকে সেই সময়ত অৰ্থাৎ - কুকুৰাৰ প্ৰথম ডাকতেই বিচনাৰ উম ত্যাগ কৰি বাস্তৱৰ মুখামুখি হ'বলগীয়া হয় এই মিচিং নাৰীসকল। আজিৰ| বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ সফল প্ৰয়োগৰ সময়তো তেওঁলোকে উৰালত ধান খুন্দি, ভৰিৰে ধান মাৰি, হাবিৰ পৰা খৰি লুৰি, বিল- পুখুৰীৰ পৰা মাছ সংগ্ৰহ কৰাতো তেওঁলোকৰ নিত্ত-নৈমিত্তিক কাম। তেওঁলোকৰ যেন ভাগৰ কি বস্তু বুজিবলৈ আহৰি নাই। এইবোৰ কাম কৰাৰ মাজেৰে প্ৰিয় অইনিঃতমবোৰ গাই থাকোতে - যত দুখ কষ্টৰ সময়ত মানসিক শান্তিৰ বাবে, প্ৰেমিকলৈ মনত পৰাৰ সময়ত প্ৰেমিকক লৈ, যুদ্ধ-বিগ্ৰহ, আনন্দ, হাঁহি-কান্দোন সকলোকে লৈ অইনিঃতম গোৱা হয়।

"আচি জিলি জিলিক' মিক্চি জিলি জিলিক'

আচি জিলি পৃয়েপী মিক্চি জিলি পুনপীমাং"

প্ৰকৃতিৰ নিজৰা শুকাব পাৰে কিন্তু চকুৰ পানীৰে যি নিজৰাৰ সৃষ্টি হয় সেই নিজৰা কেতিয়াও নুশুকায়।

প্ৰকৃতিৰ কবিৰূপে পৰিচিত ইংৰাজ কবি Wordsworth ৰ Solitary Reaperৰ দৰে নিজান দুপৰীয়া বহল মুকলি পথাৰ বা মাছ বাই থকা সময়ত অকলশৰীয়াকৈ আপোনমনেৰে মিচিং গাভৰুৱে গাই-

"কুৰুৱাঙী কাৰদুং মৃতুলাং অই অবলা

ঙকী আচিন অদুং ৰংকিলা অই ৰংকিলা।" কুৰুৱা চৰায়ে গছৰ ডালত বহি ইফালে সিফালে চাই আকুল সুৰত কান্দে, মোৰ প্ৰাণো আকুলি বিকুলি কান্দে কিবা এটা অচিনাকী নজনা ভাৱত। মিচিং নাৰীসকল তাঁতবোৱাত বিখ্যাত বুলিব পাৰি। তেওঁলোকৰ পাকৈত হাতেৰে আকাশত বিচৰণ কৰা চৰাইৰ পৰা আদি কৰি প্ৰকৃতিৰ বিভিন্ন বিষয়ক লৈ ফুল বাছি প্ৰিয়জনক দিবলৈ বুলি সাঁচি থয় - য'ত ৰঙাপাৰিৰ গামোছাৰে, ময়ুৰ পখীৰ ফুলেৰে আৰু তাজমহলৰ সুন্দৰ চানেকি ফুল তুলি মিবু গালুক বৈ প্ৰিয়জনক উপহাৰ স্বৰূপে যাঁচে।

"তবুলা তৃনাম দুমীৰ দীম, লুনী-গেনে আঙ্গুনকি

তৃনাম মিবু গালুকদীম গীমগেলা কায়ীনী।" মিচিংসকলৰ জাতীয় উৎসৱ হৈছে আলি আঃয়ে লৃগাং। শীত গৈ বসন্তৰ আগমনৰ সময়ত যেন প্ৰকৃততেই বসন্তক আদৰিবলৈ এই উৎসৱ উদ্‌যাপন কৰা হয় ফাগুনৰ প্ৰথম বুধবাৰৰপৰা। প্ৰত্যেক ঘৰে ঘৰে গুমৰাগ নৃত্যৰ লগতে প্ৰাণঢালি এই অইনিঃতম গোৱা হয়। য'ত

বান-প্ৰপীড়িত, ৰাজনৈতিকভাৱে অনাদৃত, বিভিন্ন সমস্যাৰে জৰ্জৰিত দলিত-পীড়িত, শোষিত মিচিং সমাজৰ দুখবোৰ ক্ষন্তেকৰ বাবে হ'লেও পাহৰি অইনিঃতম গাই আনন্দৰে উৎসৱ পালন কৰি অসমীয়া গান সংস্কৃতিৰ বাৰেৰহনীয়া ফুলৰ সৌন্দৰ্যত ৰহণ চৰায়।

“আপিন কামপদ কামমাং আপন কান্দ ফাৰদুং নক্কা কামপদ কামমাং নফী আয়াদ ফাৰদুং”বগাভাতে কান্দোৰা নাই পেটৰ ভোকেই কান্দোৰাইছে তোমাৰ ধণীয়া চেহেৰাই কন্দোৰা নাই

“আচি বিদ্’ বিদ্’ল চূঃচাং আচিন্ বিদমৃনদাগ
পাগুন আচাৰ চাৰ্ক'ল ঙক্কী আচিন চাৰনদাগ ।
নাইয়ী নীঙান ঙান্দুবং দাগ আচাৰ চাৰদুবং
নীবৃৰ্ অই বৃক্কামপী বিল্লা দুঃঃদাগ।।”

নৈৰ পানীৰ সোঁতে সোঁতে আমাৰ ডেকা মন উটি ভাঁহি যায়, ফাগুনৰ বা লাগি আমাৰ উৰণীয়া মন কোনোবা অজান দেশলৈ উৰা মাৰি যায় ।
বসন্তৰ পৰশ পাই প্ৰকৃতি ৰাজ্যত গছ-গছনিয়ে নতুন কুঁহিপাত মেলে আৰু ফুলেৰে হালি জালি নাছি থকাৰ দৰে আমাৰ চেঙেলীয়া মনেও চিৰদিন নাচি বাগি থাকিব খোজে।
এইদৰে প্ৰত্যেকটো দিশতেই যেন মিচিং সমাজত অই নিঃতমৰ প্ৰভাৱ দেখা যায়। ইয়ে লোকগীতৰ ভঁৰাল চহকী কৰাৰ| লগতে মিচিং সমাজৰ বাপতি সাহোন স্বৰূপ। যত সমাজ ব্যৱস্থাৰ পৰা আদি কৰি মিচিং সংস্কৃতিৰ সকলো দিশৰেই প্ৰকাশ ঘটে।
মিচিংসকল সমাজপ্ৰিয়। তেওঁলোকে শান্তিপূৰ্ণ সমাজত থাকিবলৈ সদায়েই বিচাৰে। তেওঁলোকৰ খং-ৰাগ থাকিলেও উৎসৱ-পাৰ্বনৰ সময়ত একতাৰ ডোলেৰে বান্ধ খোৱা দেখা যায় । এইদৰে দেখা যায় যে - খাটি খোৱা মিচিং সমাজৰ উৎসৱ-পাৰ্বনৰ পৰা আদি কৰি দৈনন্দিন জীৱন-ধাৰণতো অইনিঃতমৰ প্ৰভাৱ বিদ্যমান। য'ত মনৰ সমস্ত পুঞ্জীভূত হৰ্ষ-বিষাদ, হাঁহি-কান্দোন প্ৰকাশ কৰিব পাৰে। যেনেধৰণে অসমীয়া বিহুগীতৰ মাধ্যমেদি অসমীয়া সংস্কৃতিৰ প্ৰকাশ ঘটে, সেইদৰে অইনিঃতমৰ মাজেি প্ৰেমৰ উপৰি মিচিং সমাজৰ জীৱন-ধাৰণ প্ৰণালী, সমাজ সংস্কৃতি ৰেঙণি আদিও প্ৰকাশ পায়।

সুক্ষমভাৱে বিশ্লেষণ কৰি চালে অইনিঃতম মিচিং সমাজৰ হি এক এৰাব নোৱাৰা অমূল্য সম্পদ। যিহেতু মানুহ মাত্ৰকে নুন্যতম প্ৰয়োজনীয় অন্ন-বস্ত্ৰ বাসস্থানৰ উপৰিও কিছুমান সমলৰ প্ৰয়োজন বোৰ সমলৰ মাধ্যমেদি মানুহে মনৰ ভাববোৰ প্ৰকাশ কৰি তৃপ্তি লভিব পাৰে। মিচিং সমাজৰ অন্যতম সমল হৈছে অই নিঃতমবোৰ । ইয়াৰ ভাষা প্ৰাঞ্জল, ভাৱ সৰল আৰু ছন্দোময়, লালিত্য ভংগিমা অতি সুন্দৰ। ইয়াক দুইশাৰীয়া পদছন্দত গোৱা হয়। মুঠৰ ওপৰত মিচিং সমাজৰ দৈনন্দিন জীৱনৰ ভাৱ অনুভূতিৰ প্ৰকাশৰ মাধ্যম, য'ত পৃথিৱীৰ বিখ্যাত কবি-সাহিত্যিকে ব্যৱহাৰ কৰা সুন্দৰ চিত্ৰকল্প, প্ৰতীকবোৰৰ ব্যৱহাৰ এই লোকগীতবোৰত প্ৰয়োগ কৰা হয়। য'ত সপোনপুৰীৰ অপেশ্বৰীকো আনি অংকন কৰা হয়, স্বৰ্গৰ দেৱতা, প্ৰকৃতিৰ অপূৰ্ব চিত্ৰ, তাজমহল আদিৰ সুন্দৰ প্ৰয়োগেৰে এই অই নিঃতমে মিচিং মৌখিক সাহিত্য আৰু লোকগীতৰ দিশত অমূল্য সম্পদৰূপে স্বীকৃত হোৱাৰ লগতে অসমীয়া মৌখিক সাহিত্যৰ দিশ চহকী কৰিবলৈ ইন্ধন যোগাব পাৰিছে। মাথোন তাক সংৰক্ষণ কৰি অসমৰ মাজ-মজিয়াৰ পৰা বিশ্ব মঞ্চলৈ উলিয়াই নি সংস্কৃতি বিকাশৰ ক্ষেত্ৰত প্ৰয়োগ কৰিবলৈ চেষ্টা কৰিব লাগিব উঠি অহা যুৱচামে।

**“আচি বিদক' বিদক'ল চংচাং আচিন বিদমুনদাগ পাগুন আঁচাৰ চাৰফল ওক্কা আচিন চাৰমনদাগ। নাইয়া নাঙান ভানদুবং দাফতগ আচাৰ চাৰদুখং নীবৃৰ এই বৃৰকামপী বিমলা দঃলঃদাগ।।***
**নৈৰ পানীৰ মোতে মৌতে আমাৰ ডেকা মন উটি ভাহি যায়, ফাগুনৰ বা লাগি আমাৰ উৰণীয়া মন কোনোবা অজান দেশলৈ উৰা মাৰি যায়।**

# মিচিং বাদ্য যন্ত্ৰ

**শ্ৰী অতুল পেগু,গালি (জনাই)।**

অতীজৰে পৰাই মিচিং সকল নৃত্যগীত প্ৰিয় এটা জনগোষ্ঠী। প্ৰাচীন কালত মিচিংসকলৰ মাজত বাদ্য যন্ত্ৰ প্ৰচলন হোৱাৰ আগতে গীতৰ তালে তালে হাত চাপৰি বজাই নৃত্য কৰিছিল। উদাহৰণ হিচাপে মিচিং লোক নৃত্য Selloya আৰু Lcrcli নৃত্যলৈ আঙুলিয়াব পাৰি। এই দুয়োবিধ নৃত্যত কোনো ধৰণৰ বাদ্যযন্ত্ৰ প্ৰয়োগ কৰা নহৈছিল।

কালক্ৰমত মিচিং সমাজতো বাদ্যযন্ত্ৰৰ প্ৰচলন হ'বলৈ ধৰিলে। সংখ্যা হিচাপে মিচিঙৰ বাদ্যযন্ত্ৰ অসংখ্য যদিও বৰ্ত্তমানে গীত-মাত, নৃত্য আৰু কলা কৃষ্টি প্ৰদৰ্শনত ব্যৱহাৰ হোৱা বাদ্য | সমূহকহে এই আলোচনাত সাঙুৰী লব বিচাৰিছো। এই দিশৰ পৰা লক্ষ্য কৰিলে তলত উল্লেখ কৰা বাদ্য যন্ত্ৰ সমূহক মিচিঙৰ বাদ্য যন্ত্ৰ বুলি ধৰিব পাৰি ।

১) Sapcreng (চাপীৰীঙ

2) Lc:nong (লৌঃনঙ)

3/ Marbang (মাৰবাং

৪) Korcg (কঃৰীগ)

5/ Derki Tapung (দৌৰকি তাপুং)

6/Kctpong Tapung (কেতপং তাপুং)

7/ Jegrong Tapung (জৌগৰীগ তাপুং)

8/ Cjug Tapung (এজুগ তাপুং)

৯) Dendun (দেনদুন)

১০) Dumpak (দুমপাক)

১১) Dentuk (দেনটুক)

(১২) Dumpe (দুমপে )

১৩) Dumdum (দুমদুম

১৪) Lupi (লুঃপি)

15/ Gung Gang (গুংগাং) ইত্যাদি

এতিয়া আমি ওপৰত উল্লেখ কৰা বাদ্যযন্ত্ৰ সমূহৰ চিনাকী আৰু ব্যৱহাৰিক দিশ সম্পৰ্কে আলোচনা কৰিম ।

**1/ Sapcrcng**: আমি আগতেই উল্লেখ কৰি আহিছো যে বাদ্যযন্ত্ৰ প্ৰচলন হোৱাৰ আগতে হাত চাপৰি বজাই গীতৰ সংগত কৰিছিল। মিচিং সমাজত দেউদাই (মিবু) আবিৰ্ভাব হোৱাৰ পাছত মিবুৱে ব্যৱহাৰ কৰা য়ক্চাৰ নালত ৫ টা বৃত্তাকাৰ লোহাজাতীয় পদাৰ্থ ব্যৱহাৰ কৰিবলৈ ললে । য়কচা ডাল লৰ-চৰ কৰি দিলেই এই ৫টা লোহাই চেৰেক চেৰেককৈ শব্দৰ সৃষ্টি কৰে । এই পদাৰ্থকেই চটাকেই Sapcrcng বুলি কোৱা হয়। মিবু আঃবাঙৰ তালে তালে চেৰেককৈ চেৰেককৈ বজাই মিবু সকলে ইয়াক বাদ্যযন্ত্ৰৰ দৰে ব্যৱহাৰ কৰি আহিছে। এই দিশৰ পৰা লক্ষ্য কৰিলে Sapcrcngকেই মিচিঙৰ ব্যৱহাৰোপযোগী প্ৰথম বাদ্যযন্ত্ৰ বুলি ক'ব পৰা যায় । Sapcrcngৰ বাদে অন্য বাদ্যযন্ত্ৰ মিবু আঃবাং বা মিবু নৃত্যত ব্যৱহাৰ কৰিব নোৱাৰে ।

**২) Lc:nong:** জাপিৰ আকৃতিৰ দৰে কাঁহ জাতীয় পদাৰ্থৰে নিৰ্মীত এবিধ বাদ্য যন্ত্ৰ। ইয়াক বজাবৰ বাবে এডাল কাঠ বা বাঁহৰ মাৰিৰ এমূৰত কাপোৰ টানকৈ মেৰিয়াই লোৱা হয় ।পূৰ্ব্বতে এইবিধ বাদ্যযন্ত্ৰক গাওঁখনলৈ অহা বিপদ আপদৰ জাননী দিবলৈ, বিশেষ কাৰণত ৰাইজক গোট খুৱাবলৈ, ৰণ জয়ৰ সংকেত দিবলৈ আৰু বিশিষ্ট লোকৰ মৃত্যুত বা শৱ যাত্ৰাত বজোৱা হৈছিল। কিন্তু বৰ্ত্তমানে ইয়াক মিচিং লোকগীত, নৃত্য আদিৰ লগত সংগত কৰি ব্যৱহাৰ কৰাৰ উপৰিও গুমৰাগ নৃত্য বা লত্তা চঃমান বিলাকতো ঢোল বা অন্য বাদ্য যন্ত্ৰৰ লগত সংগতি ৰাখি বজোৱা দেখা যায়।

৩) **Marbang বা Barbang** : থালৰ আকৃতিৰ কাঁহজাতীয় পদাৰ্থৰে নিৰ্মিত অন্য এবিধ বাদ্য যন্ত্ৰ। ইয়াৰ ব্যৱহাৰিক দিশটো Lc:nong ৰ লগত প্ৰায় একেই।



**8) Ko:rcg** Lc:nong, Marbang অন্য বাদ্যযন্ত্ৰত সংগত দিবৰ বাবে ব্যৱহাৰ হোৱা অবিধ লঘু| বাদ্যযন্ত্ৰ। ইয়াক (তামাক) কাঠৰ পৰা নিৰ্মাণ কৰা হয়। জখলাৰ দৰে ইমূৰৰ পৰা সিমূৰলৈ খলপ কৰি লোৱা হয়। ইয়াক দতাল, | বন গাহৰীৰ দাঁতেৰে চেৰেক ছেৰেককৈবজোৱা হয় । ইয়াৰ কোনো এটা নিৰ্দিষ্ট ব্যৱহাৰ নাই ।

**৫/ Tapung** ফুঁ মাৰি বজোৱা বাদ্যযন্ত্ৰ সমূহক তাপুং বুলি কোৱা হয়। ইয়াৰ নিৰ্মাণ পদ্ধতি আৰু ব্যৱহাৰিক দিশলৈ | লক্ষ্য কৰি Tapungক কেবা ভাগত ভগোৱা হৈছে। যেনে - ১)Dcrki Tapung (2) Tutok 3) Jegrcng Tapung Tapung আৰু 8) Cjug Tapung

**Dcrki Tapung** পূৰ্ব্বতে এইবিধ বাদ্যক পাহাৰত গজ Dcrki নামৰ এবিধ বিশেষ ধৰণৰ বাঁহৰ দ্বাৰা বনোৱা | হৈছিল বাবেই ইয়াৰ নাম Derki Tapung। ইয়াৰ পাতবোৰ দীঘল। ভৈয়ামত ইয়াক পোৱা নাযায়। সেয়েহে সাম্প্ৰতিক কালত | ইয়াৰ ব্যৱহাৰ লুপ্তপ্ৰায় হৈ পৰিছে। Dcrki Tapungৰ আকৃতি বড়ো সকলৰ চিফুংটোৰ দৰেই । ইয়াৰ নিৰ্মাণ পদ্ধতি বাঁহীৰ সৈতে | একে। পূৰ্ব্বতে বিয়াত দৰা কইনা আদৰণি আৰু বিসৰ্জ্জন দিয়া | কাৰ্য্যত ইয়াক ব্যৱহাৰ কৰিছিল বুলি কয় । বৰ্ত্তমানে এইবিধ বাদ্যক বিভিন্ন ধৰণৰ আনন্দদায়ক গীতমাত যেনে - Oi Nitom, আনু নিঃতম আদিত ব্যৱহাৰ কৰা হয়। বিশিষ্ট লোকৰ আদৰণিটো এইবিধ বাদ্য বজোৱা হয়। ইয়াক পথালিকৈ বজোৱা হয় কাৰণে Kctpong Tapung বুলিয়ো কোৱা হয়।

**Kctpong Tapung** এইবিধ বাদ্যযন্ত্ৰৰ নিৰ্মাণ পদ্ধতি এনে ধৰণৰ – দুই মূৰত গাঠিবিহীন এটুকুৰা পোন সৰু বাঁহ লৈ ৫ টা বিন্ধা এটা নিৰ্দ্দিষ্ট জোখৰ আঁতৰে আঁতৰে দিয়া হয়। য'ত ফুঁ মাৰিব লাগে তাতো এটা বিন্ধা দিয়া হয়। বাঁহডালৰ এটা মূৰ (ফু মাৰিব লগা অংশ) বতাহ পাৰ হব নোৱাৰাকৈ বন্ধ কৰিব লাগে। এইবিধ বাদ্য বজাওতে Tapung ডালৰ ফু মাৰিব | লগা অংশটো সম্পূৰ্ণকৈ মুখলৈ আনি ৫টা বিন্ধা থকা অংশটো তললৈ কৰি বজোৱা হয় কাৰণে ইয়াৰ নাম Tutok Tapung এই Ta:pungক বিশেষভাবে বিষাদৰ গীত-মাতত ব্যৱহাৰ কৰা হয়। (যেনে – কাবান ইত্যাদি)।

**Jcgrcng Tapung** Menjeg A:rcng Jcgrcng অৰ্থাৎ মহৰ শিঙৰ দ্বাৰা নিৰ্মাণ হোৱা বাবেই এইবিধ বাদ্যৰ নামJcgrcng Tapung (পেপাঁ) পূৰ্ব্বতে ইয়াক Si: bv নামৰ এবিধ ছাগলী জাতীয় পাহাৰীয়া পহুৰ শিঙৰ দ্বাৰা বনোৱা হৈছিল। (উৎস শ্ৰী মাধৱ পেগু) এইবিধ Tapung ভক আনন্দদায়ক গীতৰ সুৰ তুলিবৰ কাৰণে বজোৱা হয়৷ বিশেষকৈ আমৰাগ চঃমান, লত্তা চঃমান ইত্যাদি।

**Cjug Tapung** Cjug শব্দৰ অৰ্থ লাও। লাওৰ খোলাৰ দ্বাৰা এইবিধ Tapung বনোৱা হয় বাবেই ইয়াক Cjug Tapung বুলি কোৱা হয়। এইবিধ বাদ্যক বিশেষ ধৰণৰ এবিধ লাওৰ দ্বাৰা বনোৱা হয়। যাক অসমীয়া ভাষাত তিতা লাও বুলি কয়। Cjug Tapung বনাবৰ বাবে এটা পুৰঠ তিতা লাও লৈ ভিতৰৰ গুটিবোৰ গুচাই সম্পূৰ্ণৰূপে শুকুৱাই লোৱা হয়। এই শুকান লাওটো তিনিটা সুৰুঙা কৰি প্ৰত্যেকতে একোটাকৈ বাঁহৰ নলীচা বাঁহীৰ নিচিনা কৰি লগাই লোৱা হয়। এই নলীচাবোৰৰ দুডাল সমান্তৰালভাবে আৰু এডাল এই দুয়োডালৰ ওপৰ অংশত দিয়া হয়। সমান্তৰালভাবে দিয়া নলা দুডালৰ চ প্ৰত্যেকতে বাঁহীৰ দৰে দুটাকৈ বিন্ধা কৰা হয় আৰু ওপৰত দিয়া নলীচা ডালত মাত্ৰ এটা বিন্ধা দিয়া হয়। নলীচাবোৰৰ প্ৰত্যেকতে লাওৰ খোলাৰ ভিতৰত সোমায় থকা অংশত শব্দ সৃষ্টি কৰিবৰ বাবে pill সংযোগ কৰা থাকে। তিনিডাল নলীচা থকা cjug Tapung ঙক Lv:svg বুলি কোৱা হয়। Lvsvg Cjug tapungঙেঁৰে সুৰ সৃষ্টি কৰাত বহুৎ কষ্ট হয় কাৰণে সৰলীকৃত কৰি দুইডাল নলীৰে Pumsu অৰ্থাৎ যোৰীয়া আৰু এডাল নলীৰে Tumbo|অৰ্থাৎ লগৰীয়া বিহীন Cjug Tapung বনোৱা হৈছে। এইবিধ বাদ্যযন্ত্ৰক মিচিংসকলে পশুপালন কৰিবলৈ শিকাৰ ■ পিছত হেৰুৱা মেঠুন বা ম'হৰ নাম ধৰি মাতিবৰ কাৰণে ব্যৱহাৰ কৰা হৈছিল (উৎস - মাধৱ পেগু)। বৰ্ত্তমান এইবিধ বাদ্যক উৎসৱ পাৰ্বনৰ শুভাৰম্ভত বিয়া সবাহত কিম্বা ডেকা গাভৰুৰ আনন্দ উলাহত ব্যৱহাৰ হোৱা দেখা যায়। এই Tapung বিধৰ ব্যৱহাৰ চুকে-কোণে থকা সকলো মিচিংলোকৰ মাজত প্ৰচলিত নহয় যদিও জনাই অঞ্চলৰ গালী- মেছাকী দূৰব্ব অপেঃয়ে ইয়াৰ দ্বাৰা এবিধ লোক নৃত্য পৰিবেশন কৰে। Cjug Tapungৰ নৃত্য আৰু ইয়াৰ মাতৰ এটা সুকীয়া বৈশিষ্ট আছে।

**Dendun :** এইবিধ বাদ্য সকলো মিচিঙৰ এটা প্ৰিয় বাদ্য। ইয়াক চেপক (টঙা) বা (পিমুক) মেগেলা নামৰ তৃণ জাতীয় উদ্ভিদৰ পৰা বনোৱা হয়। ইয়াৰ ব্যৱহাৰ ঢোলৰ দৰেই । ঐ নিতম,



কাবান বা ডেকা গাভৰু সকলৰ সকলো ধৰণৰ চঃমানত ব্যৱহাৰ কৰিব পৰা যায়।
**Dumpak :** এইবিধ বাদ্য শুকান-কুমলীয়া বাহৰ পৰা | বনোৱা হয়। এমূৰত গাঁঠি থকা তেনে এটুকুৰা শুকান বাহৰ ১- ১১/, ইঞ্চিমান দীঘল কৈ চাচি বজালে ঢোলৰ দৰে এটা শব্দ হয়। এই বাদ্য বিধকেই Dumpak বুলি কোৱা হয় । ইয়াক লত্তা চঃমান আদিত ঢোলৰ দৰে ব্যৱহাৰ কৰিব পাৰি।
**Dentuk** : আকৃতি Dumpak দৰেই যদিও ইয়া দুয়োমূৰে গাঁঠি থকা বাহৰ পৰা বনোৱা হয়। ঠিক Dendun দৰে যদিও ইয়াক দুৰচিয়াকৈ Archang কৰি বনোৱা হয়। এইবিধ | বাদ্য ঢোলৰ লগত বা তালৰ বিকল্প হিচাপে Dendunআৰু Dumpak ৰ সৈতে বজাব পাৰি ।
**Dumpc :** নলৰ দ্বাৰা নিৰ্মীত এবিধ বাদ্য। চিদুম (হ্লগৰী পহ্ল) কন্দা মাতৰ সৈতে একে হোৱা বাবেই এইবিধ বাদ্যক | Dumpe|বুলি কোৱা হয়। পূৰ্ব্বতে এইবিধ বাদ্যক চিকাৰত ব্যৱহাৰ কৰা হৈছিল। সেয়েহে বৰ্ত্তমান Apta so manত এইবিধ বাদ্যক ব্যৱহাৰ কৰা দেখা যায়।
**Gungang** বাঁহৰ দ্বাৰা নিৰ্মীত এবিধ বাদ্য । আৰু এক ধৰণৰ Gungang আছে। নাম Gutvg | Gungang | আঙুলীৰে আৰু Gutvg মিহি সূতাৰে বজোৱা হয়। এইবিধ | বাদ্যৰে ঐ নিঃতম, কাবান, আনু নিঃতম আদিৰ সুৰ বজোৱা হয় ।
Dum Dum আৰু Lupi মিচিং বাদ্য যন্ত্ৰ বিলাকৰ ভিতৰত এইবিধ বাদ্যৰ প্ৰচলন সৰ্ব্বব্যাপ্ত। কাজেই ইয়াৰ চিনাকী দিয়াৰ প্ৰয়োজনবোধ কৰা নাই ।

আকৌ ৪ৰ্থ মিচিং যুৱ মহোৎসৱ আহি আছে। মিচিং কলা- কৃষ্টিৰ বিভিন্ন বিষয়ৰ ওপৰত প্ৰতিযোগিতা পাতিব। অসমৰ বিভিন্ন অঞ্চলৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব। প্ৰতিযোগী সকলৰ বাদ্যৰ ব্যৱহাৰ, নৃত্যৰ অংগী-ভংগী, সাজ-পোছাকৰ ভিন্নতা দেখা যাব ।| বিচাৰ কি ধৰণে কৰা যাব? এটা কঠিন সমস্যা। কাৰটো ধৰা হ'ব বা কাৰটো এৰি দিব। উমৈহতীয়া বাদ্য ব্যৱহাৰ নোহোৱা দুটা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠত্বৰ বিচাৰ কেতিয়াও একে হ'ব নোৱাৰে।| আমি ওপৰত মিচিং বাদ্য কিছুমানৰ প্ৰয়োগৰ বিষয়ে আলোচনা কৰিছো ইমান খিনিয়েই যথেষ্ঠ নহয় ।
সেয়েহে এই বিশৃংখলতাখিনি আঁতৰ কৰিবৰ বাবে কৰণীয় কেইটামান পৰামৰ্শ মিচিং যুৱ মহোৎসৱৰ কেন্দ্ৰীয় সাংগঠনিক সমিতিলৈ দিব বিচাৰিছো ।

১) এতিয়ালৈকে সকলো অঞ্চলত প্ৰচাৰ বা ব্যৱহাৰ নকৰা বাদ্য সমূহৰ তালিকা প্ৰস্তুত কৰি ইয়াৰ সুৰ নিৰ্মাণ পদ্ধতি, ব্যৱহাৰ আদিৰ বিষয়ে সহায়ক হোৱাকৈ হাতপুথি প্ৰস্তুত কৰি প্ৰচাৰৰ ব্যৱস্থা কৰিব লাগে। ইতিমধ্যে আমি মিচিং বাদ্যযন্ত্ৰ সমূহৰ থুলমূল চিনাকী দিলো । বাদ্যযন্ত্ৰ সমূহৰ মিচিং কলা কৃষ্টিত এটা সুকীয়া গুৰুত্ব আছে। ইয়াৰ সংৰক্ষণ, প্ৰচাৰ আৰু উপযুক্ত প্ৰয়োগৰ বাবে যত্নপৰ হ'ব লাগিব। এতিয়া প্ৰশ্ন হৈছে আমাৰ সমাজত এই বাদ্যসমূহৰ যথোপযুক্ত প্ৰয়োগ হৈছেনে নাই?

অসমৰ বিভিন্ন অঞ্চলত মিচিং সকল সিঁচৰিত হৈ আছে। অঞ্চলভেদে এই বাদ্য সমূহৰ প্ৰচাৰ আৰু প্ৰয়োগৰ ভিন্নতা দেখা যায়। এনে বহু মিচিং গাঁও বা অঞ্চল আছে য'ত দেনদুন, দুমপাক বা Cjuk Tapung বজাব নাজানে। মিচিঙৰ ঐতিহাসিক লোকনৃত্য আপ্তা চঃমান বা চিকাৰ নৃত্যৰ বিষয়ে ক'ব নোৱাৰে। ঢোলৰ চেও বা চাপৰৰ প্ৰভেদ ঠাই ভেদে আছে। নাচৰ অংগী ভংগীৰ প্ৰভেদ আছে । এনেদৰে বিশৃংখল ভাবে মিচিং কলা-কৃষ্টিক আগবঢ়াই নিলে অপ-সংস্কৃতিয়ে গা কৰি উঠিব আৰু এটা সময়ত গ্ৰাস কৰি পেলাব। এনে সন্ধিক্ষণত মিচিং যুৱ মহোৎসৱৰ কেন্দ্ৰীয় সাংগঠনিক সমিতিৰ কৰ্মকৰ্তাসকলে মিচিং বাদ্য যন্ত্ৰ আৰু ইয়াৰ যথোপযুক্ত প্ৰয়োগৰ বিষয়ে আলোচনা অনুষ্ঠিত কৰাতো প্ৰয়োজন হৈছে। অৱশ্যে এই প্ৰভেদ বা বিশৃংখল প্ৰয়োগবোৰ কম সময়ৰ ভিতৰতে আঁতৰ কৰিব পৰা নাযাব ।

২) ইতিমধ্যেই মিচিং সমাজত সৰ্ব্বব্যাপ্ত বাদ্যযন্ত্ৰ সমূহৰ উমৈহতীয়া প্ৰয়োগৰ বাবে বা যথোপযুক্ত ব্যৱহাৰৰ বাবে কৰণীয় বহুতো কাম আছে। আমি আগতেই কৈ আহিছো ঠাইভেদে এইবোৰৰ প্ৰয়োগ, চেও, সুৰ আদিৰ প্ৰভেদ আছে। কাজেই

এইবোৰ দূৰ কৰি এটা উমৈহতীয়া প্ৰয়োগৰ কাৰণে এটা কমিটি গঠন কৰি অসমৰ বিভিন্ন অঞ্চলত থকা গাওঁ সমূহলৈ গৈ অধিক তথ্য সংগ্ৰহ কৰি শুদ্ধাশুদ্ধ বিচাৰ কৰি প্ৰয়োগৰ ব্যৱস্থা লব লাগিব ।

৩) মাজে মাজে অসমৰ বেলেগ বেলেগ অঞ্চলত কৰ্মশালা অনুষ্ঠিত কৰি উমৈহতীয়া প্ৰয়োগৰ ব্যৱস্থা কৰিব লাগিব । শেষত মিচিং দূৰব্‌টো এটা উন্নত দূৰবৃ হওক । মিচিং যুৱ মহোৎসৱ দীৰ্ঘজীৱি হওক, এই কামনা কৰিলো।



# নন্দনতাত্ত্বিক দ্বন্দ্বঃ
# আৰ্যীয় বনাম মংগোলয়ড নন্দনতত্ত্ব

খৰ্গেশ্বৰ পেগু
ৰতনপুৰ
ধেমাজি-৭৮৭০৫৭

প্ৰাক ঐতিহাসিক কালৰ কোনোবা এক শুভক্ষণত বৰ্ত্তমান ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলৰ ভূমিত মংগোলয়ড নৃ-গোষ্ঠীৰ লোকসকলে তেওঁলোকৰ সামাজিক আৰু সাংস্কৃতিক পৰিকাঠামো প্ৰতিষ্ঠা কৰিলে। এই সামজিক আৰু সাংস্কৃতিক পৰিকাঠামো একে সময়তে এক নিৰ্দিষ্ট সময়সন্ধিৰ ভিতৰত প্ৰতিষ্ঠা লাভ কৰা নাই । এই সামাজিক আৰু সাংস্কৃতিক পৰিকাঠামো প্ৰতিষ্ঠা হৈছে তৰপে তৰপে বছৰ বছৰৰ জাতীয় অনুশীলনৰ ফলত । এই মংগোলয়ড নৃ-গোষ্ঠীৰ বিভিন্ন গোটৰ বিভিন্ন ঠালৰ লোকসকলৰ ভাষা- | সংস্কৃতিৰ পাৰ্থক্য অৱশ্যেই দৃশ্যমান আছিল আৰু বৰ্ত্তমানো এইয়া দৃশ্যমান হৈয়েই আছে। মংগোলয়ড নৃ-গোষ্ঠীৰ নন্দনতাত্ত্বিক সাদৃশ্যতা তেতিয়াও বিদ্যমান আছিল আৰু আজিও আছে। এই নিবন্ধটিত মংগোলয়ড জনগোষ্ঠীসমূহৰ নৃ-তাত্ত্বিক বিশ্লেষণ কৰিব বিচৰা নাই। ইয়াত উত্তৰ পূৰ্বাঞ্চলৰ মংগোলয়ড জনগোষ্ঠীসমূহৰ প্ৰাক-ঐতিহাসিক কালৰ পৰা আজিলৈকে পুঞ্জীভূত অসন্তুষ্টি আৰু এই অসন্তুষ্টিবোৰে জন্ম দিয়া বিবিধ দ্বন্দ্বৰ উন্মেষেৰে আজিৰ সময়ত আৰম্ভ কৰা তীব্ৰতৰ আন্দোলন আৰু বিদ্ৰোহবোৰৰ | সমীক্ষাত্মক বিশ্লেষণ কৰিবলৈহে প্ৰচেষ্টা কৰা হ'ব। আনহাতেদি মংগোলয়ড নৃ-গোষ্ঠীৰ অন্তৰ্গত বিভিন্ন জনগোষ্ঠীৰ গোষ্ঠীকেন্দ্ৰিক | বিক্ষিপ্ত আন্দোলনসমূহ সামূহিক মেৰুকৰণৰ প্ৰচেষ্টাত এক সমীক্ষাত্মক পৰ্যালোচনা আগবঢ়াবলৈ এই নিবন্ধটিত চেষ্টা কৰা হৈছে।

প্ৰাক ঐতিহাসিক সময়ৰ পৰা ঐতিহাসিক সময়লৈকে উত্তৰ পূৰ্ব্বাঞ্চলৰ এই ভূ-খণ্ডত এই মংগোলড নৃগোষ্ঠীৰ অন্তৰ্গত জাতিগোষ্ঠীসমূহৰ সামৰ্থ্যবান মুৰব্বীলোকৰ দ্বাৰাই গোষ্ঠীকেন্দ্ৰিক ৰাষ্ট্ৰ ব্যৱস্থাৰ গঠনেৰে প্ৰশাসনিক ৰাজক্ষমতা পৰিচালনা কৰা হৈছিল। এনেধৰণৰ ৰাষ্ট্ৰ ব্যৱস্থাৰ আলমতেই ঐতিহাসিক বাবে গঢ় লৈছিল আহোম ৰাজ্য, মৰাণ মটক ৰাজ্য, কছাৰি ৰাজ্য, চিমকিলি অকা ৰাজ্য, কোঁচ ৰাজ্য, চুতীয়া ৰাজ্য ইত্যাদি সৰু বৰ বহুটো ৰাজ্য ক্ষেত্ৰ। এনেধৰণৰ ৰাজনৈতিক শাসন ব্যৱস্থাত মংগোলয়ড নৃ-গোষ্ঠীৰ জাতিগোষ্ঠীসমূহৰ পৰাই ৰজা নিৰ্ব্বাচন কৰা হৈছিল যদিও এই ৰাজ্যসমূহৰ ৰাজ পৰিয়ালৰ পৰা আৰম্ভ কৰি প্ৰজাবৰ্গলৈকে আৰ্যীয় সংস্কৃতিৰ পৰোক্ষ আক্ৰমণৰ দ্বাৰা | মংগোলয়ড নৃ-তাত্ত্বিক সংস্কৃতিক আঁতৰাই পাঠিওৱাৰ ক্ৰমাগত এক ব্যৱস্থা গঢ় লৈ উঠিছিল। এনেধৰণৰ আগ্ৰাসনৰ ফলশ্ৰুতিত প্ৰাকঐতিহাসিক কালৰ পৰা আজিলৈকে ক্ৰমাগতভাবে আৰ্যীয় নন্দনতাত্ত্বিক আৰু মংগোলয়ড নন্দনতাত্ত্বিকতাৰ মাজত এক অঘোষিত যুদ্ধ দীৰ্ঘদিন ধৰি আজিলৈকে চলি আছে। উত্তৰ-পূৰ্ব্বাঞ্চলৰ মংগোলয়ড জাতিগোষ্ঠীসমূহৰ অসন্তুষ্টিৰ বাবে গঢ় লোৱা এই গণ-আন্দোলনসমূহৰ ন্যায্যতাক স্বীকাৰ কৰি লোৱাৰ পিছত এই জাতি গোষ্ঠীসমূহৰ আৰ্থসামাজিক উন্নয়নৰ পটভূমিত এক ইতিবাচক বা ধনাত্মক পৰিসমাপ্তিৰ বাবে মংগোলয়ড নৃ- গোষ্ঠীৰ অন্তৰ্গত বিভিন্ন জাতিগোষ্ঠীৰ এই বিক্ষিপ্ত আন্দোলনসমূহক একত্ৰিত কৰিবলৈ এক মেৰুকৰণৰ প্ৰয়োজন আছে। কিন্তু আজিলৈকে বিভিন্ন সৰু বৰ দ্বন্দ্বৰ উকমুকণিত এই

জাতিগোষ্ঠীসমূহৰ এক একত্ৰিত আন্দোলন এতিয়াও সম্ভৱ হোৱা নাই। এই বিভিন্নতাখিনিৰ কাৰণ বিশেষকৈ ভৌগোলিক আৰু সামজিক, যাৰ পৰিণতিত আন্তঃগোষ্ঠীৰ মাজত সমন্বয় স্থাপন কৰি একত্ৰিত মেৰুকৰণৰ পথত বৈষ্যমতাৰ দোহাই দি অহা হৈছে অন্যাৰ্থত, সামুহিক প্ৰায়োজনৰ তাগিদাত অসম ভূ-খণ্ডতেই



| সমন্বিত অসমীয়া জাতিগঠনৰ পৰিকাঠামো ঐতিহাসিক সময়তে | ৰূপন কৰা হৈছে যদিও আন্তঃগোষ্ঠীগত বাহ্যিক আৰু আভ্যন্তৰীণ বৈষমতাৰ দোহাই দি অঞ্চলটোৰ সামূহিক স্বাৰ্থত একক মেৰুকৰণৰ দ্বাৰা সমন্বিত আন্দোলনৰ ধাৰা এটা এতিয়াও আমি সৃষ্টি কৰিব পৰা নাই। সমন্বিত মেৰুকৰণৰ পথত আগবাঢ়িবলৈ | মংগোলয়ড নৃ-গোষ্ঠীৰ উত্তৰ-পূৰ্ব্বাঞ্চলৰ এই জাতি-গোষ্ঠীসমূহৰ | মাজত এক সুষম নান্দনিক সংস্কৃতিৰ সাম্যতা বিচাৰি নোপোৱাৰ কাৰণ আমি দেখা নাপাওঁ।

এই বিষয়টো বহুলভাৱে বিশ্লেষণ কৰিবলৈ আমি আফ্ৰিকাৰ "কৃষ্ণাংগ' আন্দোলনৰ কথাকে ইয়াত উপস্থাপন কৰিব লাগিব। দক্ষিণ | আফ্ৰিকাৰ সেই বিশ্বজনীন | আন্দোলনৰ নাম – "কৃষ্ণত্ব আন্দোলন" কিয় হ'ল ? তেওঁলোকৰ যুদ্ধ যেতিয়া উপনিবেশবাদৰ বিৰুদ্ধে, | সাংস্কৃতিক স্বাতন্ত্ৰ্য ৰক্ষাৰ দাবীত, তেন্তে সেই যুদ্ধত দেশ বা মহাদেশতকৈ গাৰ ৰঙে বেছি গুৰুত্ব পালে কিয় ? লক্ষণীয় যে আমেৰিকান-আফ্ৰিকান সমাজে সাম্প্ৰতিক কালত নিজকে | আফ্ৰিকান-আমেৰিকান বুলি অভিহিত কৰিবলৈ লৈছে। কিন্তু সৌ সিদিনাও মুক্তি সংগ্ৰামত তেওঁলোকে সবাৰে আগত নিজৰ গাৰ ৰঙকেই অগ্ৰাধিকাৰ দিছিল। ষাঠিৰ দশকতো তেওঁলোকৰ | আন্দোলনৰ নাম আছিল "ব্লেক পাৱাৰ মুভমেন্ট।" "শ্বেতাংগ নন্দনতত্ত্ব"ৰ বিৰুদ্ধে তেওঁলোকৰ আছিল "কৃষ্ণাংগ নন্দনতত্ত্ব" | যাৰ মূল কথা আছিল – " ব্লেক ইজ বিউটিফুল"। ইয়াৰ কাৰণ হয়তু এইটোও হ'ব পাৰে যে আফ্ৰিকান ভূ-খণ্ডত থকা নিগ্ৰোয়াড় নৃ-গোষ্ঠীৰ বহুধা বিভক্ত সৰু বৰ জন-গোষ্ঠীয়ে পৃথকভাৱে সমাজ পাতি থকাত বিভিন্ন কাৰণত ভিন্নতা থাকিলেও নিগ্ৰোয়ড নৃ-গোষ্ঠীগত ক'লা ৰঙৰ "কৃষ্ণাংগ" চৰিত্ৰত সকলোবোৰৰে সাম্যতা | আছিল, যাৰ কাৰণত সমগ্ৰ আফ্ৰিকাৰ জাতিগোষ্ঠীসমূহৰ সমন্বিত আন্দোলনৰ তাগিদাত উপনিবেশবাদৰ বিৰুদ্ধে, সাংস্কৃতিক স্বাতন্ত্ৰ্য ৰক্ষাৰ দাবীত তৰা আন্দোলনটোক সকলো আফ্ৰিকান জাতি- গোষ্ঠীৰ নৃ-তাত্ত্বিক সাম্যতাৰ বাবে- "কৃষ্ণাংগ আন্দোলন" নামেৰে জনপ্ৰিয় কৰি সমগ্ৰ আন্দোলনটোক "শ্বেতাংগ" সকলৰ বিৰুদ্ধে একেটা মেৰুলৈ মেৰুকৰণ কৰি থিয় হ'বলৈ অনুপ্ৰাণিত কৰিলে। এনেধৰণৰ পটভূমিত দক্ষিণ আফ্ৰিকা বগা ছালৰ শাসনৰ পৰা মুক্ত হ'ল। সমাপ্তি ঘটিল উপনিবেশবাদৰ। স্ব-ভূমিত স্বাধিকাৰ পালে ক'লা মানুহে। তাৰ লগে লগে কৃষ্ণত্ব আন্দোলন বা 'নেগ্ৰিটুড' আন্দোলন এটা সম্পূৰ্ণ ইতিহাসত পৰিণত হ'ল।

এই কৃষ্ণত্ব আন্দোলনৰ পটভূমিত আমাৰ উত্তৰ-পূৰ্ব্বাঞ্চলৰ বিভিন্ন জাতিগোষ্ঠীসমূহৰ আন্দোলনসমূহ নৃ-গোষ্ঠীগত চৰিত্ৰৰ আলমত একভূ তিকৰণৰ দ্বাৰা মেৰুকৰণ কৰিব নোৱাৰাৰ কিবা কাৰণ থাকিব পাৰে জানো ? এনেধৰণৰ একভূতিকৰণৰ দ্বাৰা মেৰুকৰণ কৰা সামূহিক আন্দোলনসমূহে বৰ্ত্তমানৰ পটভূমিত দেখা দিয়া আন্তঃগোষ্ঠীদ্বন্দ্বৰ পৰা আমাক উদ্ধাৰ কৰিব পাৰিব বুলি মোৰ বিশ্বাস আছে। এই খিনিতে আমাৰ ইয়াৰ বিভিন্ন জাতি- গোষ্ঠীসমূহৰ আন্দোলনৰ মুখ্য কাৰণবোৰ - স্মাৰকবোৰ আমি চিহ্নিত কৰি ল'ব লাগিব। এতিয়ালৈকে চিহ্নিত কৰা কাৰণবোৰ অধ্যয়ন কৰিলে আন্দোলনসমূহৰ কাৰণবোৰ হ'ল - অতিকেন্দ্ৰিক ক্ষমতাৰ প্ৰয়োগেৰে উপনিবেশীক শাসন ব্যৱস্থাৰ বিৰুদ্ধে জাতি- গোষ্ঠীসমূহৰ আত্মনিয়ন্ত্ৰণৰ স্বাধীকাৰ সাব্যস্তকৰণৰ দাবী আৰু সাংস্কৃতিক স্বাতন্ত্ৰ্য ৰক্ষাৰ দাবী ইত্যাদি। এনেক্ষেত্ৰত বিক্ষিপ্ত জনগোষ্ঠীয় আন্দোলনসমূহক সাম্যবাদী নৃ- গোষ্ঠীগত চৰিত্ৰৰ সাম্যতাৰে এটা বিন্দুত

মেৰুকৰণ কৰিব নোৱাৰাৰ কোনো কাৰণ নাই। আফ্ৰিকাৰ শ্ৰেষ্ঠ প্ৰতিবাদী কবিতা” গ্ৰন্থৰ আগকথাত উৰ্মিলা চক্ৰৱৰ্তীয়ে সঠিক ভাবেই

**দক্ষিণ আফ্ৰিকাৰ সেই বিশ্বজনীন আন্দোলনৰ নাম “কৃষ্ণত্ব আন্দোলন কিয় হ'ল। তেওঁলোকৰ যুদ্ধ যেতিয়া উপনিবেশবাদৰ বিৰুদ্ধে, সাংস্কৃতিক স্বাতন্ত্ৰ ৰক্ষাৰ দাবীত, তেন্তে সেই যুদ্ধত দেশ বা মহাদেশতকৈ পাৰ ৰঙে বেছি শুৰুতে পালে কিয়। লক্ষণীয় যে আমেৰিকান-আফ্ৰিকান সমাজে সাম্প্ৰতিক কালত নিজকে আফ্ৰিকান-আমেৰিকান বলি অভিহিত কৰিবলৈ লেছে। কিন্তু সৌ সিদিনাও মুক্তি সংগ্ৰামত তেওঁলোকে সেবাৰে আগত নিজৰ গাৰ ৰঙকেই অগ্ৰাধিকাৰ দিছিল ষাঠিৰ দশকতো তেওঁলোকৰ আন্দোলনৰ নাম আছিল আৰেক পাৱাৰ সতমেন্ট। শ্বেতাংগ নন্দনতত্ত্ব ৰ বিৰুদ্ধে তেওঁলোকৰ আছিল কৰাংগ নন্দনতত্ত্ব যাৰ মূল কথা আছিল ব্লেক ইজ বিউটিফল**

৩৫

কৈছে প্ৰাচীন ভাৰতত আৰ্য্য আক্ৰমণৰ আগলৈকে, খ্ৰীষ্টপূৰ্ব ১৫০০ শতিকাৰ আগলৈকে ক'তো ক'লা-বগাৰ স্বাভাৱিক বিৰোধৰ স'তে মানুহৰ গাৰ ৰঙৰ কোনো সম্পৰ্ক স্থাপিত হোৱা নাছিল। বৰ্ণবাদ আছিল বগা-ছাল আৰু ক'লা ছালৰ মানুহৰ দুই বিপৰীত সভ্যতাৰ মুখামুখী সংঘৰ্ষৰ আৱশ্যাম্ভাৱী ফল। দ্ৰাবিড় সভ্যতা আছিল সুপ্ৰাচীন আৰু ঐতিহ্যময়। বগাছালৰ আৰ্য্যসকলে | বলেৰে দ্ৰাবিড় সভ্যতাক নিৰ্মূল কৰিব পৰা নাছিল আৰু সেইটো সম্ভৱো নাছিল। সেয়েহে বৰ্ণাশ্ৰম ধৰ্ম আৰু গাৰ ৰঙৰ বিভিন্নতা | সাপেক্ষে প্ৰতীক আৰু কাল্পনিক কাহিনীৰ যোগেদি কৃষ্ণবৰ্ণৰ | জাতিৰ ওপৰত তেওঁলোকে সাংস্কৃতিক প্ৰভূত্ব আৰোপ কৰিব খুজিছিল। তাৎপৰ্য্যপূৰ্ণ যে ইন্দ্ৰ বৰষুণৰ দেৱতা হোৱা স্বত্বেও | তেওঁৰ গাৰ ৰঙ কিন্তু বগা। এই অসম ভূ-খণ্ডতো প্ৰাগঐতিহাসিক | সময়ৰ পৰা আৰম্ভ হোৱা আৰ্যীয় নন্দনতাত্বিক সংস্কৃতিৰ ফলত মংগোলয়ড নৃ-গোষ্ঠীৰ অন্তৰ্গত সোণোৱাল কছাৰি, চুতীয়া, | আহোম, মৰাণ-মটক, কোঁচ ইত্যাদি জাতিগোষ্ঠীৰ নৃ-গোষ্ঠীগত ভাষা সংস্কৃতি লুপ্তপ্ৰায় অৱস্থা হ'ল। কিন্তু সময়ৰ পাদটীকাত প্ৰৱল | আৰ্যীয় নন্দনতাত্বিক সংস্কৃতিৰ আগ্ৰাসনৰ পিছতো আচাৰ-ব্যৱহাৰ, | ৰীতি-নীতি আৰু দৈহিক গঠন ইত্যাদি মংগোলয়ড নান্দনিক | সংস্কৃতি বৰ্তমানো বাহাল থাকিল। অন্যাৰ্থত লুকুৱাৰ পৰা নাই। | এনেধৰণৰ প্ৰবল আৰ্যীয় নন্দনতাত্বিক সংস্কৃতিৰ আগ্ৰাসী খোজৰ | পিছতো মংগোলয়ড নৃ-গোষ্ঠীৰ অন্তৰ্গত মিচিং, বড়ো, দেউৰী, তিৱা, কাৰ্বি, ডিমাছা, ৰাভা ইত্যাদি জাতি গোষ্ঠীসমূহে প্ৰায় আশী শতাংশ মংগোলয়ড নন্দনতাত্বিক সংস্কৃতি তেজত কঢ়িয়াই বৰ্ত্তমানো ভৈয়াম/পাহাৰী জনজাতি হিচাপে ভাৰতৰ সংবিধানত লিপিবদ্ধ হৈ বাহাল তবিয়তে জীয়াই আছে। অসম ভূমিৰ ঐতিহাসিক ঘটনাৰাজিৰ ভিতৰত বাৰ্মিজ সেনাৰ অসমভূমিলৈ আগমন এক উল্লেখযোগ্য ঘটনা। “মানৰ আক্ৰমণ” - নামেৰে খ্যাতি লাভ কৰা এই ঐতিহাসিক ঘটনা ব্ৰিটিছে ৰুদ্ধ | নকৰা হ'লে হয়তু সমগ্ৰ উত্তৰ-পূৰ্ব্বাঞ্চল মংগোলয়ড সংস্কৃতিৰ পৰিচয়েৰে সমাজ জীৱন যাপন কৰি বৰ্ত্তমানো জীয়াই থকাৰ সম্ভাৱনাক কোনেও নুই কৰিব নোৱাৰিলেহেতেন। অন্য হাতেদি বাৰ্মিজ সেনাৰ অসমলৈ আগমন নঘটাহেঁতেন সমগ্ৰ অসম তথা উত্তৰ পূৰ্ব্বাঞ্চলৰ মংগোলয়ড নৃ-গোষ্ঠীৰ লোকসকল আৰ্যীয় নন্দনতাত্বিক সংস্কৃতিৰ আগ্ৰাসনৰ ফলত সংমিশ্ৰণ ঘটি ব্ৰাহ্মণীয় সমাজ ব্যৱস্থাৰ মাজেদি জীয়াই থাকি সম্পূৰ্ণৰূপে মংগোলয়ড নন্দনতাত্বিক সংস্কৃতি বিসৰ্জন দিলেহেঁতেন বুলি ভবাৰ থল আছে। এইখিনি সময়তে বৃটিছ কোম্পানি শাসনৰ দ্বাৰা বাৰ্মিজ সেনা, ছত্ৰভংগ দিয়াই অসম ভূ-খণ্ড তথা সমগ্ৰ উত্তৰ-পূৰ্ব্বাঞ্চল ব্ৰিটিছ শাসকৰ অধীনলৈ যোৱাৰ পিছত আৰ্য্যীয় পটভূমিতে বৰ্তমানো অসমৰ সমাজ-সংস্কৃতিৰ আগ্ৰাসনৰ প্ৰৱলতাত মংগোলয়ড নন্দনতাত্বিক সংস্কৃতি বিসৰ্জন দিবলৈ আৰম্ভ কৰা মংগোলয়ড নৃ-গোষ্ঠীৰ জাতি-গোষ্ঠীসমূহক ব্ৰাহ্মণীয় বৰ্ণাশ্ৰমৰ চাৰিসীমাৰ ভিতৰত সম্পূৰ্ণ লীন যাবলৈ সক্ষম নহ'ল। এই পটভূমিতেই আহোম, চুতীয়া, কোঁচ, মৰাণ 'মটক জাতিগোষ্ঠীসমূহ এতিয়াও ভাষিক আৰু ৰীতি-নীতিৰে পৰিবেষ্টিত অসমীয়া যদিও ব্ৰাহ্মণীয় বৰ্ণাশ্ৰমৰ কোনোটো শিবিৰতে লীন নোযোৱাকৈ আছে। আমাৰ অসমৰ ঐতিহাসিক পটভূমিত এইয়া এক উল্লেখযোগ্য ঘটনা।

এতিয়া আমাৰ সন্মুখত আহি থিয় দিয়া প্ৰশ্নটো হৈছে উত্তৰ পূৰ্বাঞ্চলৰ মঙ্গোলয়ড নৃ-গোষ্ঠীৰ অন্তৰ্গত জাতিগোষ্ঠীসমূহৰ প্ৰতিবাদী আন্দোলনৰ মুখ্য কাৰণ কি হ'ব পাৰে? আনুষঙ্গিক কাৰণ সমূহক একাষৰীয়া কৰি ৰাখিলে মূল কাৰণটো হয়গৈ – আৰ্যীয় নন্দনতত্ত্বৰ বিৰুদ্ধে মঙ্গোলয়ড নন্দনতত্ত্বৰ বিদ্ৰোহ বা এক প্ৰকাৰ ধাৰাবাহিক মৌন যুদ্ধ । আনুষঙ্গিক আন কাৰণবোৰ ইয়াৰ ভিতৰত অন্তৰ্নিহিত হৈ আছে। যেনে ধৰক উত্তৰ-পূৰ্বাঞ্চলৰ জাতিগোষ্ঠীসমূহৰ নৃ-তাত্ত্বিক সংস্কৃতিৰ স্বাতন্ত্ৰ্য ৰক্ষাৰ দাবী আৰু এই দাবীৰ অন্তৰালত আনুষংগিক আন আৰ্থ-সামাজিক স্বাতন্ত্ৰ্য ৰক্ষাৰ প্ৰশ্নটোও ইয়াত অন্তৰ্নিহিত হৈ আছে। ইয়াত অৰ্থনৈতিক শোষনৰ প্ৰশ্ন জড়িত হৈ আছে যদিও এই বিষয়টো আপেক্ষিক। কাৰণ, কোনো জাতিৰেই অৰ্থনৈতিক অৱস্থাটো সকলো সময়ৰ বাবে একে অৱস্থাত নাথাকে বা ই ধ্ৰুৱ সত্য নহয়। কিন্তু এটা

**উত্তৰ পূৰ্বাঞ্চলৰ মঙ্গোলয়ড নৃ-গোষ্ঠীৰ অন্তৰ্গত জাতিগোষ্ঠীসমূহৰ প্ৰতিবাদী আন্দোলনৰ মুখ্য কাৰণ কি হ'ব পাৰে? আনুষঙ্গিক কাৰণ সমূহক একাষৰীয়া কৰি ৰাখিলে মূল কাৰণটো হয়গৈ – আৰ্যীয় নন্দনতত্ত্বৰ বিৰুদ্ধে মঙ্গোলয়ড নন্দনতত্ত্বৰ বিদ্ৰোহ বা এক প্ৰকাৰ ধাৰাবাহিক মৌন যুদ্ধ। আনুষঙ্গিক আন কাৰণবোৰ ইয়াৰ ভিতৰত অন্তৰ্নিহিত হৈ আছে।**

- ঐতিহাসিক আৰু ঐতিহাসিক সময়ৰ এই সম্পৰ্কৰ কিছুমান ঘটনা প্ৰবাহ উল্লেখ কৰিব লাগিব । আৰ্যীয় নন্দনতাত্ত্বিক সংস্কৃতিৰ ঐতিহাসিক আগ্ৰাসনৰ বিষয়টো উপলব্ধি কৰিবলৈ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ উক্তি প্ৰনিধানযোগ্য। ৰাভাই লিখিছে, - " কিৰাট বংশৰ যিয়ে ৰজা হৈছিল অভিষেকৰ পাছত আৰ্য্য ব্ৰাহ্মনসকলে তেওঁক ব্ৰাত্য ক্ষত্ৰিয়ত দীক্ষিত কৰি বড়ো জনসাধাৰণৰ পৰা পৃথক কৰিছিল। নৰকৰ ৰজাসকলক আৰ্য্যীকৰণেৰে বেলেগ কৰি অভিষিক্ত কৰা হৈছিল। কৌটিল্যৰ অৰ্থশাস্ত্ৰ জন্ম হোৱাৰ পাছত ৰজাক আৰ্য্যকৰণ ব্ৰাত্য ক্ষত্ৰীয় আদি কৰাৰ নিয়ম প্ৰচলিত হ'য়।" এনেধৰণৰ আৰ্যীয় নন্দনতত্ত্বৰ আগ্ৰাসনে প্ৰাক ঐতিহাসিক সময়ৰ পৰা আজিলৈকে | ৰাজন্যবৰ্গক বাদ দি এই জাতিগোষ্ঠীৰ জনসাধাৰণক বহুলাংশে | চুব পৰা নাছিল । বিষয়টো হয়তু যোগাযোগৰ দুৰ্গম্যতা, শিক্ষা - | দীক্ষাৰ অভাৱ বা আফ্ৰিকান জাতিগোষ্ঠীসমূহক লৈ ব্ৰিটিছসকলে ভৱা,- আমাৰ লক্ষ্য সাম্ৰাজ্য বিস্তাৰ, দেশৰ অৰ্থনৈতিক | উন্নতি। এই পহুবোৰকনো আকৌ শিকাবলগীয়া কিটো আছে?" - ধৰণৰ মনোভাৱে এইক্ষেত্ৰত অনুপ্ৰাণিত কৰিছিল বুলি ভবাৰ থল আছে।

জাতিৰ নৃ-গোষ্ঠীগত সংস্কৃতিৰ নান্দনিকতাৰ এটা ধাৰাবাহিক ৰূপ থাকে আৰু ই চিৰন্তন সত্যত পৰিণত হ'য়; যদিহে সংমিশ্ৰণৰ | ধাৰাত পৰি এটা জাতিৰ নৃতাত্ত্বিক সংস্কৃতি সম্পূৰ্ণৰূপে আগ্ৰাসী জাতিৰ সংস্কৃতিত লীন নাযায়। প্ৰাক-ঐতিহাসিক সময়ৰ পৰা ঐতিহাসিক সময়লৈকে আৰ্যীয় আগ্ৰাসী সংস্কৃতিৰ বাহক সকলে
| উত্তৰ-পূৰ্বাঞ্চলত তাকেই বিছাৰিছিল। এই বিষয়টো বিশ্লেষন কৰিবলৈ আমি উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰাক এইক্ষেত্ৰত আহোম ৰাজবংশৰ হিন্দু ধৰ্ম্মৰ লগত সম্পৰ্কৰ | আৰম্ভণিৰ দিশটো উল্লেখনীয়। অন্যাৰ্থত আহোমসকলৰ নৃতাত্ত্বিক | সংস্কৃতিৰ সৈতে আৰ্যীয় নন্দনতাত্ত্বিক সংস্কৃতিৰ সংমিশ্ৰণৰ বিষয়টো ইয়াত পৰ্য্যালোচনা কৰিব লাগিব। আহোমসকল পূৰ্বে বৌদ্ধধৰ্মী আছিল বোলা কথাষাৰ কিন্তু বুৰঞ্জীবিদ সৰ্বানন্দ | ৰাজকুমাৰে মানিব বিচৰা নাই।

তেখেতে এই ক্ষেত্ৰত কৈছে ""হিতেশ্বৰ বৰবৰুৱাই আহোমবিলাকক বৌদ্ধ ধৰ্মী আছিল বুলি কয় আৰু বৌদ্ধ ধৰ্মীৰ মহাযান আৰু হীনযান দয়ো সম্প্ৰদায়ৰ সানমিহলি মতাৱলম্বী আছিল বুলি কয়। আমি এই মত সমৰ্থন কৰিব নোৱাৰো। আমাৰ | মতে পূৰ্বে আহোমৰ হিন্দু ধৰ্মৰ নিচিনা এটি পৃথক ধৰ্ম আছিল।" (পৃঃ ২৮৩) আহোমসকল হিন্দু ধৰ্মত বা আৰ্যীয় নন্দন তাত্ত্বিকতাৰ |

সংস্পৰ্শলৈ অহাৰ সময় সূচীৰ নিৰূপণ কৰিবলৈ গৈ বুৰঞ্জীবিদ সৰ্বানন্দ ৰাজকোঁৱৰে লিখিছে ১৩৮৯ খৃঃত বিষয়াসকলে স্বৰ্গদেও ত্যাওঁখামৰিক হত্যা কৰাত, উপযুক্ত ৰাজকোঁৱৰৰ অভাৱত ৰাজসিংহাসন ১৩৮৯ খৃঃৰ পৰা ১৩৯৮ খৃঃলৈ শূণ্য থাকে। বিষয়াসকলে সৰুকুৱঁৰীৰ পুতেক বিচাৰি হাবুঙৰ বামুণৰ ঘৰত পাই আনি ৰজা পাতে আৰু লগে লগে বামুন সকলেওঁ আহোমৰ ৰাজটোলত স্থান পায়। আহোমসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ প্ৰধান গুৰি এয়েই। এই বামুনীকোঁৱৰৰ ৰাজপাট দখলৰ

প্ৰচ্ছাদপটৰ দৃষ্টান্ত দাঙি ধৰি সৰ্বানন্দ ৰাজকুমাৰে লিখিছে "ভৈয়ামত ডাঙৰ হোৱা কোমলমতীয়া স্বৰ্গদেওঁ চুদাংফাই (বামুণী কোঁৱৰ আহোমৰ তীৰ্থস্থান চৰাইদেও পৰ্বত ত্যাগ কৰি ভৈয়ামৰ চৰগুৱাত ৰাজধানী পাতিলে। আহোমৰ গুৰি লৰিল।" (২৮৫)। এই বামুনী কোঁৱৰ স্বৰ্গদেও চুদাংফাৰ ৰাজ্যশাসনৰ প্ৰশাসনিক আন্তঃগাঠনিৰ কথা কবলৈ গৈ গ্যাটেই অসম বুৰঞ্জীৰ ৮৩ পৃষ্ঠাত এনেধৰণে লিখিছে "the old Brahmin himself was installed as his confidential adviser and under his influence, many Hindu rites and ceremonies began to be observed." এনেধৰণৰ পটভূমিয়ে আমাক বুজিবলৈ সুবিধা দিয়ে যে আৰ্যীয় নন্দনতাত্ত্বিক সংস্কৃতিয়ে আগ্ৰসীৰূপত আহোমসকলৰো মংগোলীয় নন্দনতাত্ত্বিক সংস্কৃতিক আক্ৰমণ কৰি কোঙা কৰিবলৈ আৰম্ভ কৰে। কিন্তু বিৰাট ৰাজবংশত হোৱাৰ দৰেই ৰাজপৰিয়াল আৰু ৰাজবিষয়াবৰ্গক বাদ দি সৰ্বসাধাৰণ ৰাইজ, যিসকলে তেতিয়াও কুলিন মংগোলীয় নন্দনতাত্ত্বিক = সংস্কৃতিৰ বাহক হৈ আছিল - তেওঁলোকক আৰ্যীয় নন্দনতাত্ত্বিক সাংস্কৃতিক আগ্ৰসনৰ আঁচোৰে চুব পৰা নাছিল। কিন্তু ইতিহাস আৰু লোকবিশ্বাসৰ আঁত ধৰি অধ্যয়ন কৰিলে দেখা যায় যে প্ৰবল প্ৰভাৱশালী মংেগোলীয় জাতি-গোষ্ঠীৰ ৰাজন্যবৰ্গৰ আৰ্যীয় নন্দনতাত্ত্বিক সংস্কৃতিৰ প্ৰভাৱত তেওঁলোকৰ মংগোলীয় সংস্কৃতিৰ ধ্যানধাৰণা আৰু ৰীতি-নীতিৰ পৰিবৰ্তন সাধন কৰাৰ লগে লগে ইয়াৰ আঁচোৰ প্ৰজাসাধাৰণৰ মানসিক গাঠনিত সোমাই নিজস্ব নৃতাত্ত্বিক সংস্কৃতিক লৈ হীনমান্যতাত ভুগিবলৈ আৰম্ভ কৰে । যাৰ ই পৰিণামত মংগোলীয় জাতি গোষ্ঠীসমূহৰ কোনোবা পৰিয়ালত আৰ্য্যীৰ্য নৃতাত্ত্বিক অৱয়ৱৰ জোঙা নাক, ডাঠ চেলাউৰিৰে আৰ্যীয় মুখমণ্ডলৰ সাদৃশ্যৰ ল'ৰা- ছোৱালীৰ জন্ম হ'লেই – "আমুকৰ ল'ৰাটো বা ছোৱালীজনী বামুণৰ ল'ৰাৰ দৰে ধুনীয়া হৈছে" ধৰণৰ মনোভাৱেৰে পৰিচালিত হ'বলৈ ধৰে। কিন্তু



যিমানেই মংগোলীয় জাতিগোষ্ঠীয় বা বিৰাট বংশীয় জাতিগোষ্ঠীয় ৰাজন্যবৰ্গ আৰ্যীয় নন্দনতাত্ত্বিক সংস্কৃতিৰ পূজাৰী হ'বলৈ চেষ্টা নকৰক কিয় তেওঁলোকৰ পাতল হালধীয়া গাৰ ৰং, ঠৰঙা চুলি, ভোটা নাক, বহল মুখাবয়ৱ, কম চেলাউৰিৰ মুগা বৰনীয়া চকু | ইত্যাদি নৃতাত্ত্বিক শাৰিৰীক গঠনক লুকাই ৰাখিব নোৱাৰিছিল। এই ধৰণৰ মঙ্গোলীয় নৃতাত্ত্বিক দৈহিক অৱয়ৱে সততে তেওঁলোকক আৰ্যীয় নৃতাত্ত্বিক দৈহিক অৱয়ৱৰ পৰা পৃথক কৰি দিছিল। তৎসত্ত্বেও আৰ্যীয় নন্দনতাত্ত্বিক সংস্কৃতিৰ আগ্ৰাসনে | মংগোলীয় নন্দনতাত্ত্বিক সংস্কৃতিৰ ওপৰত আগ্ৰাসী আক্ৰমণ ঐতিহাসিক ভাবে অব্যাহত ৰাখিলে। কিন্তু তেওঁলোকেও বৰ্তমানলৈ তিব্বত বৰ্মীয় নন্দনতাত্ত্বিক সংস্কৃতি সম্পূৰ্ণৰূপে গিলি সংমিশ্ৰনৰ ধাৰাত আৰ্যীকৰণ কৰাত অপাৰগ হ'ল। এইটো সম্ভৱ নহ'ল মাত্ৰ এটা | কাৰণত। তিব্বত-মংগোলীয় | জাতিগোষ্ঠীৰ মাটিৰ লগত থকা নন্দনতাত্ত্বিক সংস্কৃতিক সৰ্বসাধাৰণ ৰাইজে হৃদয়ৰ মাজত সুমুৱাই তেজৰ সোঁতত লৈ ফুৰাৰ কাৰণেই সম্ভৱ নহ'ল । ক'লা গাৰ ৰঙৰ নিষাদ সকলৰ ক্ষেত্ৰটো বিষয়টো প্ৰায় একেধৰণৰ ।

প্ৰাগঐতিহাসিক সময়ৰ পৰা ধাৰাবহিক ভাৱে চলি অহা | আৰ্য্য আৰু অনাৰ্য্য (উত্তৰ পূৰ্বঞ্চলত তিব্বত মংগোলীয়, তিব্বত বৰ্মীয় আৰু অষ্ট্ৰেলয়ড নিষাদ জাতিগোষ্ঠী) নন্দনতাত্ত্বিক সাংস্কৃতিক | দ্বন্দ্ব আজিৰ সময়লৈকে আহি বৰ্তমান উত্তৰ পূৰ্বাঞ্চলৰ মংগোলীয় | জনগোষ্ঠীৰ জাতিগোষ্ঠীসমূহৰ মাজত সাংস্কৃতিক স্বতন্ত্ৰতা ৰক্ষাৰ | দাবীত কৰা আন্দোলন সমূহে প্ৰতিনিধিত্ব কৰে। কিন্তু জাতি- গোষ্ঠীসমূহৰ বাহ্যিক দাবীসমূহৰ বিভিন্নতাই আজিৰ তাৰিখলৈকে | সমন্বিত ৰূপত মংগোলীয় নন্দনতাত্ত্বিক সংস্কৃতিৰ মেৰুকৰণেৰে সমন্বিত এক সংগ্ৰামী সত্বা গঠন কৰিব নোৱাৰাটো অতি আচৰিত বিষয়।

এই ক্ষেত্ৰত আফ্ৰিকান জাতিগোষ্ঠীসমূহৰ একত্ৰিত কৃষ্ণাংগ আন্দোলনৰ বিষয়টো পৰ্য্যালোচনা কৰিলে বিষয়টো বুজাত সুবিধা হ'ব। আফ্ৰিকান মহাদেশতো কৃষ্ণাঙ্গ নন্দনতাত্ত্বিক সংস্কৃতিৰ দুৰ্যোগৰ দিন উপবিষ্ট হৈছিল। আফ্ৰিকান মহাদেশৰ জাতিগোষ্ঠীসমূহৰ বিশিষ্ট সমন্বয় সাধণকাৰী কৃষ্ণাঙ্গ নন্দনতাত্ত্বিক সংস্কৃতিয়ে শ্বেতাঙ্গ নন্দনতাত্ত্বিক সংস্কৃতিৰ বলি হ'বলগীয়া হৈছিল।

এই ক্ষেত্ৰত আফ্ৰিকানসকলে তেওঁলোকৰ নৃতাত্ত্বিক সংস্কৃতিক লৈ কেনেকৈ হীনমান্যতাত ভুগিছিল এই বিষয়টো উত্তৰ বঙ্গ বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা প্ৰমিলা চক্ৰৱৰ্ত্তীৰ লিখনিৰ পৰাই অনুধাৱন কৰিব পাৰি। তেখেতে "আফ্ৰিকাৰ শ্ৰেষ্ঠ প্ৰতিবাদী কবিতা" গ্ৰন্থৰ আগকথাত লিখিছে যে কৃষ্ণাংগ সকলে আত্মমৰ্যাদাবোধ হেৰুৱাই শ্বেতাঙ্গ কৃষ্টি, জীৱন-ধাৰা, ৰীতি-নীতিৰ প্ৰভাৱত ভিন্ন ভাবধাৰাৰ অনুকৰণক জীৱনৰ চৰমলক্ষ্য কৰি লয়। দাসত্বৰ শেষ বিন্দুত উপনীত হোৱাৰ পিছত বাহিৰত দেখুৱাকৈ কোনো শিকলি পিন্ধোৱাৰ প্ৰয়োজন নহয় । তেতিয়া শিকলিয়ে অন্তৰ স্পৰ্শ কৰেগৈ । চৰম দৃষ্টান্ত হিচাবে আমেৰিকাৰ কিছু দূৰ্ভগীয়া বগা ছালৰ আফ্ৰিকানলৈ আঙুলিয়াব পাৰো। কৃষ্ণাংগ সুন্দৰীসকলৰ । ওপৰত যৌন নিৰ্য্যাতনৰ ফলত আমেৰিকাৰ উপনিৱেশত একধৰণৰ বৰ্ণসংকৰ শ্ৰেণীৰ সৃষ্টি হৈছিল। ক্ৰীতদাস সমাজত জোনৰ পোহৰৰ দৰে গাৰ ৰঙেৰে জন্মগ্ৰহণ কৰিছিল বহু অবাঞ্চিত সন্তান । সিহঁতৰ মাজৰ অনেকেই যেনে-তেন-প্ৰকাৰেণে শ্বেতাংগ সমাজত স্বীকৃতি পোৱাৰ আশাত বহু সময়ত কোনো অচিন অজান ঠাইলৈ পলাই গৈ শ্বেতাংগ সংগী/সংগিনী নিৰ্বাচন কৰি স্বজন, সংসাৰ, সমাজ সকলো অস্বীকাৰ কৰি নতুন নাম গ্ৰহণ কৰি শ্বেতাংগ হিচাবে নিজকে জাহিৰ কৰিবলৈ লয়। পাছে পূৰ্ব-পৰিচিত কোনো

শ্বেতাঙ্গৰ লগত দেখা হ'লে, আৰু আফ্ৰিকান পশ্চাদপট প্ৰকাশ হৈ যোৱাৰ ভয়ত সিহঁত সকলো সময়তে আতঙ্কিত হৈ থাকিব লগা হৈছিল। ...... এনেদৰে নিজকে শ্বেতাঙ্গ হিচাপে প্ৰতিষ্ঠা কৰাৰ প্ৰৱণতা বা 'গাছিং' - এই বোধহয় দাসত্বৰ চূড়ান্ত বিন্দু, মানৱতাৰ অপমান।" অৱশ্যে এই শ্ৰেণীৰ লোকৰ সংখ্যা খুব বেছি নহ'ব। কিন্তু এই মানসিকতাই সেই সময়ৰ কৃষ্ণাংগ সমাজৰ মানসিকতাক প্ৰতিনিধিত্ব কৰিব। এই সন্দৰ্ভত উৰ্মিলা চক্ৰৱৰ্ত্তীয়ে শ্বোয়িঙ্কাৰ ব্যাঘ্ৰত্ব ঘোষনা সম্পৰ্কিত বক্ৰোক্তিৰ উল্লেখেৰে লিখিছে - "বাঘে যদি বহুদিন সিংহৰ তোষামোদকাৰী হিচাপে থকাৰ পিছত এইটো আৱিষ্কাৰ কৰে যে তাৰ গাত থকা ঢেঁকীয়াৰ পাতৰ নিচিনা ক'লা আঁচবোৰ তাৰ হীনত্বৰ অবিসংবাদি প্ৰমান, তেনেহ'লে সিও যে এদিন ব্যাঘ্ৰত্বৰ

**প্ৰাগঐতিহাসিক সময়ৰ পৰা ধাৰাবহিক ভাৱে চলি অহা আৰ্য আৰু অনাৰ্য্য (উত্তৰ পৰঞ্চলত তিব্বত মংগোলীয়, ব্ৰত বৰ্মীয় আৰু অষ্ট্ৰেলয়ড নিষাদ জাতিগোষ্ঠী) নন্দনতাত্ত্বিক সাংস্কৃতিক দ্বন্দ্ব আজিৰ সময়লৈকে আহি বৰ্তমান উত্তৰ পৰাঞ্চলৰ মংগোলীয় জনগোষ্ঠীৰ জাতিগোষ্ঠীসমূহৰ মাজত সাংস্কৃতিক স্বতন্ত্ৰতা ৰক্ষাৰ দাবীত কৰা আন্দোলন সমূহে প্ৰতিনিধিত্ব কৰে।**

38

মৰ্য্যদা প্ৰতিষ্ঠা কৰিব লাগিব, সেই সহজ কথাটো শ্বোয়িঙ্কাৰ দৰে | মননশীল প্ৰতিভাধৰ এজনে কিয় যে অনুধাৱন কৰিব নোৱাৰিলে, | সেইটো আমাৰ বোধগম্য নহ'ল।"

এনেধৰণৰ ঘটনা প্ৰবাহ আমাৰ উত্তৰ-পূৰ্বাঞ্চলতো চেগা চোৰোকাকৈ হৈয়ে আছে আৰু এই ঐতিহাসিক ঘটনা প্ৰবাহবোৰৰ প্ৰামাণিক দলিল বৰ্ত্তমানো বাঙ্ময় হৈয়ে আছে। প্ৰণিধান যোগ্য যে | প্ৰথম বিশ্বযুদ্ধৰ পাছৰে পৰা কৃষ্ণাংগ চেতনাৰ সাহিত্যই আফ্ৰিকান | সাহিত্যৰ মূল ধাৰা। আফ্ৰিকাবাসী আৰু বিশ্বৰ অন্যান্য দেশত বিয়পি থকা আফ্ৰিকান সকলৰ মাজত একাত্মতা বোধো এই কৃষ্ণাংগ চেতনাৰ দান। এফালে আফ্ৰিকাৰ ও ফৰাচী | উপনিৱেশবোৰত সাংস্কৃতিক আগ্ৰাসনৰ ফলত আফ্ৰিকাৰ মানুহ নিজৰ মূললৈ উভতি যাব লগা হৈছিল ; আনহাতে পৃথিৱীৰ আন- | আন দেশত আফ্ৰিকাৰপৰা ছিটিকি অহা মানুহবোৰে নিজৰ নিজৰ আত্ম-পৰিচয়ৰ সন্ধানত কৃষ্ণাংগ চেতনাৰ আশ্ৰয় লৈছিল। | আমেৰিকা প্ৰবাসী আফ্ৰিকানসকলে তেওঁলোকৰ কৃষ্ণাংগ | চেতনাৰ প্ৰথম আন্দেলন "হালেমৰ নৱজাগৰণ" কুৰি শতিকাৰ কুৰিৰ দশকত সাহিত্যৰে আৰম্ভ কৰে। এই যুগৰ কবি লেৰষ্টন, হিউয়েছ কাউন্টি কালেন, ক্লড-মেকৰৰ কবিতাত আমেৰিকান কৃষ্ণাংগ জীৱনৰ গ্লানিৰ বিৰুদ্ধে যেনেদৰে প্ৰতিবাদ শুনা গ'ল | তেনেদৰে শুনা গ'ল ক'লা ৰঙৰ মহিমাৰ কথা, নীল নদী আৰু | কঙ্গো নদীৰ কথা - যি নদী পৃথিৱীৰ সমান প্ৰাচীন, মানুহৰ শিৰাত বৈ যোৱা তেজতকৈও। যি আফ্ৰিকানত্তাত্ত্বিক দেহাৱয়ৱ লৈ তেওঁলোকে সেইসময়ত হীনমান্যতাত ভুগিছিল সেই কৃষ্ণাংগ- সুন্দৰীয়ে তেওঁলোকৰ কবিতাত মৰ্য্যদা গালে। নিজস্ব নৃ-গোষ্ঠীৰ নন্দনতাত্ত্বিক সংস্কৃতিৰ প্ৰেমত পৰি কৃতজ্ঞ আন্দোলনৰ অন্যতম শ্ৰেষ্ঠ ব্যক্তিত্ব ছাঁগৰৰ কবিতাত "ছাইনৰ ৰাতি"ত এনেদৰে প্ৰকাশ লাভ কৰিছে" -

"আমাৰ পূৰ্বপুৰুষৰ মৃত আত্মাৰ গোন্ধ বুকুভৰি ল'বলৈ দিয়া
গভীৰ ধ্যানেৰে তেওঁলোকৰ জীৱন্ত কণ্ঠসুৰ বাৰে বাৰে মোক
উচ্চাৰণ কৰিবলৈ দিয়া
টোপনিৰ গভীৰত বুৰ গৈ হেৰাই যোৱাৰ আগেয়ে
মোক শিকাই দিয়া জীয়াই থকাৰ মন্ত্ৰ।

(ছাইনৰ ৰাতি: ছাঁগৰ )

এনেধৰণৰ সমন্বিত সংস্কৃতিক কৃষ্ণাংগ চেতনাই আফ্ৰিকাৰ | সমগ্ৰ জনগোষ্ঠী আৰু জাতিগোষ্ঠীক নৃ-গোষ্ঠীগত নন্দনতাত্ত্বিক | সংস্কৃতিৰ আলমত মেৰুকৰণ ঘটাই এটা বিন্দুত একগোট হৈ কৃষ্ণাংগ আন্দোলন পৰিচালিত কৰিবলৈ অনুপ্ৰেৰণা যোগাইছিল ।

পিছৰ কালত সকলোৰে জ্ঞাত যে এই কৃষ্ণাংগ আন্দোলনে বিশ্বজনীন ৰূপত আবিৰ্ভাৱ হৈ বিশ্বজনতাৰ হৃদয় চুই যাব পাৰিছিল |

এনে প্ৰেক্ষাপটত বৰ্তমান সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত বিক্ষিপ্ত ৰূপত কালাত্মক ৰূপ ল'বলৈ ধৰা একে নৃগোষ্ঠীগত বিভিন্ন জাতিগোষ্ঠীৰ পৃথক আন্দোলন সমূহক নৃ-গোষ্ঠীগত অঞ্চলিক নন্দনতাত্বিক সংস্কৃতিৰ সাম্যতাৰে মেৰু কৰণ কৰি সমন্বিত ৰূপত এক নন্দনতাত্বিক আন্দোলনৰ ৰূপ দিব নোৱাৰাৰ হেতু আমি বিছাৰি নাপাওঁ। ইয়াত সন্দেহৰ কোনো কাৰণেই থাকিব নোৱাৰে। কাৰণ কৃষ্ণত্ব আন্দোলনৰ অন্তঃমুখী দাবীও দ্বিমুখী আছিল। এফালে সাংস্কৃতিক মৰ্য্যদা, আনফালে ৰাজনৈতিক অধিকাৰ । আমাৰ উত্তৰ পূৰ্বাঞ্চলৰ মংগোলীয় নৃ-গোষ্ঠীৰ জাতিসত্ত্বা সমূহৰ ভাষা, সামাজিক ৰীতি-নীতিৰ পাৰ্থক্য থাকিলেওঁ নৃ-গোষ্ঠীগত নন্দনতাত্বিক সংস্কৃতিৰ সাম্যতা আজিও বিদ্যমান। কিন্তু যিমানেই বিক্ষিপ্ত আন্দোনলৰ দ্বাৰা জাতি-গোষ্ঠীসমূহৰ বিভিন্ন ক্ষেত্ৰৰ অসন্তোষ নিবাৰণৰ দাবী উত্থাপন নকৰক কিয় সমন্বিত ৰূপত নৃ-গোষ্ঠীগত নন্দনতাত্বিক চিনাক্তকৰণৰ মাধ্যমেদি মংগোলীয় নন্দনতাত্বিক সংস্কৃতিৰ এক চেতনাৰ যোগেদি আন্দোলনসমূহ মেৰকৰণ কৰিব নোৱাৰিলে বিক্ষিপ্ত গোষ্ঠীকেন্দ্ৰিক আন্দোলনসমূহৰ পৰিসমাপ্তি ধণাত্মক নহ'ব।নৃ-গোষ্ঠীগত সত্তাৰ চেতনাক হৃদয়ংগম কৰিবলৈ ইংৰাজী আপ্তবাক্যশাৰী হৃদয়ংগম কৰিব লাগিব "**Donot boast over the branches. If you do boast, remember it is not you that support the root, but the root that supports you" Romans, 11.18**
উৰ্দ্ধিত বিষয়ত এই নিৱন্ধটিত কাৰিকৰী কাৰণত বিস্তৃত পৰ্য্যালোচনাৰ পৰা এতিয়া বিৰত থাকিলো । কিন্তু এইটো সম্পৰ্কত বিস্তৃত সমাজৰ গঠনমূলক গতিশীল পৰ্য্যালোচনাই অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ দুৰ্যোগৰ সময়বোৰ আঁতৰাই পঠিওঁৱাৰ সহায়ক হ'ব বুলি আমাৰ বিশ্বাস আছে। আনহাতে অসমৰ ক্ষেত্ৰত সমন্বিত অসমীয়া জাতিগঠনৰ দিশটো ইয়াৰ মুকলি-মূৰীয়া পৰ্য্যালোচনাই ধণাত্মক দিশ উন্মোচন কৰিব। এটা কথা আমি সকলোৱেই হৃদয়ংগম কৰিব লাগিব যে বৃহত্তৰ অসমীয়া জাতিৰ অংশীদাৰী জন -গোষ্ঠীসমূহৰ সিংহভাগেই তিব্বত- মংগোলীয় আৰু তিব্বত বৰ্মীয় নৃ-গোষ্ঠীৰ জাতিসত্তাৰ অন্তৰ্গত । বিস্তৃত পৰ্য্যালোচনাৰ বাবে আমি এই নিৱন্ধনত বিষয়টোৰ পাতনিহে মেলিছো।



**বিশেষ নিবন্ধ**

# মিচিং জনগোষ্ঠীৰ কলা আৰু শিল্প এটি টোকা

**টাবু টাইদ**

কলা আৰু শিল্প সংস্কৃতিৰ দুটা অতি উল্লেখযোগ্য দিশ।| কলাৰ শ্ৰেণী-বিভাজন এটা জটিল বিষয়। কলাসমূহৰ প্ৰকৃতি বিচাৰ| কৰি কলাৰ বিচাৰক সকলে ভিন্ ভিন্ ধৰণেৰে কলাৰ শ্ৰেণী- বিভাজন কৰি আহিছে - বিশেষকৈ পাশ্চাত্য জগতত। কলাৰ বিষয়ে বহলাই আলোচনা কৰা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়, গতিকে ইয়াত সাধাৰণভাবে দুই প্ৰকাৰৰ কথা উল্লেখ কৰিব পাৰোঁ - দৃষ্টিগ্ৰাহ্য বা চাক্ষুষ কলা (Visual arts) আৰু পৰিৱেশ্য কলা (Performing arts)*। চিত্ৰ কলা (Painting), ভাস্কৰ্য্য, স্থাপত্য, | চিত্ৰাংকন (Drawing), খোদন (Engraving) ইত্যাদি | দৰ্শনেন্দ্ৰিয়ৰ সহায়ৰ প্ৰয়োজন হোৱা কলাসমূহ দৃষ্টিগ্ৰাহ্য কলা | আৰু সংগীত (কণ্ঠ্য আৰু বাদ্য), নাটক, নৃত্য আদি পৰিবেশ্য কলা। সুকুমাৰ বা ললিত কলা (Fine arts) বুলিলে সাধাৰণতে দৃষ্টিগ্ৰাহ্য কলা বুজায় যদিও কিছুমানে পৰিৱেশ্য কলাকো ললিত | কলাৰ ভিতৰত সামৰে। এই দুই প্ৰকাৰৰ কলা মূলতঃ সুন্দৰৰ | সাধনা ( Pursuit of Beauty) আৰু এই কলাবোৰে আমাক | নন্দনতাত্বিক আনন্দ (Aesthetic pleasure) দান কৰে। সাহিত্যও এবিধ কলা। অন্যান্য কলাৰ দৰে সাহিত্যয়ো সৃষ্টিশীল কৰ্মৰ যোগেদি আমাক নন্দনতাত্বিক আনন্দ দিয়ে। কিন্তু সাহিত্যক দৃষ্টিগ্ৰাহ্য বা পৰিৱেশ্য কলা বুলি পোনপটীয়াকৈ ক'ব নোৱাৰি, কিয়নো নাটকৰ বাহিৰে সাহিত্য প্ৰধানকৈ সৃষ্টি কৰা হয় পঢ়িবৰ বাবে। নাটক সাধাৰণতে, পৰিৱেশ কৰিবৰ বাবে লিখা হয়, কিন্তু নাটক পঢ়াও হয়। এইদৰে, কবিতা, কাহিনী, গল্প, সাধুকথা আদি পঢ়িবও পাৰি আৰু পৰিৱেশনো কৰিব পাৰি। সুৰাৰোপিত কবিতা এক প্ৰকাৰৰ সংগীত। কবিতাক এক প্ৰকাৰৰ ললিত কলা বুলিয়েই ধৰা হয়। ৰেনেচাঁছৰ পিছত ইউৰোপত সময়ে সময়ে সলনি হোৱা যুগৰ সাধাৰণ ধ্যান-ধাৰণাসমূহ (Zeitgeist) চিত্ৰকলা, ভাস্কৰ্য্য আদি ললিত কলা আৰু সাহিত্যত সমান্তৰালভাবে প্ৰতিপলিত হৈ আহিছে। তথাপি, কলা হিচাপে সাহিত্যৰ স্থিতি আচুতীয়া বুলি ক'ব পাৰি।

আধুনিক যুগৰ প্ৰযুক্তিবিদ্যাভিত্তিক কলাৰ ভিতৰত আলোকচিত্ৰবিদ্যা (Photography) অনাতাঁৰ, চলচিত্ৰ, টেলিভিচন আদিৰ কথা উল্লেখ কৰিব পাৰি ।

শিল্প (Craft) হ'ল ব্যৱহাৰিক দিশত কামত অহা (Useful) বস্তু – বয়ন-শিল্প, মৃৎ-শিল্প, অলংকাৰ-শিল্প, ধাতু-শিল্প, কাঠ-

*** (Performing Arts)অৰ বাবে অসমীয়াত বহুতে ‘পৰিৱেশ্য কলা’ ব্যৱহাৰ কৰিছে। পিছে (Perform) কৰা আৰু পৰিৱেশন কৰা একে কথা নহয় । সংগীতৰ চৰ্চা কেতিয়াবা নিজৰ আনন্দৰ বাবেও হয়তো হ'ব পাৰে। (Performing arts) সম্পাদনধৰ্মী কলা' হ'ব পাৰে নেকি ভাবিব পাৰি।**



| বাঁহ-বেত শিল্প ইত্যাদি। অৱশ্যে, বহুতো ক্ষেত্ৰত কলা আৰু শিল্পৰ সুন্দৰ সমন্বয় ঘটিব পাৰে। এনে ধৰণৰ এবিধ কলা হ’ল | সজ্জা-কলা (Decorative art)। গ্ৰীছ আৰু চীনদেশত দানিত | ব্যৱহাৰ কৰা সুন্দৰ চিত্ৰকলা, মধ্যযুগৰ বিভিন্ন গ্ৰন্থত বহুলভাবে | ব্যৱহাৰ কৰা অলংকাৰ (Illumination), ৰক’ক' নামে জনাজাত | শৈলীত তৈয়াৰ কৰা ফৰাচী দেশৰ আচবাব ইত্যাদি সজ্জা-কলাৰ বিখ্যাত উদাহৰণ। বৰ সুন্দৰ সুন্দৰ ৰূপত অলংকাৰ গঢ়া কাৰ্য্যও এক প্ৰকাৰৰ সজ্জা কলা। ইংলেণ্ডত ১৭৬০ চন মানৰ পৰা যি উদ্যোগ বিপ্লৱ আৰম্ভ হৈছিল, তাৰ ফলস্বৰূপে যন্ত্ৰনিৰ্মিত নানান শিল্প সামগ্ৰীৰ উৎপাদন হ'ব ধৰিছিল, কিন্তু সেইবোৰ বস্তুৰ কোনো কলাসুলভ গুণ দেখা পোৱা নগৈছিল । গতিকে ঊনৈশ শতিকাৰ দ্বিতীয়াৰ্ধত ইংলেণ্ডত কলা আৰু শিল্প আন্দোলন (Arts and Crafts Movement) নামৰ এটা জাগৰণ হৈছিল। আন্দোলনটোৰ উইলিয়াম মছি আদি গুৰি ধৰোতাসকলৰ উদ্দেশ্য আছিল হস্তশিল্পক কলাত্মক ৰূপ দিয়া, অৰ্থাৎ সৃষ্টিশীল আৰু সৌন্দৰ্য্যবোধসম্পন্ন কৰা। এই চিন্তাধাৰা বৰ্তমানেও সজীৱ, কিয়নো হস্তশিল্পক কলাত্মক ৰূপ দিয়াৰ ক্ষেত্ৰত মানুহ আৰু বেছি | সচেতন হোৱা দেখা গৈছে। আমাৰ ভাৰতবৰ্ষতে কলাত্মক হস্তশিল্পৰ উদাহৰণ বহুতো দেখা যায়। ত্ৰিপুৰাৰ বাঁহৰ কাম, কাশ্মীৰৰ কাৰ্পেট বা কাঠৰ কাম আদিত যি সুক্ষমতা দেখা যায়, সেইবোৰত কলাৰ সুক্ষ্ম সৌন্দৰ্য্য প্ৰতিফলিত হয়। নতুন নতুন | চানেকি তৈয়াৰ কৰি কাপোৰত সুন্দৰ সুন্দৰ ফুল বচা কাম এক প্ৰকাৰৰ কলাত্মক চৰ্চা বুলি কব পাৰি। যন্ত্ৰৰ দ্বাৰা বহুল পৰিমাণত | প্ৰস্তুত কৰা শিল্পসামগ্ৰীৰ নক্সাৰ (Design-অৰ) ক্ষেত্ৰতো আজি- কালি কলাসুলভ ৰুচি দেখা পোৱা যায়৷ অৱশ্যে এনে শিল্পসামগ্ৰীতকৈ হস্তশিল্পৰ আদৰ বেছি।

বহুতো লোকৰ সহযোগত যন্ত্ৰৰ সহায়ত সৰহ পৰিমাণত তৈয়াৰ কৰা কলাক ঔদ্যোগিক কলা (Industrial art) নাম দিয়া হৈছে। চলচিত্ৰ বিখ্যাত চিত্ৰৰ ৰঙীণ পুনৰ নিৰ্মাণ আদি এনে ঔদ্যোগিক কলা । বিজ্ঞাপন, পষ্টাৰ আদিত ব্যৱহাৰ কৰা কলা হ’ল | বাণিজ্যিক কলা (Commercial art)।

এই কথা অৱশ্যে মন কৰিবলগীয়া যে, সৃষ্টি কৰোতাঁৰ প্ৰতিভা অনুসৰি কলাৰ মানৰ তাৰতম্য ঘটিব পাৰে। কিছুমান কলা অতি উচ্চ গুণসম্পন্ন হ'ব পাৰে, আৰু কিছুমান কলা ইমানেই নিম্নখাপৰ যে, সি কলা আখ্যা পোৱাৰ যোগ্য যোগ্য হ'ব নোৱাৰে। আনহাতে, আগতে উল্লেখ কৰি অহাৰ দৰে শিল্পও সৃষ্টিশীল আৰু নন্দনতাত্তিক গুণেৰে সমৃদ্ধ হ'ব পাৰে ।

কলা আৰু শিল্পৰ ক্ষেত্ৰত কোন জনগোষ্ঠীয়ে কি নাই কৰা— এই বিষয়ে সবিশেষ আলোচনা কৰাৰ অৰ্হতা এই লেখকৰ নাই, আৰু এনে ধৰনৰ এটি আলোচনা আগ বঢ়োৱা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়। কিন্ত ওপৰত কলা আৰু শিল্প সম্পৰ্কে এটা সাধাৰণ ভূমিকা আগবঢ়োৱাৰ উদ্দেশ্য হ'ল, এই দুটা দিশত মিচিং জনগোষ্ঠীৰ স্থিতি সম্পৰ্কে এটা ধাৰণা কৰা। এনে এখন

ছবি সমুখত থাকিলে মিচিং সমাজে, বিশেষকৈ মিচিং ডেকা-গাভৰু সকলে, কলা আৰু শিল্পৰ দিশত আমাৰ কৰণীয় যে, সংস্কৃতিবান জাতি গঢ়িবলৈ সংস্কৃতিৰ অন্যান্য দিশৰ লগতে কলা আৰু শিল্পৰো বিকাশ সাধন কৰিব লাগিব।

প্ৰথমতে, মিচিংসকলৰ বয়ন শিল্পৰ দিশটোকে চোৱা যাওক । বয়নশিল্পত মিচিংসকলৰ স্থিতি প্ৰশংসনীয়। ইতিমধ্যে তেওঁলোকে এই শিল্পক কলাত্মক কৰি তুলিবলৈ সক্ষম হৈছে। বিশেষকৈ, মিচিং শিপিনীয়ে বোৱা মেখেলা চাদৰে ৰাজ্যৰ ভিতৰত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। মিচিং মেখেলা চাদৰত ব্যৱহাৰ হোৱা ফুলৰ নক্সা 'মিৰি ডিজাইন' বা 'মিচিং ডিজাইন' নামে জনাজাত হৈছে। ৰঙৰ সমাহাৰো আকৰ্ষণীয়। কিছুমান শিপিনীয়ে বোধকৰোঁ শাৰীও বব ধৰিছে। ভাল সূতাৰে সুন্দৰ নক্সাৰ ফুল বাচি শাৰী বলে লাহে লাহে অসমৰ বাহিৰতো মিচিং শিপিণীয়ে বোৱা শাৰীয়ে নিশ্চয় সমাদৰ লাভ কৰিবলৈ সক্ষম হব। আন কি ভাৰতবৰ্ষত এতিয়া বহুল প্ৰচলিত মহিলাৰ সাজ-চুড়িদাৰ-কুৰ্তাৰ বাবে কাপোৰ বৈ উলিওৱাৰ কথাও মিচিং শিপিনীসকলে চিন্তা কৰিব পাৰে। মিচিংসকলৰ মাজত কপাহ খেতি প্ৰায় নোহোৱা হৈছে, গতিকে 'গাদু' (মিৰি-জিম) বোৱাৰ পৰম্পৰাও মৃতপ্ৰায় । গাদু বোৱা বৰ সময় সাপেক্ষ কাম। যন্ত্ৰৰ সহায়ত তৈয়াৰ কৰা নানা ধৰণৰ লেপ, কম্বল আদিৰ প্ৰাচুৰ্য্যৰ দিনত উচিত নহ'ব। গাদু বোৱা কাম আগৰ



দৰে কেৱল ঘৰৰ বুঢ়ীগৰাকীলৈ এৰি নিদি বজাৰৰ পৰা কপাহ আনি কম বয়সীয়াসকলেও এই কামত হাত দিব পাৰে। কপাহ ৰং কৰি গাদু বোৱা পদ্ধতিৰ উন্নতি সাধন ঘটাই বিভিন্ন ধৰণৰ | কাৰ্পেট বোৱাৰ কথাও নিশ্চই ভাবিব পাৰি। এইদৰে উদ্ভাৱনীমুলক (Innovative) চিন্তা-চৰ্চাৰ জৰিয়তেহে কলা আৰু শিল্পৰ উন্নতি | সাধন কৰিব পৰা যাব। যান্ত্ৰিক বয়ন-শিল্পৰ লগত প্ৰতিযোগিতা | কৰা কঠিন যদিও সুন্দৰ, কলাত্মক হস্তশিল্পই যুগে যুগে সমাদৰ লাভ কৰি আহিছে। আংশিকভাৱে যন্ত্ৰৰ ব্যৱহাৰ কৰি মিচিং বোৱা- | কটাক এটা লেখত ল'বলগীয়া কুটিৰ শিল্প (Cottage industry) | হিচাবে গঢ়ি তুলিব পাৰিনেকি, সেইটোও বিবেচনা কৰি চাব পাৰি ।

বাঁহ আৰু বেত ব্যৱহাৰ কৰি মিচিংসকলে পাচি, খৰাহি, ডলা, চালনি, ডুলি, হোৰা, নানাধৰণৰ খাং, মাছ ধৰা নানা প্ৰকাৰৰ সঁজুলি, জুহালৰ ওপৰৰ চাং আদি বিভিন্ন প্ৰকাৰৰ দৈনন্দিন জীৱনৰ লাগতিয়াল সঁজুলি তৈয়াৰ কৰি লয়। সেইদৰে ঘৰ সজা কামত তেওঁলোকে খুঁটা, চতি, মাৰলি, কেঞ্চি-বাটাম আদিৰ বাবে কাঠ | ব্যৱহাৰ কৰে; কিন্তু কৰতেৰে আৱশ্যকীয় জোখত কাঠ ফালি সেইবোৰ ব্যৱহাৰ কৰাৰ নিজা পৰম্পৰা তেওঁলোকৰ নোহোৱা | বাবে এনে প্ৰয়োজনৰ বাবে তেওঁলোকে আগতে গোটা কাঠ বা | বাঁহেই ব্যৱহাৰ কৰিছিল আৰু সেইবোৰকে কিছু পৰিমাণে মিহি কৰি লৈছিল। কৰতিয়ালৰ সহায় নললে অথবা ফলা কাঠ | নিকিনিলে তেওঁলোকে এতিয়াও এইবোৰ কামত গোটা কাঠ বা বাঁহেই ব্যৱহাৰ কৰে। খিলি বা শাল ব্যৱহাৰ কৰি কাঠ ফলাৰ পৰৰম্পৰাগত পদ্ধতি তেওঁলোকৰ আছে, কিন্তু ই বৰ কষ্টসাধ্য | বাবে অগত্যা এৰাব নোৱাৰা পৰিস্থিতিতহে এই পদ্ধতি অৱলম্বন কৰে। সৰ্বসাধাৰণ কাঠৰ নাওঁ সাজিবলৈ কুঠাৰৰ লগতে চাঁচ অপৰিহাৰ্য্য । পাহাৰত বসবাস কৰোঁতে চাঁচৰ ব্যৱহাৰ তেওঁলোকে জানিছিল বুলি মনে নধৰে। নদীৰ পাৰত বাস কৰি বানপানীৰ | কবলত পৰা মানুহৰ কাৰণে জীয়াই থকাৰ সংগ্ৰামত কুঠাৰৰ লগতে | চাঁচ ব্যৱহাৰ কৰি আৱশ্যক অনুসৰি সৰু বা ডাঙৰ নাও সাজিবলৈ শিকিলে। উৰাল আৰু উৰালৰ মাৰি তৈয়াৰ কৰি লোৱাৰ পৰম্পৰা .হয়তো পাহাৰত থকা দিনৰে। মুঠতে, মন কৰিবলগীয়া যে কাঠ, বাঁহ বা বেতৰ শিল্পৰ ক্ষেত্ৰত মিচিংসকলে অভাৱ পূৰণৰ উৰ্ধত উঠি কলাত্মক গুণসমৃদ্ধ, সুন্দৰ সামগ্ৰী তৈয়াৰ কৰি আহিছে বুলি কব নোৱাৰি। আন কি, বেতৰ পেৰা বা তেনেকুৱা সামান্য দুই এপদ বস্তুৰ বাহিৰে আচবাব (Furniture) তৈয়াৰ কৰাৰ পৰম্পৰাও তেওঁলোকৰ মাজত নাই। ৰ'দ বা বৰষুণৰ পৰা গা- মুৰ ঢাকিবলৈ মিচিংসকলেও জাপি সাজে, কিন্তু সজ্জা-কলা বুলি গণ্য কৰিব পৰা ফুলাম জাপি তেওঁলোকে নাসাজে। এতেকে কাঠ, বাঁহ আৰু বেতৰ শিল্পৰ বিকাশৰ বাবে মিচিংসকলৰ কৰণীয় ভালেমান আছে। অৱশ্যে প্ৰকৃতিয়ে দিয়া কাঠ, বাঁহ আৰু বেত প্ৰায় নোহোৱা হৈছে। গতিকে এই দিশত বিকাশ সাধন কৰিবলৈ বাঁহৰ দৰে কাঠ আৰু বেতৰ খেতিও আৱশ্যকীয় পৰিমাণে কৰাৰ কথা ভাবিব লাগিব।

ধাতুশিল্প (Metal Craft) মিচিংসকলৰ মাজত একেবাৰে নাই বুলিলেও হয়। লো-ৰে দা, কটাৰী, কুঠাৰ, যাঠি আদি তৈয়াৰ কৰাৰ শিল্প তেওঁলোকে পাহাৰত বাস কৰোতে হয়তো জানিছিল, কিন্তু ভৈয়ামত বসবাস কৰিবলৈ লোৱাৰ পিছত এই ক্ষেত্ৰত তেওঁলোক আনৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিল। ধঁপাত, নাম্‌চিং (গুড়ি কৰা শুকান মাছ) আদি ৰাখিবৰ বাবে, অথবা জলকীয়া, আদা-নহৰু আদি খুন্দিবৰ বাবে বাঁহৰ চুঙা অথবা এনে ধৰণৰ অতি সাধাৰণ দুই এটা বস্তুৰ বাহিৰে মিচিং ঘৰৰ বাচন বৰ্তন সকলো কিনি লবলগীয়া হয়। মাটিৰে বিভিন্ন ধৰণৰ পাত্ৰ বা কলা-সামগ্ৰী ( Art Objects) গঢ়াৰ কৌশলো তেওঁলোকে আয়ত্ত কৰা নাই। অলংকাৰ শিল্পৰ বিষয়েও মিচিংসকলৰ পৰম্পৰাগত জ্ঞান নাই। "তাদগ' বা 'দগনে' (ডিঙিৰ মণি বিশেষ) তেওঁলোকে সম্ভৱতঃ তিব্বতৰ ফালৰ পৰা পাইছিল। বাকী সমস্ত অলংকাৰ তেওঁলোকে ভৈয়ামৰ পৰাপোৱা।

এইদৰে দেখা যায়, বয়ন শিল্পৰ বাহিৰে মিচিংসকলৰ বৰ লেখত লবলগীয়া শিল্প পৰম্পৰা নাই। যিখিনি আছে, সেয়া নিতান্ত লাগতিয়াল প্ৰকৃতিৰ শিল্প -- সুন্দৰৰ পৰশ সেইবোৰত সাধাৰণতে পোৱা নাযায়। সেয়ে, মিচিংসকলৰ মাজত সজ্জা কলাৰো অভাৱ। আমাৰ সংস্কৃতিক শক্তিশালী কৰিবলৈ আমি এইবোৰ দিশত অলপ মনোনিৱেশ কৰিব লাগিব।
এইবাৰ কলাৰ দিশটো চোৱা যাওক। চিত্ৰকলা, ভাস্কৰ্য্য, স্থাপত্য, চিত্ৰাংকন, খোদন আদি দৃষ্টিগ্ৰাহ্য কলা মিচিংসকলৰ মাজত বিশেষ নাই। ঘৰৰ চতিত কেতিয়াবা ফুল বা নক্সা কটা বা আঁকা



